www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

অসম বাৰ্তা

PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

বিদ্যুতে বৈদ্যুতিক সা-সৰঞ্জাম কাৰ্যক্ষম কৰি তোলাৰ দৰে তোমাৰ আবেগ আৰু অনুভূতিয়ে তোমাৰ চিন্তা আৰু কৰ্মশক্তিক কাৰ্যক্ষম কৰি তোলে। — আৰ. ছেছন

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

প্ৰথম বছৰ ❑ সংখ্যা- ১৭৩ ❑ সোমবাৰ ❑ ২০ এপ্ৰিল, ২০২৬ চন ❑ Volume/Year- I ❑ Issue- 173 ❑ Monday ❑ 20th April, 2026 ❑ Asom Barta, Majuli ❑ PRGI Reg. No.- ASASS/25/A2361 ❑ Price- Rs. 10 ❑ Total Page- 8

■ দেশৰ হিতৰ বাবে কৰা প্ৰতিটো কামৰ বিৰোধিতা কৰে কংগ্ৰেছেঃ দিলীপ শইকীয়া ■

২৩ এপ্ৰিলত বিজেপিৰ 'মহিলা আক্ৰোশ' শীৰ্ষক প্ৰতিবাদী কাৰ্যসূচী

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১৯ এপ্ৰিল ঃ মহিলা সংৰক্ষণ বিধেয়ক (নাৰী শক্তি বন্দনা সংশোধনী বিধেয়ক ২০২৬) সংসদত পাৰিত নোহোৱাৰ পাছত বিজেপিয়ে বিৰোধী দলসমূহৰ তীব্ৰ সমালোচনা কৰিছে। বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই কংগ্ৰেছে দেশৰ হিতৰ বাবে কৰা প্ৰতিটো কামৰ বিৰোধিতা কৰে বুলি অভিযোগ উত্থাপন কৰিছে। দেওবাৰে বিজেপিৰ ৰাজ্যিক মুখ্য কাৰ্যালয়ত এনডিএৰ ❑ ৬ পৃষ্ঠাত

পৱন খেড়াৰ বিৰুদ্ধে জামিনবিহীন গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰিবলৈ অস্বীকাৰ আদালতৰ

প্ৰসংগঃ মুখ্যমন্ত্ৰীৰ পত্নী ৰিণিকি ভূঞা শৰ্মাৰ একাধিক পাছপ'ৰ্ট আৰু বিদেশী সম্পত্তি

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১৯ এপ্ৰিল ঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পত্নী ৰিণিকি ভূঞা শৰ্মাৰ দাখিল কৰা এজাহাৰৰ ভিত্তিত কংগ্ৰেছ নেতা পৱন খেড়াৰ বিৰুদ্ধে জামিনবিহীন গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰাৰ আবেদন অসম আৰক্ষীয়ে দাখিল কৰিছিল। কিন্তু কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতে সেই আবেদন খাৰিজ কৰি দিছে। আদালতে এই সিদ্ধান্ত ❑ ৬ পৃষ্ঠাত

■ গুৱাহাটীৰ গ্ৰীনউড হোটেলত প্ৰীতিভোজেৰে জয়-পৰাজয়ৰ অংকত বহিল বিৰোধী ■

১২৬ প্ৰাৰ্থীৰে বিৰোধী মিত্ৰজোঁটৰ পৰ্যালোচনা বৈঠক

■ তিনি গগৈয়ে এইবাৰ উজনিত হাল্লা লগাই দিলে, নিজিকিম বুলি ভৱা সমষ্টিত জিকিম ঃ অখিল গগৈ

■ অগপক নতুন এআইইউডিএফ বনালে বিজেপিয়ে, মুখ্যমন্ত্ৰীয়ে মোক সদায় সপোনত দেখে ঃ লুৰিণজ্যোতি গগৈ

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১৯ এপ্ৰিল ঃ অসম বিধানসভা নিৰ্বাচন ২০২৬ৰ ফলাফলৰ পাছত বিৰোধী শিবিৰৰ প্ৰথম নিৰ্বাচনোত্তৰ পৰ্যালোচনা বৈঠক অনুষ্ঠিত হৈছে। দেওবাৰে নিশা গুৱাহাটীৰ গ্ৰীনউড হোটেলত বিৰোধী দলসমূহৰ সকলো প্ৰাৰ্থীক লৈ প্ৰীতিভোজেৰে এই বৈঠক সম্পন্ন হয়। বৈঠকত প্ৰদেশ কংগ্ৰেছৰ সভাপতি তথা সাংসদ গৌৰৱ গগৈ, ৰাইজৰ দলৰ সভাপতি অখিল গগৈ, অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈকে ধৰি বিভিন্ন বিৰোধী দলৰ নেতৃত্ব উপস্থিত আছিল। কংগ্ৰেছ, ৰাইজৰ দল, অসম জাতীয় পৰিষদ, এপিএইচএলচি, চিপিএম, চিপিআই (এমএল) আদি দলসমূহৰ প্ৰাৰ্থী আৰু নেতাসকলে বৈঠকত অংশগ্ৰহণ কৰে। বৈঠকত ভোটগ্ৰহণৰ সময়ত বিভিন্ন সমষ্টিত সৃষ্টি হোৱা ৰাজনৈতিক সমীকৰণ, নিৰ্বাচনী ফলাফলৰ বিশ্লেষণ আৰু ভৱিষ্যতে বিৰোধী দলসমূহে গ্ৰহণ কৰিবলগীয়া ৰাজনৈতিক কৌশলৰ বিষয়ে বিস্তৃত আলোচনা কৰা হয়। সংবাদ মাধ্যমৰ আগত গৌৰৱ গগৈয়ে কয়, ❑ ৬ পৃষ্ঠাত

সংৰক্ষণৰ নামত কু-অভিসন্ধি ৰচাৰ বাবেই বিজেপিয়ে মুখথেকেঁচা খালে ঃ মীৰা বৰঠাকুৰ গোস্বামী

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১৯ এপ্ৰিল ঃ মহিলা সংৰক্ষণ বিধেয়কক লৈ সৃষ্টি হোৱা বিতৰ্কৰ মাজত ❑ ৬ পৃষ্ঠাত

কট্টনপট্টীত সংঘটিত দুৰ্ঘটনাত মৃত্যুৰ সংখ্যা আৰু বৃদ্ধি পোৱাৰ আশংকা

তামিলনাড়ুৰ ফটকা কাৰখানাত ভয়ংকৰ বিস্ফোৰণ: নিহত ২২

নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৯ এপ্ৰিল ঃ তামিলনাড়ুৰ বিৰুধুনগৰ জিলাৰ কট্টনপট্টীত অৱস্থিত এটা ব্যক্তিগত ফটকা নিৰ্মাণ কাৰখানাত দেওবাৰে বিয়লি এক ❑ ৬ পৃষ্ঠাত

মহিলা সংৰক্ষণ বিধেয়কক লৈ প্ৰধানমন্ত্ৰীয়ে ঘঁৰিয়ালৰ চকুপানী টুকিছে ঃ সুপ্ৰিয়া শ্ৰীনাটে

নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৯ এপ্ৰিল ঃ লোকসভাত মহিলা সংৰক্ষণ বিধেয়ক পাৰিত নোহোৱাৰ পাছত শাসক আৰু বিৰোধীৰ মাজত ❑ ৬ পৃষ্ঠাত

কঠোৰ নিৰ্বাচন আয়োগ; নিৰ্বাচনী প্ৰক্ৰিয়াত স্বচ্ছতা আৰু সুস্থতা বজাই ৰখাৰ লক্ষ্য

৩ ঘণ্টাৰ ভিতৰত আঁতৰাব লাগিব এআই সৃষ্ট সমল

নিউজ ডেস্ক, অসম বাৰ্তা, ১৯ এপ্ৰিল ঃ দেশৰ বিভিন্ন ৰাজ্যত চলি থকা সাধাৰণ নিৰ্বাচন আৰু উপ নিৰ্বাচনৰ মাজতে ভাৰতৰ নিৰ্বাচন আয়োগে সামাজিক মাধ্যম আৰু ডিজিটেল প্লেটফৰ্মৰ ব্যৱহাৰৰ ক্ষেত্ৰত কঠোৰ নিৰ্দেশনা জাৰি কৰিছে। স্বচ্ছ, নিকা আৰু সুস্থ নিৰ্বাচন অনুষ্ঠিত কৰাৰ লক্ষ্যৰে আয়োগে ৰাজনৈতিক দল, প্ৰাৰ্থী আৰু সম্পৰ্কিত সকলো পক্ষক অধিক দায়িত্বশীল আৰু নৈতিকতা সম্পন্ন আচৰণৰ ❑ ৬ পৃষ্ঠাত

কংগ্ৰেছ, ডি এম কে, তৃণমূল কংগ্ৰেছকে ধৰি বিৰোধী দলসমূহক তীব্ৰ আক্ৰমণ

দেশবাসীক সম্বোধন কৰি মহিলাসকলৰ ওচৰত ক্ষমা বিচাৰিলে মোদীয়ে

নিউজ ডেস্ক, অসম বাৰ্তা, ১৯ এপ্ৰিল ঃ শুক্ৰবাৰে সংসদত মহিলা সংৰক্ষণ বিধেয়ক গৃহীত নোহোৱাৰ পিছতে পৰা সমগ্ৰ দেশতে ৰাজনৈতিক উত্তাপ বৃদ্ধি পাইছে। শনিবাৰে নিশা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশবাসীক সম্বোধন কৰি দেশৰ ❑ ৬ পৃষ্ঠাত

❑ কৃত্ৰিম বানত জনজীৱন বিপৰ্যস্ত; সোমবাৰে সকলো শিক্ষানুষ্ঠান বন্ধ ঘোষণা ❑

এজাক বৰষুণতে মহাসাগৰলৈ পৰিণত মহানগৰ



ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১৯ এপ্ৰিল ঃ উত্তৰ-পূবৰ দুৱাৰমুখ গুৱাহাটী মহানগৰীত দেওবাৰে সন্ধিয়াৰ পৰা হোৱা ধাৰাসাৰ বৰষুণৰ ফলত সৃষ্টি হোৱা কৃত্ৰিম বানে ভয়ংকৰ পৰিস্থিতিৰ সৃষ্টি কৰিছে। অবিৰত বৰষুণৰ বাবে মহানগৰীৰ প্ৰায় প্ৰতিটো অঞ্চলতে পানী জমা হৈ একপ্ৰকাৰ ভক্ত হৈ পৰিছে সমগ্ৰ গুৱাহাটী। বেলতলা, হাতীগাঁও, কৰ্ম্মিণীগাঁও, পাঞ্জাবাৰী, ছয়মাইল, গণেশগুৰি, কাহিলীপাৰা, জু-ৰোড, চানমাৰি, গান্ধীবস্তি, আমবাৰী, জি এছ ৰোড, মালিগাঁও, যোৰাবাট আদি বিভিন্ন গুৰুত্বপূৰ্ণ অঞ্চলত অভাৱনীয় পৰিস্থিতিৰ সৃষ্টি হৈছে। বহু ঠাইত ❑ ৬ পৃষ্ঠাত

১৭ আগষ্টৰ পৰা ঘৰে-ঘৰে গৈ তথ্য সংগ্ৰহ আৰম্ভ

অসমত অচিৰেই আৰম্ভ হ'ব লোকপিয়লৰ কাম; ২ আগষ্টৰ পৰা প্ৰাথমিক প্ৰস্তুতি

❑ ৮৫ হাজাৰ গণনাকাৰী নিয়োগ ❑

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১৯ এপ্ৰিল ঃ অসমত ২০২৬ চনৰ লোকপিয়লৰ কাম অচিৰেই আৰম্ভ হ'ব। চৰকাৰী সূত্ৰৰ পৰা প্ৰকাশিত তথ্য অনুসৰি, ২ আগষ্ট, ২০২৬ৰ পৰা ৰাজ্যজুৰি লোকপিয়লৰ প্ৰাথমিক কাম-কাজ আৰম্ভ হ'ব। ইয়াৰ পিছত ১৭ আগষ্টৰ ❑ ৬ পৃষ্ঠাত

কাৰ্বি আংলঙৰ দুৰ্গম বনাঞ্চলত উদ্ধাৰ মৃতদেহ

নিৰ্বাচনী দায়িত্বত থকা পলিং বিষয়াৰ মৃতদেহ উদ্ধাৰ

ষ্টাফ ৰিপৰ্টাৰ, কাৰ্বি আংলং, ১৯ এপ্ৰিল ঃ কাৰ্বি আংলঙ জিলাৰ এক দুৰ্গম বনাঞ্চলত নিৰ্বাচনী দায়িত্বত থকা অৱস্থাত দহ দিন পূৰ্বে নিৰুদ্দেশ হোৱা এগাৰাকী পলিং বিষয়াৰ পচি যোৱা মৃতদেহ দেওবাৰে উদ্ধাৰ কৰা হৈছে। মৃত শিক্ষকগৰাকীক ৪৯ বৰ্ষীয় কনেলিয়াছ ❑ ৬ পৃষ্ঠাত

■ ডি এম কে সাংসদ পি. উইলছনৰ প্ৰস্তাৱ নাকচ ■

মহিলা সংৰক্ষণ আইন তাৎক্ষণিক-ভাৱে কাৰ্যকৰী কৰাৰ দাবীত উত্থাপিত ব্যক্তিগত বিধেয়ক ৰাজ্যসভাত অগ্ৰাহ্য

নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৯ এপ্ৰিল ঃ সংসদত লোকসভা আৰু ৰাজ্যিক বিধানসভাসমূহৰ সমষ্টি পুনৰ নিৰ্ধাৰণ অথবা নতুন লোকপিয়লৰ বাবে অপেক্ষা নকৰাকৈয়ে মহিলা ❑ ৬ পৃষ্ঠাত

তেলেংগানা উচ্চ ন্যায়ালয়ৰ জামিন নিৰ্দেশত স্থগিতাদেশ জাৰি

গুৱাহাটী উচ্চ ন্যায়ালয়ত পৱন খেড়াৰ জামিন আবেদন দাখিল কৰিব অসম প্ৰদেশ কংগ্ৰেছে

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ১৯ এপ্ৰিল ঃ অসম বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ অভিযান চলি থকাৰ মাজতে কংগ্ৰেছ নেতা পৱন খেড়াৰ জামিন আবেদন সোমবাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ত দাখিল কৰিবলৈ অসম প্ৰদেশ কংগ্ৰেছে সিদ্ধান্ত লৈছে। প্ৰদেশ কংগ্ৰেছৰ আইনী দলে এই আবেদন দাখিল কৰিব। প্ৰদেশ কংগ্ৰেছৰ মুখপাত্ৰ তথা আইনী কোষৰ সাধাৰণ সম্পাদক ৰিতম সিঙে ইটিভি ভাৰতৰ সৈতে হোৱা টেলিফোনিক বাৰ্তালাপত এই তথ্য জানিবলৈ দিয়ে। তেওঁ কয়, "সোমবাৰে পুৱাৰ ভাগত গুৱাহাটী উচ্চ ন্যায়ালয়ত পৱন খেড়াৰ জামিন আবেদন ❑ ৬ পৃষ্ঠাত

ৰিংকু প্ৰিয়ম, হিমাশ্ৰী নাথৰ সংগীতানুষ্ঠানত জীপাল হৰি মন্দিৰৰ বাকৰি

দৌলাশাল আঞ্চলিক ৰঙালী বিহুত ভাস্কৰজ্যোতি বিহু হুঁচৰি দল শ্ৰেষ্ঠ

অসম বাৰ্তা, দৌলাশাল, ১৯ এপ্ৰিল ঃ প্ৰতি বছৰৰ দৰে এই বেলিও নলবাৰী জিলাৰ ববকেত্ৰীৰ দৌলাশাল আঞ্চলিক বিহু সন্মিলনৰ উদ্যোগত ১, ২ আৰু ৪ ৰ'হাগত তিনিদিনীয়াকৈ ৪০ সংখ্যক ৰঙালী বিহু উদ্‌যাপন কৰা হয়। দৌলাশাল হৰি মন্দিৰ প্ৰাংগণত অনুষ্ঠিত ৰঙালী বিহুৰ কাৰ্যসূচী অনুসৰি কালি অন্তিমদিনা অনুষ্ঠিত হয় মুকলি বিহু প্ৰতিযোগিতা আৰু সাংস্কৃতিক অনুষ্ঠান। কালি বিয়লি ৪ বজাৰ পৰা অনুষ্ঠিত হোৱা মুকলি বিহু হুঁচৰি প্ৰতিযোগিতা উদ্বোধন কৰে গুৱাহাটী বি.বৰুৱা মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞানৰ সহকাৰী অধ্যাপক ড° সমীক বেনাৰ্জীয়ে আৰু বিহুতলিত বন্তি প্ৰস্তুতন কৰে দৌলাশাল আঞ্চলিক বিহু সন্মিলনৰ অন্যতম উপদেষ্টা লীলাধৰ পাঠকে। মাজনিশালৈকে মুকলি বিহু হুঁচৰি প্ৰতিযোগিতাত ৰাজ্যখনৰ কেইবাটাও আগশাৰীৰ বিহুৱা দলে অংশগ্ৰহণ কৰি বিহু প্ৰদৰ্শন কৰে। মুকলি বিহু প্ৰতিযোগিতাত শ্ৰেষ্ঠত্ব অৰ্জন কৰে টিছ হাবিভাংগাৰ ভাস্কৰজ্যোতি বিহু হুঁচৰি দলে। নলবাৰীৰ সোণালী অসম বিহুৱা দলে প্ৰতিযোগিতাত দ্বিতীয় স্থান লাভ কৰে বুলি জানিবলৈ দিয়ে সাংস্কৃতিক সম্পাদকদ্বয় কন্দৰ্প নাথ আৰু জ্যোতিৰ্ময় নাথে। মুকলি বিহু প্ৰতিযোগিতা অন্ত পৰাৰ পিছতে নিশা কিনকিনিয়া ববযুগৰ মাজতে অনুষ্ঠিত হয় সাংস্কৃতিক অনুষ্ঠান। অনুষ্ঠানত গীত পৰিবেশন কৰি বাইজক মন্ত্ৰমুগ্ধ কৰি তোলে "আমেৰিকা-জাপানত, ঘূৰি ফুৰৌ সপোনত" শীৰ্ষক গীতৰ স্ৰষ্টা যুৱ কণ্ঠশিল্পী ৰিংকু প্ৰিয়ম আৰু হিমাশ্ৰী নাথে। সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰে মৰিগাঁও ঘনকান্ত বৰুৱা মহাবিদ্যালয়ৰ জ্যেষ্ঠ অধ্যাপক তপন কুমাৰ চৌধুৰীয়ে। এইবেলি মুকলি বিহুতলি সুধাকণ্ঠ ভূপেন হাজৰিকাৰ নামত উৎসৰ্গা কৰাৰ সমান্তৰালকৈ সাংস্কৃতিক অনুষ্ঠান উৎসৰ্গা কৰে অসমীয়া জাতিৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ নামত। বিহুতলিত হাৰ্টথ্ৰ'ব জুবিন গাৰ্গ আৰু সুধাকণ্ঠ ড° ভূপেন হাজৰিকালৈ শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰাৰ বাবে এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰে দৌলাশাল আঞ্চলিক বিহু সন্মিলনে। জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰস্তুতন কৰে বিহু সন্মিলনৰ উপদেষ্টা বাবুল বণিকই আৰু মাল্যাৰ্পণ কৰে সন্মিলনৰ প্ৰাঙ্গন সভাপতি শংকৰ পাঠকে। আনহাতে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰস্তুতন কৰে উপদেষ্টা বনজিৎ বৈশ্যই আৰু মাল্যাৰ্পণ কৰে পশ্চিম ববক্ষেত্ৰী ধৰ্মপুৰ মণ্ডল বিজেপিৰ সভাপতি বাজু ডেকাই। ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠান মুকলি কৰে বিহু সন্মিলনৰ সম্পাদক ধ্ৰুৱজ্যোতি বৈশ্যই। তিনিদিনীয়া ৰঙালী বিহু উদ্‌যাপনৰ পহিলাদিনা অৰ্থাৎ ১৫ এপ্ৰিলত পুৱা বিহুৰ পতাকা উত্তোলন কৰে বিহু সন্মিলনৰ সভাপতি প্ৰেমেশ্বৰ বৈশ্যই। গছপুলি ৰোপণ কৰে কুলেন বৰ্মন আৰু মহেন্দ্ৰ মোহন বয়ে। তাৰ পিছতে আৰম্ভ হয় ঠাইতে লিখা ৰচনা প্ৰতিযোগিতা, কবিতা আবৃত্তি আৰু কুইজ প্ৰতিযোগিতা। ৰচনা প্ৰতিযোগিতাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে ক্ৰমে দীক্ষিতা নাথ, জিৎ চৌধুৰী আৰু দিক্ষু বৈশ্যই। কুইজ প্ৰতিযোগিতাত প্ৰথম স্থান কাব্যজোতি দাস, ধ্ৰুৱজ্যোতি ডেকা আৰু দ্বিতীয় স্থান ছাজিদ ইকবাল আৰু জাহিদুল ইছলামে লাভ কৰে। ১৬ এপ্ৰিলৰ পূৰাবেলা পৰা আৰম্ভ হয় দৌৰ, বাম-পানী, টেকেলি ভঙা আদি চেমনীয়াৰ বিভিন্ন খেল-ধেমালি। খেল-ধেমালি প্ৰতিযোগিতা উদ্বোধন কৰে দৌলাশাল ভাস্কৰ সামুহিক কেন্দ্ৰৰ সভাপতি মৃত্যুঞ্জয় পাঠকে। পুৱা ১০ বজাত অনুষ্ঠিত চিত্ৰাংকন প্ৰতিযোগিতা উদ্বোধন কৰে যুৱ সাংবাদিক জয়ন্ত ডেকাই। দুটা শাখাত অনুষ্ঠিত চিত্ৰাংকন প্ৰতিযোগিতাৰ ক শাখাত পুৰস্কাৰ লাভ কৰে ক্ৰমে প্ৰজ্ঞান বৈশ্য, কংকনা নাথ আৰু নিবিড় নাথে আনহাতে খ শাখাত পুৰস্কাৰ লাভ কৰে দিক্ষু বৈশ্য, দীক্ষিতা নাথ আৰু বনস্মিতা ঠাকুৰীয়াই। ১২ বজাৰ পৰা আৰম্ভ হয় ভলীবল প্ৰতিযোগিতা। বিৰিণা গোষ্ঠী অসমৰ সভাপতি জিয়াউৰ ৰহমানে উদ্বোধন কৰা ভলীবল প্ৰতিযোগিতাত প্ৰথম স্থান অধিকাৰ কৰে আৰ পি চি এম ভলীবল দল আৰু দ্বিতীয় স্থান অধিকাৰ কৰে আৰিচ ভলীবল দলে।

বাউসী আঞ্চলিক ভাগৱত অধ্যয়ন চক্ৰৰ সোণালী জয়ন্তীৰ বৰ্ণাঢ্য শুভাৰম্ভ

অসম বাৰ্তা, চেঙা, ১৯ এপ্ৰিল ঃ ববপেটা জিলাৰ অন্তৰ্গত নগাঁও ৰাস মন্দিৰৰ পৰিত্ৰ প্ৰাঙ্গনত আজি বাউসী আঞ্চলিক ভাগৱত অধ্যয়ন চক্ৰৰ গৌৰবোজ্জ্বল সোণালী জয়ন্তী উদ্‌যাপনৰ বৰ্ণাঢ্য শুভাৰম্ভ কৰা হয়। সাত দিনীয়া বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত এই জয়ন্তী উৎসৱে অঞ্চলজুৰি এক গভীৰ ধৰ্মীয়, আধ্যাত্মিক আৰু সাংস্কৃতিক পৰিৱেশৰ সৃষ্টি কৰিছে। অনুষ্ঠানটোত বিভিন্ন প্ৰান্তৰ ভক্ত, ৰাইজ আৰু ধৰ্মপ্ৰাণ লোকসকলৰ উৎসাহজনক উপস্থিতিয়ে উৎসৱটিক অধিক গাম্ভীৰ্য আৰু আকৰ্ষণীয় কৰি তোলে। উল্লেখযোগ্য যে, ১৯৭৭ চনত প্ৰতিষ্ঠা লাভ কৰা বাউসী আঞ্চলিক ভাগৱত অধ্যয়ন চক্ৰই এইবাৰ গৌৰবৰে ৫০টা বছৰ অতিক্ৰম কৰি সোণালী জয়ন্তী বৰ্ষত উপনীত হৈছে। এই দীৰ্ঘ পথচলাত চক্ৰখনে অঞ্চলটোৰ ধৰ্মীয় জীৱনত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। বিশেষকৈ ভাগৱত পাঠ, তাৰ ব্যাখ্যা আৰু ভক্তিমূলক কাৰ্যসূচীৰ জৰিয়তে সাধাৰণ ৰাইজৰ মাজত ধৰ্মীয় চেতনা জাগ্ৰত কৰাৰ লগতে সনাতন ধৰ্মাৱলম্বী সমাজৰ মাজত ঐক্য, সম্প্ৰীতি আৰু ভাতৃত্ববোধ গঢ়ি তোলাত চক্ৰখনৰ অৱদান উল্লেখযোগ্য। সোণালী জয়ন্তী উদ্‌যাপনৰ অংশ হিচাপে আজি পুৱা পৰম্পৰাগত ধৰ্মীয় আচাৰ-অনুষ্ঠানৰ মাজেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। প্ৰথমে অধ্যয়ন চক্ৰৰ পতাকা উত্তোলন কৰে সভাপতি সুবজিত তালুকদাৰে, আৰু তাৰ পিছতে সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ পতাকা উত্তোলন কৰে সভাপতি দীনেশ পাঠকে। পতাকা উত্তোলনৰ লগে-লগে ভক্তিমূলক নাম-প্ৰসঙ্গৰ সুৰেৰে সমগ্ৰ পৰিৱেশ আধ্যাত্মিকতাৰে মুখৰ হৈ উঠে। উদ্‌যাপন সমিতিৰ সম্পাদক সাগৰ চন্দ্ৰ বায়নে জনোৱা মতে, এই সোণালী জয়ন্তী উপলক্ষে সাত দিন ধৰি ভাগৱত পাঠ, ব্যাখ্যা, ধৰ্মীয় আলোচনা, নাম-প্ৰসঙ্গ, কীৰ্তন, সাংস্কৃতিক অনুষ্ঠান আদি বিভিন্ন কাৰ্যসূচী আয়োজন কৰা হৈছে। প্ৰতিদিনে বিভিন্ন বিশিষ্ট ধৰ্মীয় বক্তা আৰু পাঠকৰ অংশগ্ৰহণেৰে অনুষ্ঠানসমূহ অধিক তাৎপৰ্যপূৰ্ণ কৰি তোলা হ'ব বুলি তেওঁ উল্লেখ কৰে। আয়োজকসকলে আৰু জনায় যে, বাউসী আঞ্চলিক ভাগৱত অধ্যয়ন চক্ৰৰ মূল উদ্দেশ্য হৈছে ভাগৱতৰ আদৰ্শ আৰু শিক্ষাক সমাজৰ মাজত বিস্তাৰ কৰা, লগতে নৱপ্ৰজন্মক ধৰ্মীয় মূল্যবোধৰ সৈতে সংযুক্ত কৰি তোলা। এই লক্ষ্যৰে দীঘলীয়া সময় ধৰি চক্ৰখনে নিষ্ঠাৰে কাম কৰি আহিছে আৰু আগন্তুক দিনতো এই কাৰ্যধাৰা অব্যাহত ৰাখিবলৈ সংকল্পবদ্ধ। উৎসৱৰ শুভাৰম্ভ অনুষ্ঠানত উপস্থিত থকা ৰাইজে এই ধৰণৰ আয়োজনক শলাগ লোৱাৰ লগতে আগন্তুক দিনত অধিক বৃহৎ পৰিসৰত এনে ধৰ্মীয় আৰু সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত কৰাৰ কামনা ব্যক্ত কৰে। সোণালী জয়ন্তী উদ্‌যাপনৰ জৰিয়তে অঞ্চলটোৰ ধৰ্মীয় ঐতিহ্য আৰু সংস্কৃতিক অধিক শক্তিশালী ৰূপে প্ৰতিফলিত হ'ব বুলি সকলোৰে বিশ্বাস প্ৰকাশ পায়।

জজিত আঞ্চলিক ৰঙালী বিহু সন্মিলনৰ মহাৰজত জয়ন্তীৰ সফল সামৰণি

অসম বাৰ্তা, মিৰ্জা, ১৯ এপ্ৰিল ঃ পহিলা ব'হাগ দিনাৰ পৰা দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে দক্ষিণ কামৰূপৰ জজিত জজি আঞ্চলিক প্ৰগতিশীল যুৱ ক্লাবৰ সৌজন্যত আয়োজিত আঞ্চলিক ৰঙালী বিহু সন্মিলনৰ গৌৰবোজ্জ্বল মহাৰজত জয়ন্তী উলহ-মালহেৰে উদ্‌যাপন কৰে। এই উপলক্ষে পহিলা ব'হাগৰ দিনা প্ৰথমে মূল বিহু পতাকা উত্তোলনৰ প্ৰাক মুহূৰ্তত বন্তি প্ৰস্তুতন কৰে জ্যেষ্ঠ নাগৰিক চন্দ্ৰ কান্ত দলৈয়ে। তাৰ পিছতে বিহু পতাকা উত্তোলন কৰে সদৌ অসম কোচ ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনীৰ সভাপতি অনুপম দাসে। সমাগতালভাৱে একে সময়তে অঞ্চলস্থ কেবাগৰাকীও বিশিষ্ট ব্যক্তিৰ দ্বাৰা মহাৰজত জয়ন্তী উপলক্ষে ৭৫গছি বন্তি প্ৰস্তুতন আৰু ৭৫খন পতাকা উত্তোলন কৰা হয়। তাৰ পিছত শ্ৰদ্ধীদ তৰ্পণ, সুধাকণ্ঠ ড° ভূপেন হাজৰিকা আৰু প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰে। প্ৰায় সহস্ৰাধিক লোকৰ উপস্থিতিত এক বিশাল সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। সাংস্কৃতিক শোভাযাত্ৰা মুকলি কৰে ৰাষ্ট্ৰীয় খেলুৱৈ অৰুণ সাউদে। মুখ্য তোৰণ দ্বাৰ উন্মোচন কৰে বিশিষ্ট সমাজকৰ্মী অশোক নংবাগে। তাৰ পিছতে বিহুতলীত মুকলি সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰে। বিহু ছুচৰি, ৰাভা নৃত্য, বড়ো নৃত্য, ঝুমুৰ নৃত্যকে ধৰি বিভিন্ন জনগোষ্ঠীৰ সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰা হয়। বিয়লি সুনীল দাসৰ সম্পাদনাত প্ৰস্তুত কৰা মহাৰজত জয়ন্তীৰ স্মৃতিগ্ৰন্থ বৰ্হ মথুৰি উন্মোচন কৰে অৱসৰপ্ৰাপ্ত অধ্যাপক ড° নগেন কলিতাই। জিতুমণি ঠাকুৰীয়াই আত ধৰা মুকলি সভাৰ সভাপতিত্ব কৰে স্মৃতিগ্ৰন্থ সম্পাদনা সমিতিৰ সভাপতি হৃদয় কলিতাই। সভাত উপস্থিত থাকে অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰবোধ চন্দ্ৰ দলৈ, বিশিষ্ট কবি সাহিত্যিক এডৱাৰ্ড ষ্টেচী এন চাংমা, অৱসৰপ্ৰাপ্ত শিক্ষক ডাঃ নগেন চন্দ্ৰ দলৈ, অৰুন সাউদ, অমল কুমাৰ দলৈকে ধৰি কেবাগৰাকীয়ো বিশিষ্ট ব্যক্তি। মুকলি সভাতে জেষ্ঠ্য অভিনেতা বীৰেন কলিতাক স্বৰ্গীয় বাণেশ্বৰ কলিতা (ওস্তাদ)দেৱৰ সৌৰৱৰণী বটা প্ৰদান কৰা হয়। নিশা সাংস্কৃতি মঞ্চ মুকলি কৰে বিশিষ্ট লেখক জীতেন কলিতাই। বন্তি প্ৰস্তুতন কৰে জ্যোতিষী অপূৰ্ব দেৱ শমাৰই। নিশা বাৰেবহণীয়া সাংস্কৃতিক অনুষ্ঠান পৰিৱেশনৰ পিছত দ্বিতীয় দিনা দিনৰ ভাগত বিভিন্ন খেল-ধেমালি প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। সন্ধিয়া প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ গীতৰ আধাৰত একক অসমীয়া আধুনিক নৃত্য প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। প্ৰাণৰ শিল্পী জুবিন গাৰ্গ সাংস্কৃতিক অনুষ্ঠানৰ মঞ্চ মুকলি কৰে বিশিষ্ট সমাজকৰ্মী ৰাজেন্দ্ৰ নাথে আৰু বন্তি প্ৰস্তুতন কৰে দক্ষিণ কামৰূপ ছাত্ৰ সন্থাৰ সভাপতি বেদব্ৰত দাসে। নিশা নিমন্ত্ৰীত শিল্পীৰ দ্বাৰা বাৰেবহণীয়া সাংস্কৃতিক অনুষ্ঠান ৰূপায়ণ কৰা হয়। পয়সন্তৰ বছৰীয়া গৌৰবোজ্জ্বল মহাৰজত জয়ন্তী জজি আঞ্চলিক প্ৰগতিশীল যুৱ ক্লাবৰ সৌজন্যত আঞ্চলিক ৰঙালী বিহু সন্মিলন হিচাপে উদ্‌যাপন কৰাত বৃহত্তৰ অঞ্চলটোক সকলো লোকে অংশগ্ৰহণ কৰি একতা আৰু ভাতৃত্ববোধৰ নিদৰ্শন দাঙি ধৰে।

ধৰ্মীয় তথা মাংগলিক ৰীতি-নীতিৰে ডুমডুমা ৰাতি বিহু - ২০২৬ৰ লাইখুঁটা স্থাপন

২৭ এপ্ৰিলত ডুমডুমা নগৰ খেলপথাৰত বৰ্ণাঢ্য কাৰ্যসূচীৰে ৰাতি বিহু উদ্‌যাপনৰ প্ৰস্তুতি

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ১৯ এপ্ৰিল ঃ অসম মৰাণ সভা, সদৌ মৰাণ ছাত্ৰ সন্থা, মৰাণ জাতীয় মহিলা পৰিষদ আৰু সদৌ মৰাণ কলা-সংস্কৃতি বিকাশ কেন্দ্ৰৰ ডুমডুমা আঞ্চলিক সমিতিৰ যৌথ উদ্যোগত তথা বৃহত্তৰ ডুমডুমাবাসীৰ সহযোগত অহা ২৭ এপ্ৰিলত ইয়াৰ ডুমডুমা নগৰ খেলপথাৰত বৰ্ণাঢ্য কাৰ্যসূচীৰে মাংগলিক পৰম্পৰাগত ৰাতি বিহু উদ্‌যাপন- ২০২৬ ৰ আজি লাইখুঁটা স্থাপন কৰা হয়। লাইখুঁটা স্থাপন কৰে মায়ামৰা টিপুক ছাবকা সত্ৰৰ মুখ্য ববৰুৱা পুনিয়া মৰাণে। সত্ৰৰ কেইবাগৰাকী পদাধিকাৰীৰ সহযোগত ধৰ্মীয় ৰীতি-নীতি, গায়ন-বায়ন আৰু আয়তীসকলৰ উৰুলি-মংগল ধ্বনিৰ মাজত মাংগলিক পৰম্পৰাৰে অনুষ্ঠিত হ'য় ৰাতি বিহুৰ মূল ঘৰৰ লাইখুঁটা স্থাপন কাৰ্যসূচী। উল্লেখ্য যে, অসমৰ ভূমি সন্তান তথা অসমীয়া জাতিৰ অবিচ্ছেদ্য অংগ মৰাণ জনজাতিয়ে ব'হাগৰ চান্দ্ৰ মাহৰ মঙ্গলে উৰুকা, বুধে গৰু বিহু হিচাপে টো পালন কৰা ৰঙালী বিহুৰ অন্যতম বিশেষত্ব হ'ল এই ৰাতি বিহু। ধৰ্মীয় ৰীতি-নীতি, পৰম্পৰা, আচাৰ, গীত-মাত, সাজপাৰ, নাচৰ ভংগীমা ইত্যাদিৰে পৰিবেষ্টিত এই ৰাতি বিহু পৰম্পৰা অনুসৰি মৰাণ গাঁওসমূহত অনুষ্ঠিত হয়। এই বাৰ মৰাণ জনগোষ্ঠীৰ চাৰিটা সংগঠনৰ ডুমডুমা আঞ্চলিক সমিতিৰ উদ্যোগত বিশুদ্ধতাৰ প্ৰতীকি ৰূপত আয়োজিত তথা প্ৰদৰ্শিত হ'বলগীয়া ৰাতি বিহু উদ্‌যাপনৰ অৰ্থে অৰূপ মৰাণক সভাপতি, মহিম মৰাণ আৰু ৰত্ন ডাঙৰীয়াক কাৰ্যকৰী সভাপতি, সুৰজ মৰাণক মুখ্য সম্পাদক, নৱজ্যোতি মৰাণ আৰু ছত্ৰপতি মৰাণক যুটীয়া সম্পাদক হিচাপে লৈ গঠন কৰা অভ্যৰ্থনা সমিতিখনে ৰাতি বিহু উদ্‌যাপনৰ পূৰ্ণোদ্যমে প্ৰস্তুতি চলাইছে। কাৰ্যসূচী অনুসৰি, ২৭ এপ্ৰিলৰ পুৱা ১০ বজাত পতাকা উত্তোলন, ১০-৩০ বজাত স্মৃতি তৰ্পণৰ পাছতে ১১-৩০ বজাত মৰাণ আৰ্হি ঘৰ আৰু আৰ্হিৰ বাৰী মুকলি কৰিব সদৌ মৰাণ কলা-সংস্কৃতি বিকাশ কেন্দ্ৰৰ সভাপতি লম্বেশ্বৰ মৰাণে। সন্ধিয়া ৫ বজাত স্মৃতিগ্ৰন্থ উন্মোচন আৰু সম্বৰ্দ্ধনা জ্ঞাপন অনুষ্ঠানত উপস্থিত থাকিব কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ৰ প্ৰাধ্যাপিকা ড° দীপশিখা গগৈ হাজৰিকা। সন্ধিয়া ৬-৩০ বজাত বিহুতলী মুকলি কৰিব সাংস্কৃতিক সাধক তথা সদৌ মৰাণ কলা-সংস্কৃতি বিকাশ কেন্দ্ৰৰ প্ৰাক্তন সভাপতি জিতু গোস্বামী। নিশা ৯-৩০ বজাত ৰাতি বিহু আদৰণি অনুষ্ঠানৰ মুকলি কৰিব সদৌ মৰাণ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক জয়কান্ত মৰাণে। অনুষ্ঠানত মুখ্য অতিথি, সন্মানীয় অতিথি, বিশিষ্ট অতিথি আৰু আমন্ত্ৰিত অতিথি হিচাপে জাতীয়-জনগোষ্ঠীয় দল-সংগঠনৰ নেতৃবৃন্দ আৰু কেই বাখনো মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাই অংশগ্ৰহণ কৰিব। আজিৰ এই লাইখুঁটা স্থাপন কাৰ্যসূচীত সদৌ মৰাণ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক জয়কান্ত মৰাণ, সদৌ মৰাণ কলা-সংস্কৃতি বিকাশ কেন্দ্ৰৰ সভাপতি লম্বেশ্বৰ মৰাণ, মৰাণ জাতীয় মহিলা পৰিষদৰ সাধাৰণ সম্পাদিকা লিৰিৰা মহন্ত মৰাণ, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ সহকাৰী সম্পাদক সুবজিৎ মৰাণ, ডুমডুমাৰ বিশিষ্ট ব্যৱসায়ী তথা সমাজকৰ্মী ক্ৰমে ৰাজু গাৰোদিয়া, অৰূপ জ্যোতি ডেকা, প্ৰিন্স জয়ছোৱাল, হামিদ খানকে মুখ্য কৰি মৰাণ জনগোষ্ঠীৰ কেউটো সংগঠনৰ কেন্দ্ৰীয় তথা আঞ্চলিক সমিতিৰ কৰ্মকৰ্তা আৰু অন্যান্য একাধিক ছাত্ৰ সংগঠনৰ নেতৃবৃন্দ উপস্থিত থাকে।

আউনীআটী বিশ্ববিদ্যালয় আৰু সত্ৰীয়া সংস্কৃতি চৰ্চা গৱেষণা পৰিষদৰ মাজত বুজাবুজি চুক্তিত স্বাক্ষৰ সম্পন্ন

অসম বাৰ্তা, বনগাঁও, ১৯ এপ্ৰিল ঃ সত্ৰীয়া সংস্কৃতিৰ চৰ্চা —প্ৰসাৰ আৰু গৱেষণা ক্ষেত্ৰখনক ব্যাপক আৰু শক্তিশালী ৰূপত প্ৰতিষ্ঠা কৰাৰ উদ্দেশ্য আউনীআটী বিশ্ব বিদ্যালয় আৰু সত্ৰীয়া সংস্কৃতি চৰ্চা আৰু গৱেষণা পৰিষদ —অসমৰ মাজত ১৮ এপ্ৰিল শনিবাৰে এখনি বুজাবুজি চুক্তি আউনীআটী বিশ্ব বিদ্যালয়ৰ আচাৰ্য সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামী আৰু সত্ৰীয়া সংস্কৃতি চৰ্চা গৱেষণা পৰিষদৰ বিষয় ৰবীয়াৰ উপস্থিতিত সম্পন্ন হয়। সেই উদ্দেশ্য দুপৰীয়া বাৰ বজাত সত্ৰাধিকাৰ চ'ৰাত সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীৰ সভাপতিত্ব এখনি সভা অনুষ্ঠিত হয়। বিশ্ব বিদ্যালয় কতৃপক্ষ আৰু সত্ৰীয়া সংস্কৃতি চৰ্চা গৱেষণা পৰিষদৰ কতৃপক্ষই নিজৰ নিজৰ বিভিন্ন দিশত আলোচনা কৰাৰ অন্ততঃ বুজাবুজিৰ চুক্তিত স্বাক্ষৰ দান কৰে। ইতিহাসিক চুক্তি হিচাবে চিহ্নিত হোৱা বুজাবুজি চুক্তিত আউনীআটী বিশ্ব বিদ্যালয়ৰ হৈ বিশ্ব বিদ্যালয়ৰ পঞ্জীয়ক ড° মাধুৰ্য মণ্ডিত বৰুৱা আৰু গৱেষণা পৰিষদৰ সচিব পংকজ শইকীয়াই স্বাক্ষৰ দান কৰে। ৰাজ্যৰ বিশিষ্ট সমাজ সেৱক তথা বিশ্ব বিদ্যালয় কৰ্ণধাৰ সমিতিৰ সদস্য আদিত্য গোস্বামী, তুলসী ৰাজখোৱা আৰু গৱেষণা পৰিষদৰ উপদেষ্টা গড়মুৰ সৰু সত্ৰৰ সত্ৰাধিকাৰ হৰি দেৱ গোস্বামী, সম্পাদক নীলমনি বৰুৱাই চুক্তিপত্ৰত সাক্ষী হিচাবে স্বাক্ষৰ দান কৰে। সভাত বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° প্ৰকাশ জ্যোতি বৰঠাকুৰ, ডেকাসত্ৰাধিকাৰ দেৱানন্দ দেৱ গোস্বামী, গৱেষণা পৰিষদৰ পঞ্জীয়ক মুহিকান্ত বৰা ববৰায়ণ, পৰীক্ষা নিয়ন্ত্ৰক ৰঞ্জন বৰা ববৰায়ণ, সাংস্কৃতিক সম্পাদক দেৱ দত্ত, শৈক্ষিক উপদেষ্টা দীপক শইকীয়া, ড° অৰূপ কুমাৰ বৰা, মাজুলী জিলা সাংবাদিক সন্থাৰ সভাপতি দিবাকৰ শইকীয়া, যতীন্দ্ৰ কৃষ্ণ দাস, হেমন্ত ফুকন, জিন্তু শইকীয়া, ৰনজিৎ ভূঞা, তুলসী ৰাজখোৱা আদি কৰি বহু শুভাকাংক্ষী উপস্থিত থাকে। তুলসী ৰাজখোৱা আৰু পংকজ শইকীয়াই যুটীয়াভাৱে সভাখনি আতঁ ধৰা সভাত সত্ৰীয়া সংস্কৃতি চৰ্চা গৱেষণা পৰিষদৰ তৰফৰ পৰা সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীক চেলেং চাদৰ, এখনি লিখিত সম্বৰ্ধনা পত্ৰৰে আন্তৰিক সম্বৰ্ধনা জনোৱাৰ উপৰিও বিশ্ব বিদ্যালয়ৰ বিষয় ৰবীয়াকো একোখনি চেলেং চাদৰেৰে সম্বৰ্ধনা জ্ঞাপন কৰে।

গছবিহু উপলক্ষে গোলকগঞ্জত বৃক্ষৰোপণ কাৰ্যসূচী

অসম বাৰ্তা, গোলকগঞ্জ, ১৯ এপ্ৰিল ঃ এই বছৰৰ গছবিহু উপলক্ষে ধুবুৰী জিলাৰ বিভিন্ন প্ৰান্তত নানা কাৰ্যসূচীৰে উৎসৱটো উদ্‌যাপন কৰা হৈছে। এই উপলক্ষে গোলকগঞ্জস্থিত শংকৰদেৱ শিশু আৰু বিদ্যা নিকেতনত এক উল্লেখযোগ্য বৃক্ষৰোপণ কাৰ্যসূচীৰ আয়োজন কৰা হয়। উক্ত শিক্ষানুষ্ঠানখন বিদ্যাভাৰতী অখিল ভাৰতীয় শিক্ষা সংস্থানৰ অন্তৰ্গত শিশু শিক্ষা সমিতি অসমৰ অধীনস্থ। যোৱা শনিবাৰে বিদ্যালয় চৌহদত অনুষ্ঠিত এই কাৰ্যসূচীৰ মূল লক্ষ্য আছিল পৰিবেশৰ সৌন্দৰ্য্য বৃদ্ধি কৰাৰ লগতে এক প্ৰদূষণমুক্ত সুস্থ পৰিবেশ গঢ়ি তোলা। কাৰ্যসূচীত বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সম্পাদক মহীতোষ কুমাৰ মণ্ডল, সহ-সম্পাদক পৰমেশ্বৰ বায়, সদস্য বিশ্বজিৎ বায়, প্ৰেমসুখ শেৰিয়া, অশোক কুমাৰ দাসৰ লগতে গোলকগঞ্জ পৌৰসভাৰ পৌৰপতি আৰু আন সদস্যসকল উপস্থিত থাকে। তেওঁলোকে বৃক্ষৰোপণ কাৰ্যসূচীৰ গুৰুত্বৰ বিষয়ে আলোকপাত কৰি ছাত্ৰ-ছাত্ৰীসকলক অধিক সংখ্যাক গছ ৰোপণ আৰু সংৰক্ষণৰ বাবে উৎসাহিত কৰে। অনুষ্ঠানত বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীয়ে উৎসাহেৰে অংশগ্ৰহণ কৰি বিভিন্ন প্ৰজাতিৰ গছ ৰোপণ কৰে। বিদ্যালয় প্ৰাঙ্গণক সেউজীয়া কৰি তোলাৰ উদ্দেশ্যে ফলমূল, ঔষধি আৰু ছাঁদানকাৰী গছৰ পোনপটীয়া ৰোপণ কৰা হয়। আজিকালি সকলো জনোৱা মতে, এই ধৰণৰ কাৰ্যসূচীৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ মাজত পৰিবেশ সংৰক্ষণৰ প্ৰতি সচেতনতা বৃদ্ধি পোৱাৰ লগতে প্ৰকৃতিৰ সৈতে এক ঘনিষ্ঠ সম্পৰ্ক গঢ়ি তোলাত সহায় কৰে। তদুপৰি, আগন্তুক দিনসমূহত এই ধৰণৰ অধিক কাৰ্যসূচী গ্ৰহণ কৰাৰ পৰিকল্পনাও থকা বুলি তেওঁলোকে উল্লেখ কৰে।

অসম কন্যা সংস্কৃতি কলিতা ডিপিএছ-৪৫ৰ 'ফৰাচী বিনিময় কাৰ্যসূচী'ৰ বাবে নিৰ্বাচিত

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ১৯ এপ্ৰিল ঃ গুৱাহাটীৰ হাতীগাঁৱৰ স্থায়ী বাসিন্দা আৰু বৰ্তমান পিতৃ-মাতৃৰ সৈতে গুৱগাঁৱত বাস কৰা কিশোৰী সংস্কৃতি কলিতা দিল্লী পাব্লিক স্কুল (ডিপিএছ-৪৫), গুৰগাঁৱৰ ছাত্ৰী সংস্কৃতিৰে এই আন্তৰাষ্ট্ৰীয় বিনিময় কাৰ্যসূচীৰ বাবে নিৰ্বাচন তেওঁৰ শিক্ষাজীৱনৰ এক গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি হিচাপে বিবেচিত হৈছে। এই কাৰ্যসূচীৰ জৰিয়তে ফৰাচী সমাজ, সংস্কৃতি আৰু পৰম্পৰা অন্বেষণ কৰাৰ লক্ষ্য ৰখা সংস্কৃতিয়ে সদায়েই বিদ্যায

নলবাৰীৰ বৰআজাৰা চান্দুকুছিত জুবিন গাৰ্গৰ প্ৰতিমূৰ্তি উন্মোচন চলচ্চিত্ৰ পৰিচালক অৰূপ মান্নাৰ

অসম বাৰ্তা, নলবাৰী, ১৯ এপ্ৰিল ঃ নলবাৰী জিলাৰ বৰআজাৰা চান্দুকুছি অঞ্চলত অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গৰ এটা প্ৰতিমূৰ্তি শনিবাৰে আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। ডাঃ স্বাগতা বৈশ্যই আঁত ধৰা এই অনুষ্ঠানত বিশিষ্ট চলচ্চিত্ৰ পৰিচালক অৰূপ মান্নাই প্ৰতিমূৰ্তিটো উন্মোচন কৰে। অনুষ্ঠানত হাৰিয়ানা প্ৰদেশৰ সাংগঠনিক সম্পাদক ফণীন্দ্ৰ নাথ শৰ্মা, সাংস্কৃতিক প্ৰকল্প বৰআজাৰাৰ সভাপতি ভূপেন্দ্ৰ প্ৰসাদ শৰ্মা, নলবাৰী জিলা সাহিত্য সভাৰ সভাপতি বীনেন চক্ৰৱৰ্তী, আৰতি বৈশ্য, সীমান্ত দাসকে ধৰি বহু গণ্যমান্য ব্যক্তি উপস্থিত থাকে। উন্মোচন কৰি সাংবাদিকৰ আগত অৰূপ মান্নাই কয় - জুবিন গাৰ্গ তেওঁৰ বাবে ভাতৃ সদৃশ আৰু শিল্পীগৰাকীৰ স্থান মানুহৰ হৃদয়ত চিৰস্থায়ী। তেওঁ কয়, "মই জুবিনৰ একপি ফটো মোৰ ঘৰত লগোৱাৰ পাছৰে পৰা শিল্পীগৰাকীৰ সৈতে মোৰ এক বিশেষ অনুভৱ জড়িত হৈ পৰিছে। আজি তেওঁৰ প্ৰতিমূৰ্তি উন্মোচন কৰাটো মোৰ বাবে এক গৌৰৱৰ বিষয়।" তেওঁ আৰু কয় যে, জুবিন গাৰ্গে কেৱল এখন প্ৰতিমূৰ্তি বা কিতাপৰ মাজতে সীমাবদ্ধ হৈ থাকিব নালাগে, বৰং ৰাইজৰ মাজতেই তেওঁৰ আদৰ্শ জীয়াই থাকিব লাগে। শিল্পীগৰাকীয়ে সমাজলৈ আগবঢ়োৱা মূল্যবোধসমূহ নতুন প্ৰজন্মই গ্ৰহণ কৰা উচিত বুলিও তেওঁ মত প্ৰকাশ কৰে। ইয়াৰ লগতে তেওঁ জুবিন গাৰ্গৰ গীত আৰু সৃষ্টিৰ ওপৰত গৱেষণা কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ কয় যে, শিল্পীগৰাকীৰ গীত, কথামালা আৰু সংগীত জীৱনৰ বিভিন্ন দিশ লৈ অধ্যয়ন আৰু পৰ্যালোচনা হোৱা উচিত, যাৰ জৰিয়তে অসমৰ সংস্কৃতি আৰু সংগীতৰ ইতিহাস অধিক সমৃদ্ধ হ'ব। তেওঁ লগতে জুবিন গাৰ্গৰ গীত বিকৃত কৰি গোৱাটো একেবাৰে অনুচিত বুলি মন্তব্য কৰি, তেনে কাৰ্যৰ পৰা সকলোকে বিৰত থাকিবলৈ আহ্বান জনায়। "জুবিনৰ গীত গীত হিচাপেই জীয়াই থাকিবলৈ দিব লাগে, ইয়াক লৈ কোনো ধৰণৰ ৰাজনীতি কৰা উচিত নহয়" বুলিও তেওঁ কয়। শেষত তেওঁ আশা প্ৰকাশ কৰে যে, জুবিন গাৰ্গে ন্যায় পাব আৰু অসমৰ ৰাইজে শিল্পীগৰাকীৰ আদৰ্শক হৃদয়ত ধাৰণ কৰি আগবাঢ়িব। স্থানীয় ৰাইজৰ সহযোগত আয়োজিত এই অনুষ্ঠানটো উৎসাহ-উদ্দীপনাৰে সফলভাৱে সম্পন্ন হয়।

তাৰাবাৰী আৰক্ষীৰ জালত বুজন পৰিমাণৰ ড্ৰাগছসহ এজন ব্যৱসায়ী আটক, তদন্ত তীব্ৰতৰ

অসম বাৰ্তা, চেঙা, ১৯ এপ্ৰিল ঃ অসমত ড্ৰাগছৰ বিৰুদ্ধে অব্যাহত থকা আৰক্ষীৰ কঠোৰ অভিযানৰ মাজতে বৰপেটা জিলাৰ তাৰাবাৰী আৰক্ষীয়ে পুনৰ এবাৰ এক গুৰুত্বপূৰ্ণ সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছে। শনিবাৰে দুপৰীয়া চলোৱা এক সুপৰিকল্পিত আৰু গোপনীয় অভিযানত আৰক্ষীয়ে বুজন পৰিমাণৰ ড্ৰাগছসহ এজন সন্দেহভাজন ব্যৱসায়িক আটক কৰাৰ লগতে কেইবাটাও গুৰুত্বপূৰ্ণ সামগ্ৰী জব্দ কৰিবলৈ সক্ষম হয়। ঘটনাটোৱে অঞ্চলজুৰি চাঞ্চল্যৰ সৃষ্টি কৰিছে আৰু স্থানীয় ৰাইজৰ মাজত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। প্ৰাপ্ত তথ্য অনুসৰি, বহৰিৰ ৰাম মন্দিৰৰ ওচৰত ড্ৰাগছৰ অবৈধ বেপাৰৰ বিষয়ে আৰক্ষীয়ে গোপন খবৰ লাভ কৰিছিল। এই খবৰ লাভ কৰাৰ পিছতেই তাৰাবাৰী আৰক্ষীয়ে তৎক্ষণাত ব্যৱস্থা গ্ৰহণ কৰি এক অভিযানৰ পৰিকল্পনা প্ৰস্তুত কৰে। তাৰাবাৰী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সঞ্জয় কুমাৰ বয়ৰ নেতৃত্বত উপ-পৰিদৰ্শক বিশ্বজিৎ দাসসহ আৰক্ষীৰ এটা অভিজ্ঞ আৰু সজাগ দলে ঘটনাস্থলীত উপস্থিত হৈ চাৰিওফালে নজৰদাৰী জোৰদাৰ কৰে। অভিযান চলোৱাৰ সময়ত আৰক্ষীয়ে এজন সন্দেহজনক ব্যক্তিক আটক কৰে। তৎক্ষণাত তেওঁৰ দেহ তল্লাচী চলোৱা হলে আৰক্ষীয়ে তেওঁৰ দখলৰ পৰা ৭টা ড্ৰাগছ ভৰ্তি কণ্টেইনাৰ উদ্ধাৰ কৰে। আৰক্ষীৰ মতে, এই ড্ৰাগছসমূহ বিক্ৰীৰ উদ্দেশ্যে লৈ অনা হৈছিল আৰু এইবোৰ স্থানীয় তথা বৃহৎ পৰিসৰৰ সৰবৰাহৰ সৈতে জড়িত থকাৰ সম্ভাৱনাও নাকচ কৰিব নোৱাৰি। এই সন্দেহৰ ভিত্তিত আৰক্ষীয়ে ঘটনাটোক গুৰুত্বসহকাৰে লৈ তদন্ত আৰম্ভ কৰিছে। ধৃত ব্যক্তিজনক বৰপেটা জিলাৰ তাৰাবাৰী থানাৰ অন্তৰ্গত হৰিপুৰ চক পাৰা গাঁৱৰ বাসিন্দা বাজু মিঞাৰ পুত্ৰ জেহেকল মিঞা বুলি চিনাক্ত কৰা হৈছে। আৰক্ষীয়ে তেওঁক ঘটনাস্থলীৰ পৰা আটক কৰি থানালৈ লৈ যায় আৰু প্ৰাথমিক জেৰা আৰম্ভ কৰে। ইফালে, তেওঁৰ পৰা এখন মোবাইল ফোনো জব্দ কৰা হৈছে, যাক আৰক্ষীয়ে তদন্তৰ বাবে অতি গুৰুত্বপূৰ্ণ প্ৰমাণ হিচাপে বিবেচনা কৰিছে। মোবাইল ফোনটোৰ জৰিয়তে ড্ৰাগছ চক্ৰৰ আন সদস্যসকলৰ সৈতে যোগাযোগৰ সূত্ৰ পোৱা যাব পাৰে বুলি আৰক্ষীয়ে আশা প্ৰকাশ কৰিছে। ইয়াৰ উপৰিও, এই ঘটনাৰ সৈতে আন কোনো ব্যক্তি বা বৃহৎ নেটৱৰ্ক জড়িত আছে নেকি সেই বিষয়েও আৰক্ষীয়ে গভীৰভাৱে অনুসন্ধান চলাই আছে। আৰক্ষীৰ এটা সূত্ৰই জানিবলৈ দিয়ে যে, ধৃত ব্যক্তিজনৰ পৰা অধিক তথ্য লাভ কৰাৰ বাবে তদন্ত তীব্ৰতৰ কৰা হৈছে আৰু আগন্তুক দিনত আৰু কেই বাজনো জড়িত ব্যক্তিক চিনাক্ত কৰাৰ সম্ভাৱনা আছে। ধৃত জেহেকল মিঞাৰ বিৰুদ্ধে আৰক্ষীয়ে আইন অনুসৰি কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে ইতিমধ্যে এটা গোচৰ ৰুজু কৰা প্ৰক্ৰিয়া আৰম্ভ কৰিছে। আৰক্ষীয়ে এই ঘটনাটোক অত্যন্ত গুৰুত্ব সহকাৰে লৈছে আৰু ইয়াৰ সৈতে জড়িত সকলো দিশত অনুসন্ধান অব্যাহত ৰাখিছে। উল্লেখযোগ্য যে, বৰপেটা জিলাত শেহতীয়া সময়ছোৱাত ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীয়ে অভিযান তীব্ৰতৰ কৰি তুলিছে। আৰক্ষীৰ এই ধাৰাবাহিক অভিযানৰ ফলত একাংশ ড্ৰাগছ ব্যৱসায়ীৰ মাজত ভীতিৰ সৃষ্টি হৈছে বুলি স্থানীয় ৰাইজে মত প্ৰকাশ কৰিছে। বহু লোকেই আৰক্ষীৰ এই ধৰণৰ কঠোৰ পদক্ষেপক স্বাগত জনাইছে আৰু সমাজখন ড্ৰাগছমুক্ত কৰাৰ ক্ষেত্ৰত আৰক্ষীৰ সৈতে সহযোগিতা আগবঢ়াবলৈ আগ্ৰহ প্ৰকাশ কৰিছে। স্থানীয় সচেতন মহলৰ মতে, ড্ৰাগছৰ প্ৰসাৰণ সমাজৰ বাবে এক ভয়ংকৰ সংকট স্বৰূপ, বিশেষকৈ যুৱ প্ৰজন্মৰ ওপৰত ইয়াৰ প্ৰভাৱ অত্যন্ত ক্ষতিকাৰক। সেয়েহে এই ক্ষেত্ৰত আৰক্ষীৰ কঠোৰ ভূমিকা অতি প্ৰয়োজনীয় বুলি তেওঁলোকে মন্তব্য কৰিছে। লগতে অভিভাৱক আৰু সমাজৰ সকলো শ্ৰেণীৰ লোককো এই সমস্যাৰ বিৰুদ্ধে একেলগে আগবঢ়ি আহিবলৈ আহ্বান জনোৱা হৈছে। এই ঘটনাই পুনৰ এবাৰ স্পষ্ট কৰিলে যে, ৰাজ্যত ড্ৰাগছৰ বিৰুদ্ধে যুঁজখন এতিয়াও অব্যাহত আছে আৰু আৰক্ষী বিভাগ এই ক্ষেত্ৰত কোনো ধৰণৰ আপোচ নকৰে। আগন্তুক দিনত এই ধৰণৰ অভিযান আৰু অধিক তীব্ৰতৰ হোৱাৰ সম্ভাৱনা ব্যক্ত কৰা হৈছে, যাৰ ফলত ড্ৰাগছ ব্যৱসায়ীৰ বিৰুদ্ধে অধিক কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি আশা কৰা হৈছে।

ছমৰীয়াৰ দুৰামাৰী-মালিবাৰীত স্বাস্থ্য, যাতায়াতৰ নামত প্ৰতাৰণা

অসম বাৰ্তা, গৰৈমাৰী, ১৯ এপ্ৰিল ঃ ছমৰীয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত দুৰামাৰী, মালিবাৰী পথাৰ, ২নং মালিবাৰী, জাওকাটাদিয়া আদি অঞ্চলৰ সমস্যাৰে জৰ্জৰিত হৈ আছে। এশ-শতাংশ কৃষিকৰ্ম জড়িত ইয়াৰ লোকসকলক নিৰ্বাচনৰ সময়ত কেৱল ভোটবেংক হিচাপে ব্যৱহাৰ কৰাৰ বাদে আজিপৰ্যন্ত কোনো এখন চৰকাৰে স্বাস্থ্য সেৱা, যাতায়াত, কৃষি আদি কোনো এটা সমস্যা সমাধান নকৰিলে। অঞ্চলটোত যিকেইটা কেঁচা বাট-পথ আছে, সেইবোৰ একেবাৰেই জৰাজীৰ্ণ হৈ পৰিছে। অঞ্চলটোত কোনোধৰণৰ পকী পথৰ সু-ব্যৱস্থা নাই। অঞ্চলবাসীয়ে বাৰিষা কালত বোকা-পানী গচকি আৰু খৰালিকালত বালিময় জৰাজীৰ্ণ পথেৰে যাতায়াতৰ বাহিৰে গত্যন্তৰ নাই। অঞ্চলটোৰ বাট-পথসমূহ নিৰ্মাণৰ ব্যৱস্থা কৰিবলৈ ৰাইজে বিভাগীয় কৰ্তৃপক্ষৰ হস্তক্ষেপ দাবী কৰিছে। ৰাজ্য চৰকাৰৰ স্বাস্থ্য বিভাগে অভিলাষী আঁচনি হাতত লৈ সকলোৰে বাবে স্বাস্থ্য বুলি দিয়া চৰকাৰী স্লোগান দুৰামাৰী, মালিবাৰী পথাৰ, ২নং মালিবাৰী, জাওকাটা আদি অঞ্চলত প্ৰহসনত পৰিণত হৈছে। দুৰ্গম অঞ্চলবোৰত চিকিৎসাৰ নিম্নতম ব্যৱস্থাও নথকাত ৰাইজৰ পানীত হাঁহ নচবা অৱস্থা হৈছে। আনকি কেতিয়াবা উন্নত চিকিৎসাৰ বাবে নিৰ্ভতে ৰোগীৰ আধাবাটতে মৃত্যু পৰ্যন্ত হয়। উল্লেখ্য যে বিগত ১২ বছৰ পূৰ্বে দুৰামাৰী-মালিবাৰীত প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ এখন নিৰ্মাণ কৰিছে যদিও আজিলৈকে চিকিৎসালয়খন ৰাইজৰ চিকিৎসাৰ সুবিধাৰ্থে মুকলি নহ'ল। সম্প্ৰতি চিকিৎসালয়খনৰ গৃহবোৰ জহি-খহি যাবলৈ ধৰিছে। দুৰামাৰী-মালিবাৰীৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰখন কাৰ্যক্ষম কৰি চিকিৎসক-কৰ্মচাৰী, নাৰ্ছ নিযুক্তিৰ ব্যৱস্থা কৰিবলৈ ৰাইজে বিভাগীয় মন্ত্ৰীৰ লগতে মুখ্যমন্ত্ৰীৰ হস্তক্ষেপ দাবী কৰিছে। দুৰামাৰী, মালিবাৰী পথাৰ, জাওকাটাদিয়া অঞ্চলটোৰ এশ শতাংশ লোকেই কৃষিজীৱী যদিও কৃষকে আজিও আওপুৰণি ব্যৱস্থাৰে কৃষিকাৰ্য কৰিব লাগে। উল্লেখ্য যে অঞ্চলকেইটাৰ দক্ষিণৰে পশ্চিম দিশে বৈ যোৱা জলজলী নৈৰ বাঢ়নী পানীয়ে মাজে-সময়ে ইয়াৰ কৃষক ৰাইজৰ ব্যাপক ক্ষতি কৰে। আনহাতে বৃহত্তৰ অঞ্চলটোৰ সৰহসংখ্যক লোকেই নিৰক্ষৰ তথা অৰ্ধশিক্ষিত। আৰ্থিক দুৰাৱস্থাৰ বাবে অঞ্চলটোৰ অভিভাৱকসকলে নিজৰ সন্তানক প্ৰকৃত শিক্ষাৰে শিক্ষিত কৰিব পৰা নাই। দুৰ্গম অঞ্চলবোৰত শিক্ষানুষ্ঠান নাই বুলিয়েই ক'ব পাৰি। দুৰ্গম অঞ্চলৰ বৃহৎসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে উচ্চ শিক্ষাৰ বাবে ছমৰীয়া নতুবা সোণতলীলৈ যাবলগীয়া হৈছে। দুৰামাৰী, মালিবাৰী পথাৰ, ২নং মালিবাৰী, জাওকাটাদিয়া আদি অঞ্চলৰ জ্বলন্ত সমস্যাসমূহ পৰ্যায়ক্ৰমে সমাধান কৰিবলৈ ৰাইজে মিত্ৰজৌটৰ মুখ্যমন্ত্ৰী ডম্বু হিমন্ত বিশ্ব শৰ্মাৰ ওচৰত দাবী জনাইছে।

ঢোলৰ গোমগোমনিত কপিল টেঙানীৰ আকাশ বতাহ

টেঙানীত আছুৰ মুকলি বিহু অনুষ্ঠান

জুবিন গাৰ্গৰ নাম লৈ অপসংস্কৃতি বিলাইনুযুৰিবলৈ আহ্বান আছু নেতা সমীৰণ ফুকনৰ

অসম বাৰ্তা, ষ্টাফ ৰিপ'টাৰ, সৰুপথাৰ, ১৯ এপ্ৰিল ঃ প্ৰত্যেক বছৰেই সদৌ অসম ছাত্ৰ সন্থাই অসমৰ গাঁৱে ভূঞে বিভিন্ন প্ৰান্তত মুকলি বিহুৰ আয়োজন কৰি উঠি অহা প্ৰজন্মক নিজৰ কলা-সংস্কৃতিৰ সৈতে জড়িত কৰি আগবঢ়াই নিছে। সৰুপথাৰ সমজিলাৰ টেঙানীত এইবাৰ ধনশিৰি মহকুমা ছাত্ৰ সন্থা আৰু টেঙানী আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত তথা টেঙানীবাসী ৰাইজৰ সহযোগত অতি উলহ-মালহেৰে "মুকলি বিহু" অনুষ্ঠানভাগৰ আয়োজন কৰে। কাৰ্যসূচী অনুসৰি পুৱাৰ ভাগত সদৌ অসম ছাত্ৰ সন্থাৰ আৰু মুকলি বিহু অনুষ্ঠানৰ পতাকা উত্তোলন কৰে ধনশিৰি মহকুমা ছাত্ৰ সন্থাৰ সভাপতি বিকাশ বৰাই আৰু অভ্যৰ্থনা সমিতিৰ সভাপতি টিপেশ্বৰ শইকীয়াই। পুৱা দহ বজাত শ্ৰহীদ তৰ্পণ কৰে ধনশিৰি মহকুমা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক সীমান্ত বৰাই। অনুষ্ঠানৰ দুপৰ ভাগত ধনশিৰি

মহকুমা ছাত্ৰ সন্থাৰ আৰু টেঙানী আঞ্চলিক ছাত্ৰ সন্থাৰ সকলো বিষয়ববীয়া মিলি বয়োজেষ্ঠ ব্যক্তি সকলক সম্পূৰ্ণ শ্ৰদ্ধা আৰু সন্মানেৰে বিহুৰ সেৱা জনাই। পৰৱৰ্তী সময়ত মুকলি সভা আৰু সাংস্কৃতিক সমাবোহ অনুষ্ঠানৰ আয়োজন কৰে। সীমান্ত বৰাই আঁত ধৰা মুকলি সভাখন সভাপতিত্ব কৰে বিকাশ বৰাই। মুকলি সভা সাংস্কৃতিক সমাবোহৰ উদ্বোধন কৰে গোলাঘাট জিলাৰ সন্মিলিত মটৰ পৰিবহণ সন্থাৰ সভাপতি পূৰ্ণ ৰাজখুৱাই। অনুষ্ঠানভাগত মুখ্য অতিথি হিচাপে উপস্থিত থাকি সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক সমীৰণ ফুকনে ৰাইজক উদ্দেশ্যি তেখেতৰ ভাষণ আগবঢ়াই আৰু কয়- এইবাৰৰ ৰ'হাগ আন বহাগৰ দৰে নহয়। এইবাৰৰ বহাগ উকা। কাৰণ আমাৰ হিয়াৰ স্পন্দন জুবিন গাৰ্গ বিহীন এইয়া প্ৰথমবাৰ বহাগ। গতিকে আমি জুবিন গাৰ্গৰ প্ৰকৃত ন্যায়ৰ দাবী জনাইছো। লগতে তেখেতে ভাষণ প্ৰসঙ্গত বংগকন্যা মৰ্মিতা মিত্ৰকে ধৰি যিসকল তথাকথিত শিল্পীয়ে জুবিন গাৰ্গৰ নাম লৈ সমাজত অপসংস্কৃতি বিলাই ফুৰিছে তেওঁলোকক এইবোৰৰ পৰা বিৰত থাকিবলৈ আহ্বান জনাই। ছাত্ৰনেতা গৰাকীয়ে কয় বিহুৰে আমাৰে সাহস কঢ়িয়াই আনে, বিহুয়ে আমাৰে প্ৰেৰণা আৰু উদ্যম কঢ়িয়াই আনে। গতিকে প্ৰতিজন অসমীয়াই যাতে এই প্ৰেৰণা, সাহস আৰু উদ্যমক সাৰংগ কৰি আহিবলগা দিনত জাতীয় জীৱনক শক্তিশালী কৰাৰ বাবে সকলোৱে এই চিন্তা নিজৰ মাজত ৰাখি আগুৱাই যায় তাৰপ্ৰতি আহ্বান জনাই। সাংস্কৃতিক সমাবোহত কেইবাটাও আমন্ত্ৰিত দলে মুকলি বিহু আৰু জনগোষ্ঠীয় নৃত্য প্ৰদৰ্শন কৰে। উক্ত সময়চোৱাত টেঙানী আহতগুৰি মধ্য ইংৰাজী বিদ্যালয়ৰ বাকবিত অগণন বিহুপ্ৰেমি ৰাইজ উপস্থিত থাকে। মুকলি বিহু অনুষ্ঠানৰ সন্ধিয়াৰ ভাগলৈ আমন্ত্ৰিত কণ্ঠশিল্পী জনম কাশ্যপ, মন্টু গোঁহাইকে ধৰি স্থানীয় শিল্পীৰ সংগীত নুষ্ঠানেৰো আয়োজন কৰে। মুকলি সভা আৰু সাংস্কৃতিক সমাবোহ অনুষ্ঠানভাগত সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক সমীৰণ ফুকন, সদৌ অসম ছাত্ৰ সন্থাৰ উপ সভাপতি অভিবৰ্তন গোস্বামী, সাংগঠনিক সম্পাদক প্ৰিন্স দলে, দেৰবাজ মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক ড° দেবজিৎ ফুকন, গোলাঘাট জিলা ছাত্ৰ সন্থাৰ সভাপতি মিণ্টু গগৈ, অসম চাৰ জনজাতি ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক মহেশ্বৰ গোৱালা, আপকু কেন্দ্ৰীয় সমিতিৰ কোষাধ্যক্ষ বিবেকানন্দ দত্ত, ধনশিৰি মহকুমা চুতীয়া ছাত্ৰ সন্থাৰ সভাপতি অভিজিৎ শইকীয়া, সম্পাদক ৰক্তিম হাজৰিকা, সৰুপথাৰ সমজিলা সাংবাদিক সংস্থাৰ সভাপতি দ্বিপেন কুমাৰ বৰা, গোলাঘাট জিলা ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক মিলন কৈৰী, জেষ্ঠ সাংবাদিক অৰনী শৰ্মা আৰু যথেষ্ট সংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

পশ্চিম দৰং জাতীয় বিদ্যালয়ত 'নিজৰ দিন' পালন

অসম বাৰ্তা, পাথৰিঘাট, ১৯ এপ্ৰিল ঃ কৰ্ম আমাৰ সংস্কৃতি সু-শিক্ষা আমাৰ প্ৰতিশ্ৰুতিৰে আগ্ৰসৰ হোৱা ১৯৯৭ বৰ্ষত স্থাপিত পশ্চিম দৰং জাতীয় বিদ্যালয়ত অসমীয়া জাতিৰ বাপুতি সাহান ৰঙালী বিহু উপলক্ষে "নিজৰ দিন" শীৰ্ষক অনুষ্ঠান বিগত বৰ্ষৰ দৰে এইবেলিও উদযাপনৰ কৰা হয়। বহাগ মাহৰ চতুৰ্থ দিনটোতেই ৰঙালী বিহু উপলক্ষে বিদ্যালয়ত পাঠদান আৰম্ভ হোৱা দিনা ছাত্ৰ-ছাত্ৰী শিক্ষক-কৰ্মচাৰী, অভিভাৱক সকলোৱে সগৌৰৱে ডিঙিত গামোচালৈ বিদ্যালয়ত প্ৰৱেশ কৰি অসমীয়া জাতিৰ স্বাভিমান ৰঙালী বিহুৰ আনন্দ-উল্লাসৰ মাজেৰে "নিজৰ দিন" শীৰ্ষক অনুষ্ঠান পালন কৰে। পশ্চিম দৰং জাতীয় বিদ্যালয়ৰ অধ্যক্ষ উপেন্দ্ৰ চন্দ্ৰ ডেকাই আঁতধৰা অনুষ্ঠানত বোলছবি পৰিচালক হৰিবৃত বৰমান, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি কমলেশ্বৰ বৰুৱা, সচিব কুলেন কলিতা, সহঃ সচিব বাবুল কলিতা, উপাধ্যক্ষ চফিকুল হাচান শইকীয়াসহ ভালেমান বিশিষ্ট ব্যক্তি, অভিভাৱকে অংশগ্ৰহণ কৰে। অসমীয়া জাতিৰ আয়ুসৰেখা হেঁপাহৰ ৰঙালী বিহুৰ "নিজৰ দিন" কাৰ্যসূচীত ছাত্ৰ-ছাত্ৰী শিক্ষক কৰ্মচাৰী অভিভাৱক সকলোৱে গামোচা পৰিধানৰে দৃষ্টিনন্দন হৈ পৰা অনুষ্ঠানত সকলোৱে মংগলৰ বাবে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনায়। বাতিপুৱা ৯ বজাৰ পৰা আৰম্ভণি হোৱা অনুষ্ঠান সামৰণিৰ অন্তত বিদ্যালয়ৰ পাঠদানৰ সময়সূচী অনুযায়ী ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক সকলে ডিঙিত গামোচা পৰিধানৰে শ্ৰেণীকোঠাত প্ৰৱেশ কৰি পাঠদান কাৰ্যসূচী ৰূপায়ণ কৰা পৰিলক্ষিত হয়। উল্লেখ্য যে ৰূপালী বৰ্ষ অতিক্ৰম কৰা বিদ্যালয়খনে হাইস্কুল শেহান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ধাৰাবাহিক ভাৱে প্ৰথম বিভাগত ১০০ শতাংশ উত্তীৰ্ণ হৈ অহা বিদ্যালয় খনত চলিত বছৰটোত অসমৰ ভিতৰত বিভিন্ন প্ৰতিযোগিতা মূলক পৰীক্ষাত স্থান পাবলৈ সক্ষম হৈছে। সদ্যঘোষিত দৰং জিলা জাতীয় বিদ্যালয় বৃত্তি পৰীক্ষা ২০২৬ ফলাফলত দৰং জিলাৰ ভিতৰতে গাৰ্গী প্ৰিয়া কাশ্যপ প্ৰথম স্থান আৰু মনজিষ্ঠা ৰাজবংশী ষষ্ঠ স্থান লাভ কৰে। বিদ্যালয়খনত নামভৰ্তিৰ বাবে ছাত্ৰ-ছাত্ৰীৰ ভিৰ কৰা পৰিলক্ষিত হয়।

পুৰণিগুদামৰ ধৰ্মপ্ৰাণা মহিলা বৃন্দা দেৱীৰ মৃত্যু

অসম বাৰ্তা, পুৰণিগুদাম, ১৯ এপ্ৰিল ঃ নগাঁও জিলাৰ পুৰণিগুদাম কেঞ্জৰগট্টি নিৱাসী প্ৰয়াত যোগানন্দ শৰ্মাৰ সহধৰ্মিনী তথা পুৰণিগুদামৰ কাঠৰ প্ৰতিমাৰ স্ৰষ্টা আৰু শিল্পী লেখধৰ শৰ্মাৰ নাতি বোৱাৰী বৃন্দা দেৱী (৭৬) ৰ বাৰ্ধক্যজনিত কাৰণত যোৱা নিশা গুৱাহাটীৰ হেল্থ চিটি হস্পিতালত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। বিভিন্ন সামাজিক, সাংস্কৃতিক তথা ধৰ্মীয় অনুষ্ঠানৰ লগত ওতপ্ৰোতভাৱে জড়িত সৰবৰহী তথা ধৰ্মপ্ৰাণা মহিলা বৃন্দা দেৱীৰ মৃত্যুত বৃহত্তৰ অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত তেওঁ পাঁচছাৰাকী জী-জোঁৱাই লগতে নাতি-নাতিনী আৰু বহু গুণমুগ্ধক ইহসংসাৰত এৰি থৈ যায়। তেওঁৰ মৃত্যুত পুৰণিগুদাম প্ৰাথমিক ব্ৰাহ্মণ সমাজ, বিশ্ব হিন্দু পৰিষদ পুৰণিগুদাম প্ৰখণ্ড, পুৰণিগুদামৰ কাঠৰ প্ৰতিমা খ্যাত দুৰ্গোৎসৱ উদযাপন সমিতি, পুৰণিগুদাম শৰ্মা বুক এম্পৰিয়াম, চলচলি সৰ্বজনীন দুৰ্গোৎসৱ উদযাপন সমিতি, চলচলি প্ৰাথমিক ব্ৰাহ্মণ সমাজ, পুৰণিগুদাম প্ৰেছ ক্লাব, কলং কলা কেন্দ্ৰকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে।

ঢ ঢোল, পেঁপাৰ গুমগুমনিত জীপাল শিক্ষানুষ্ঠান ঢ

বৰক্ষেত্ৰীৰ বোধিদ্ৰুম হায়াৰ চেকেণ্ডাৰীত "ৰঙালী চ'ৰা" শীৰ্ষক অনুষ্ঠান

অসম বাৰ্তা, দৌলাশাল, ১৯ এপ্ৰিল ঃ প্ৰতিষ্ঠা কালৰে পৰা ব্যতিক্ৰমী চিন্তা-চৰ্চাৰে ছাত্ৰ-ছাত্ৰীক বিদ্যায়তনিক শিক্ষাৰ সমান্তৰালভাৱে সামাজিক তথা বৌদ্ধিক শিক্ষা প্ৰদান কৰি অহা বোধিদ্ৰুম হায়াৰ চেকেণ্ডাৰীত আজি ৰঙালী বিহু উদযাপন কৰা হয়। নলবাৰী জিলাৰ বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ অন্তৰ্গত হিদিলাট্টাবীস্থিত বোধিদ্ৰুম হায়াৰ চেকেণ্ডাৰীৰ ছাত্ৰ-ছাত্ৰীসকলক সাংস্কৃতিকভাৱে আগুৱাই নিয়াৰ পণ লৈ আৰু জাতীয় জীৱনৰ পৰম্পৰা ধৰি ৰখাৰ অংশ হিচাপে শিক্ষানুষ্ঠানখনত "ৰঙালী চ'ৰা" শীৰ্ষক এক অনন্য অনুষ্ঠান অনুষ্ঠিত হৈ যায়। ৰ'হাগ বিহুৰ আজি নঙলা বিহুৰ দিনা শিক্ষানুষ্ঠানখনত অনুষ্ঠিত "ৰঙালী চ'ৰা"ৰ পুৱা পতাকা উত্তোলন কৰে শিক্ষানুষ্ঠানখনৰ সমন্বয়ক চামচুদ্দিন আহমেদে। ইয়াৰ পাছতেই বন্তি প্ৰজ্বলন আৰু ছহীদ তৰ্পণ কৰে স্থানীয় সাংবাদিক ক্ৰমে জয়ন্ত ডেকা আৰু সুবজিৎ পাঠকে। অসমীয়া জাতিৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে শিক্ষানুষ্ঠানখনৰ সচিব ভুবন বৰ্মনে আৰু জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে জ্যেষ্ঠ শিক্ষক মোকচেদুল ইছলামে। জুবিন গাৰ্গৰ মায়াবিনী শীৰ্ষক গীতটো সমূহীয়াভাৱে পৰিবেশ কৰি জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি জনায় শিক্ষানুষ্ঠানখনৰ ছাত্ৰ-ছাত্ৰীসকলে। শিক্ষানুষ্ঠানখনৰ বিষয় শিক্ষক মুদুল ডেকাই আঁত ধৰা "ৰঙালী চ'ৰা" অনুষ্ঠানটো মুকলি কৰে ভাৰতীয় জনতা পাটীৰ পশ্চিম বৰক্ষেত্ৰী ধৰ্মপুৰ মণ্ডলৰ সভাপতি ৰাজু ডেকাই। "ৰঙালী চ'ৰা" শীৰ্ষক অনুষ্ঠানটোত শিক্ষানুষ্ঠানখনৰ ছাত্ৰ-ছাত্ৰীসকলে বিহু পৰিবেশন কৰি আত্মবিভোৰ হৈ পৰা দেখা যায়। অনুষ্ঠানৰ লগত সংগতি ৰাখি এলানি বিহু প্ৰতিযোগিতাও অনুষ্ঠিত হয়। অনুষ্ঠানটোত আমন্ত্ৰিত বিষ্ণুচঁৰ দল এটাইমুকলি বিহু পৰিবেশন কৰি শিক্ষানুষ্ঠানখনৰ ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু উপস্থিত ৰাইজক মন্ত্ৰমুগ

সংবাদ সেৱাত ত্যাগ আৰু একতাৰ প্ৰয়োজন ঃ দুলীয়াজানত ড° আকাশীতৰা শইকীয়া

অসমৰ প্ৰথমগৰাকী মহিলা সাংবাদিক পেঞ্চনাৰ নিৰুপমা বৰাক 'নলিনীবালা দেৱী বঁটা' প্ৰদান

অসম বাৰ্তা, দুলীয়াজান, ১৯ এপ্ৰিল ঃ "যিখন ৰাষ্ট্ৰত সাংবাদিক সুৰক্ষিত নহয়, সেইখন ৰাষ্ট্ৰত গণতন্ত্ৰৰ সুৰক্ষা কেনেকৈ সম্ভৱ ?" — এই তীক্ষ্ণ প্ৰশ্ন উত্থাপন কৰিছে বিশিষ্ট লেখিকা তথা অভিনেত্ৰী ড° আকাশীতৰা শইকীয়াই। সদৌ অসম মহিলা সাংবাদিক সংস্থাৰ ২৩ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে কালি দুলীয়াজান ক্লাব প্ৰেক্ষাগৃহত আয়োজিত এক বিশেষ অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি ড° শইকীয়াই সাংবাদিক সুৰক্ষা আৰু মহিলা সবলীকৰণৰ ওপৰত এক শক্তিশালী ভাষণ প্ৰদান কৰে। পিতৃ তথা ছহিপ সাংবাদিক কমলা শইকীয়াৰ হত্যাকাণ্ডৰ প্ৰসংগ উত্থাপন কৰি তেওঁ কয় যে কলমৰ বাবেই ৩৫ বছৰ পূৰ্বে এজন সাংবাদিকক হত্যা কৰা হৈছিল, অথচ আজিপৰ্যন্ত হত্যাকাৰী মুক্ত আকাশৰ তলত আছে। এইন্যায়ৰ যুঁজ এতিয়া আন্তৰ্জাতিক আদালতৰ মজিয়া পাইছেঁগৈ বুলি তেওঁ সদৰী কৰে। ৰাষ্ট্ৰ তথা অসমত ১৮ হাজাৰ সাংবাদিকৰ হত্যাৰ পৰিসংখ্যা দাঙি ধৰি তেওঁ সংবাদ কৰ্মীৰ নিৰাপত্তাৰ অভাৱক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰে। লগতে নিৰ্বাচনৰ সময়ত মহিলাসকলক কেৱল ভোট বেংক হিচাপে ব্যৱহাৰ কৰা ৰাজনৈতিক দলসমূহকো তেওঁ কঠোৰ সমালোচনা কৰে। প্ৰয়াত মামনি ৰয়চম গোস্বামীৰ উদাহৰণ দি তেওঁ মহিলাসকলক একতাৰে আগুৱাই যাবলৈ আহ্বান জনায়। একেটা অনুষ্ঠানতে সংস্থাৰ তৰফৰ পৰা অসমৰ প্ৰথমগৰাকী মহিলা সাংবাদিক পেঞ্চনাৰ নিৰুপমা বৰাক ২০২৩ বৰ্ষৰ 'অতীন্দ্ৰিয়বাদী কবি নলিনীবালা দেৱী বঁটা'ৰে সন্মানিত কৰা হয়। বঁটা গ্ৰহণ কৰি নিৰুপমা বৰাই তেওঁৰ সংগ্ৰামী জীৱনৰ স্মৃতি ৰোমন্থন কৰে। তেওঁ কয় যে লখিমপুৰৰ এক ভিতৰুৱা গাঁৱৰ পৰা সংবাদ সেৱা আৰম্ভ কৰাৰ সময়ত যাতায়ত আৰু যোগাযোগৰ চৰম সমস্যাৰ মাজতো তেওঁ থমকি ৰোৱা নাছিল। আনকি সাংবাদিকতাৰ লগতে পথ আৰু দলং নিৰ্মাণৰ দৰে কামত হাত দি নিজৰ অঞ্চলৰ উন্নয়নৰ বাবেও তেওঁ কাম কৰিছিল। পুৱা ৯ বজাত সংস্থাৰ সভানেত্ৰী নিৰুপমা বৰা আৰু উপ-সভানেত্ৰী ৰীনা কটকীয়ে পতাকা উত্তোলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। সুৰৰ্ণ শইকীয়াই বন্দিপ্ৰজ্বলন কৰাৰ পাছত স্মৃতি তৰ্পণ কৰে মানুষ খনিকৰে। দিনটোৰ এক আকৰ্ষণীয় কাৰ্যসূচী আছিল ড° আকাশীতৰা শইকীয়াই উদ্বোধন কৰা মহিলাসকলৰ এক চাৰিচকীয়া বাহনৰ শোভাযাত্ৰা। বিয়লি অনুষ্ঠিত মুকলি সভাত বহুক্ষেত্ৰীবাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সমগ্ৰ অনুষ্ঠানটো আঁত ধৰে বশিৰেখা সাউদ কলিতাই। ইয়াৰ উপৰিও কবিতা পাঠ, বিয়ানাম আৰু বিহু হুঁচৰিৰ অনুষ্ঠানেৰে প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী জীপাল হৈ পৰে।

তিনিদিনীয়া কাৰ্যসূচীৰে ৰামদিয়াৰ "ভঠেলি মেলা" আৰম্ভ

অসম বাৰ্তা, হাজো, ১৯ এপ্ৰিল ঃ অসমীয়া জাতিৰ আয়ুস ৰেখা ব'হাগত পৰম্পৰাগতভাৱে উদযাপিত নামনি অসমৰ লোক উৎসৱ "ভঠেলি"ক কেন্দ্ৰ কৰি আজিৰে পৰা তিনিদিনীয়াকৈ আৰম্ভ হৈছে ৰামদিয়া ভঠেলি উৎসৱ। প্ৰতি ব'হাগৰ পহিলা সপ্তাহত বৈষ্ণৱ যুগৰে পৰা প্ৰায় চাৰিশ বছৰীয়া বৰ্ণিল পৰম্পৰাৰে পালন কৰি অহা সম্প্ৰীতি-সমন্বয়ৰ প্ৰতীক ভঠেলি উৎসৱ এইবেলিও "ৰামদিয়া পুথি ভঁৰাল আৰু সামুহিক সাংস্কৃতিক কেন্দ্ৰ"ৰ পৰিচালনাত অনুষ্ঠিত হৈছে। ভঠেলি মেলাত বৃহত্তৰ অঞ্চলটোৰ হাজাৰ হাজাৰ ভক্তৰ সমাগম হ'ব বুলি জানিবলৈ দিয়ে উদযাপন সমিতিয়ে। উল্লেখ্য যে, পৰম্পৰা অনুসৰি সত্ৰ সংস্কৃতিৰ ছোঁ ঘৰ স্বৰূপ ৰামদিয়াৰ মহাপুৰুষীয়া সত্ৰ, দামোদৰদেৱ পন্থীয়া সত্ৰ, হৰিদেৱ পন্থীয়া আৰু চৈতন্যদেৱ পন্থীয়া সত্ৰৰ মুঠ ১৮খন সত্ৰৰ বিগ্ৰহ ভঠেলি থলীত একত্ৰিত কৰা হয়। তদুপৰিলক্ষে ৰামদিয়াৰ প্ৰতিটো পৰিয়ালে নিজৰ পদুলি মুখত মাটি-পানীৰে মঢ়া একোটিকৈ ঢাপ বা বেদী স্থাপন কৰি তাৰ কাষত আগলতি কলপাতৰ ওপৰত একোখনকৈ শৰাই আগবঢ়াই গোসাঁইলৈ অপেক্ষা কৰি থাকে। সত্ৰৰ বিগ্ৰহ সমূহ ভঠেলি মেলালৈ গায়ন-বায়ন, আয়তীৰ উৰুলি ধ্বনিৰে আদৰি অনা দৃশ্য সঁচাকৈয়ে মনোমোহা। ইয়াৰ পিছতে ধূলাৰ সত্ৰ, বগৰিবাৰী সত্ৰ, শিগুৰ সত্ৰ, ৰাম-লক্ষ্মণ সত্ৰ, বাসুদেৱ সত্ৰ, বিষ্ণুপুৰ সত্ৰ, নবনাৰায়ণ সত্ৰ, লেংটা-গোপীনাথ সত্ৰ, হাতভঙা সত্ৰ, মেঘনাৰায়ণ সত্ৰ, বাসুদেৱ-বালি সত্ৰ, বংশী গোপাল সত্ৰকে ধৰি ১৮খন সত্ৰৰ বিগ্ৰহ সমূহক ভঠেলি মেলাত পুৱা-পশ্চিমাকৈ শাৰী-শাৰী কৈ সজাই থোৱা বেদীৰ ওপৰত স্থাপন কৰাৰ পিছতেই গোঁসাইৰ চৰণধূলি ল'বলৈ ভক্তপ্ৰাণ ৰাইজ-দৰ্শনাৰ্থীসকলে। ওৰে দিনটো তেনেকৈ অতিবাহিত হোৱাৰ পিছত সন্ধিয়া সময়ত সত্ৰৰ বিগ্ৰহ সমূহ পুনৰ ঢোল-খোল বজাই আয়তীৰ উৰুলিৰে নিজ নিজ সত্ৰলৈ লৈ যোৱা হ'ব। আনহাতে এই ভঠেলি মেলাত বৃহত্তৰ হাজো অঞ্চলৰ কৃষক ৰাইজে উৎপাদন কৰা কৃষিজাত সামগ্ৰী, ৰামদিয়া কমাবটোলাৰ কমাৰ সকলে তৈয়াৰ কৰা দা-কাটাৰী, কোৰ, খন্তি, কুঠাৰ, কাঁচি আদি লোৰ সামগ্ৰী, ৰামদিয়া হীৰাপাবাৰ বিভিন্ন মাটিৰ পাত্ৰ, দক্ষিণ কামৰূপৰ পৰা আহা ঝাড়ু আৰু নলবাৰীৰ পৰা আহা বাঁহ-বেতৰ সামগ্ৰীৰ এখন "বাণিজ্য মেলা"ও অনুষ্ঠিত হৈছে। নানাৰঙী বেলুন, পুতলা, পেঁপা, মিঠাই আৰু মনোহাৰী সামগ্ৰীৰ শাৰী-শাৰী কৈ স্থাপন কৰা দোকানেৰে ভঠেলি মেলা উপচি পৰিছে আৰু লাখ লাখ টকাৰ সা-সামগ্ৰী ক্ৰয়-বিক্ৰয় হৈছে। পৰম্পৰা আৰু সম্প্ৰীতি-সমন্বয়ৰ প্ৰতীক ৰামদিয়াৰ ঐতিহাসিক "ভঠেলি" বিভিন্ন জাতি-ধৰ্ম-জনগোষ্ঠীৰ প্ৰেম-ভাতৃত্ববোধৰ উৎসৱ, ধৰ্ম আৰু কৰ্মৰ উৎসৱ। এইভঠেলি মেলালৈ বিভিন্ন প্ৰান্তৰ পৰা অহা হেজাৰ হেজাৰ জনতা-দৰ্শনাৰ্থীৰ পদ ধূলিৰে ধন্য হয় বুলিও ৰামদিয়াৰ প্ৰধান বাইজে বিশ্বাস কৰে। ভঠেলি মেলাৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে ডিমৰীয়া মহাবিদ্যালয়ৰ অৱসৰী অধ্যক্ষ ৰামচৰণ ভৰালীয়ে। অনুষ্ঠানৰ বন্দিপ্ৰজ্বলন কৰে সদৌ অসম দেৱদামোদৰ সংঘৰ কাৰ্যকৰী সভাপতি কমলা কলিতাই। ৰামদিয়া পুথিভঁৰাল আৰু সামুহিক সাংস্কৃতিক কেন্দ্ৰৰ সম্পাদক দিলীপ ঠাকুৰীয়াই আঁত ধৰা সভাৰ সভাপতিত্ব কৰে সভাপতি অতুল চন্দ্ৰ কাকতিয়ে।

ভাটিয়াখালীত শিক্ষাৰ সজাগতাৰ বাবে মাদ্ৰাছাৰ শিক্ষাৰ্থীৰ অভূতপূৰ্ব পদযাত্ৰা

অসম বাৰ্তা, ৰূপহীহাট, ১৯ এপ্ৰিল ঃ আধুনিক সমাজ ব্যৱস্থাত শিক্ষাৰ গুৰুত্ব আৰু শিশুৰ মৌলিক অধিকাৰ সুৰক্ষিত কৰাৰ লক্ষ্যৰে আজি ৰূপহীহাট ডিস্ট্ৰিক্ট ভাটিয়াখালীত এক বিশাল গণ-জাগৰণ দেখিবলৈ পোৱা গ'ল। হাতত প্লে'কাৰ্ড আৰু মুখত শিক্ষাৰ সপক্ষে বিভিন্ন শ্লোগান লৈ ৰাজপথলৈ ওলাই আহিল শ শ মাদ্ৰাছা শিক্ষাৰ্থী। এই বিশাল পদযাত্ৰাই সমগ্ৰ ভাটিয়াখালী অঞ্চলতে এক বিশেষ চৰ্চাৰ সৃষ্টি কৰিছে। অসম ৰাজিক ৰিজনী তালিমী ব'ৰ্ডৰ কেন্দ্ৰীয় নিৰ্দেশনা অনুসৰণ কৰি কলিয়াবৰ জিলা ছিনী তালিমী ব'ৰ্ডৰ সক্ৰিয় সহযোগত আজি ভাটিয়াখালী আঞ্চলিক ছিনী তালিমী ব'ৰ্ডৰ উদ্যোগত এই 'জাগৰণ ও সজাগতা সভা' আৰু পদযাত্ৰা অনুষ্ঠিত হয়। বিশেষকৈ সমাজত থকা নিৰক্ষৰতা দূৰ কৰা আৰু শিশু শ্ৰমিক প্ৰথাৰ বিৰুদ্ধে জনমত গঠন কৰাই আছিল উক্ত কাৰ্যসূচীৰ মূল উদ্দেশ্য। পুৱাৰ ভাগতে উলিওৱা এই পদযাত্ৰাত মাদ্ৰাছাৰ কণ কণ ছাত্ৰ-ছাত্ৰীসকলে হাতে হাতে প্লে'কাৰ্ড লৈ সমদল উলিয়ায়। শিক্ষাৰ্থীসকলৰ কণ্ঠত প্ৰতিধ্বনিত হয় "শিশু শ্ৰমিক বন্ধ কৰক", "শিক্ষাই আমাৰ প্ৰগতিৰ মূল", "শিক্ষাৰ অধিকাৰ, আমাৰ অধিকাৰ"আদিৰ দৰে শক্তিশালী শ্লোগান। এই শ্লোগানসমূহৰ জৰিয়তে তেওঁলোকে সমাজৰ প্ৰতিটো শ্ৰেণীৰ লোককে নিজৰ সন্তানক শিক্ষাদান কৰিবলৈ আৰু শৈশৱতে কামত লগাই তেওঁলোকৰ ভৱিষ্যত অন্ধকাৰ নকৰিবলৈ আহ্বান জনায়। বিশিষ্ট ব্যক্তিসকলৰ অংশগ্ৰহণএই বিশাল পদযাত্ৰাত কলিয়াবৰ জিলা ছিনী তালিমী ব'ৰ্ডৰ সভাপতি মৌলানা মুজিবুৰ ৰহমান আৰু সাধাৰণ সম্পাদক মোশ্বাৰফ হুছেইনৰ লগতে উপস্থিত থাকে মৌলানা জাহিদ আৰু ভাটিয়াখালী আঞ্চলিক ছিনী তালিমী ব'ৰ্ডৰ সাধাৰণ সম্পাদক মুজাম্মেল হুছেইন। ইয়াৰ উপৰিও অঞ্চলটোৰ বহু গণ্য-মান্য ব্যক্তি, সমাজকৰ্মী আৰু মাদ্ৰাছাৰ শিক্ষকসকলে এই সজাগতা অভিযানত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। শিক্ষাৰ আধুনিকীকৰণৰ ওপৰত গুৰুত্ব সজাগতা সভাত অংশ লৈ বক্তাসকলে মাদ্ৰাছা শিক্ষাৰ সদৰ্থত এক গুৰুত্বপূৰ্ণ মন্তব্য প্ৰদান কৰে। তেওঁলোকে কয় যে মাদ্ৰাছাৰ শিক্ষা কেৱল ধৰ্মীয় নীতি-নিয়মৰ মাজতে আবদ্ধ নহয়। বৰঞ্চ ইছলামিক নৈতিক শিক্ষাৰ লগতে ছাত্ৰ-ছাত্ৰীক আধুনিক আৰু সাধাৰণ শিক্ষাৰে শিক্ষিত কৰি সমাজৰ এজন একোজন দায়বদ্ধ নাগৰিক হিচাপে গঢ়ি তোলাটোহে বৰ্তমান সময়ৰ আটাইতকৈ ডাঙৰ প্ৰত্যাহ্বান। এনে ধৰণৰ শিক্ষানুষ্ঠানসমূহে নতুন প্ৰজন্মক অন্ধকাৰৰ পৰা পোহৰলৈ নিয়াৰ ক্ষেত্ৰত এক অপৰিসীম ভূমিকা পালন কৰি আছিছে। আজিৰ এই কাৰ্যসূচীয়ে কেৱল শিক্ষাৰ্থীসকলৰ মাজতেই নহয়, বৰঞ্চ সমগ্ৰ ভাটিয়াখালীৰ সচেতন ৰাইজৰ মাজতো এক ইতিবাচক প্ৰভাৱ পেলাবলৈ সক্ষম হৈছে।

বিষ্ণুজ্যোতি সংগীত মহাবিদ্যালয়ৰ ব'হাগী সংগীতানুষ্ঠান সম্পন্ন

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১৯ এপ্ৰিল ঃ নৱ-প্ৰজন্মৰ মাজত সুপ্ত প্ৰতিভা প্ৰকাশৰ উপযুক্ত মঞ্চ প্ৰদান জ্যোতসকলৰ এক নৈতিক আৰু সাংস্কৃতিক কৰ্তব্য। এই উদ্দেশ্য আগত লৈ তিনিচুকীয়াত এক সাংস্কৃতিক পৰিবেশ গঢ় দিয়াৰ উদ্দেশ্যে বিষ্ণুজ্যোতি সাংস্কৃতিক সমাজে ইয়াৰ অংশবিশেষ 'বিষ্ণুজ্যোতি সংগীত মহাবিদ্যালয়'ৰ জৰিয়তে সৰ্বাঙ্গক প্ৰচেষ্টা চলাই আছিছে। ইয়াৰ ছাত্ৰ-ছাত্ৰীসকলে অনুষ্ঠানত শিকি থকা মাগীয় সংগীতৰ উপৰিও ঘৰে-পৰে স্বাভাৱিক ওখৰাজিৰে আয়ত্ত কৰা লোকসংগীত আৰু আধুনিক সংগীত মঞ্চায়ন কৰি প্ৰেৰণা লভাৰ উপৰিও এক আত্ম-সম্পৰীক্ষাও সম্পন্ন কৰিব পাৰে, তাৰ বাবে আজি আয়োজন কৰা হৈছে 'ব'হাগী সংগীতানুষ্ঠান'। এই অনুষ্ঠানৰ আঁত ধৰি বিষ্ণুজ্যোতি সাংস্কৃতিক সমাজৰ সম্পাদক পূৰ্ণ কাকতিয়ে কয় যে মানৱ সমাজৰ বিকাশৰ লগে লগে সঙ্গীতৰো ক্ৰমবিকাশ চলি আহিছে। এইদৰে আমি তিনিটা স্তৰত সংগীতক ভাগ কৰিব পাৰো। প্ৰথম পৰ্যায়টোৱেই হৈছে লোকসংগীত। প্ৰত্যেক জাতি বা ঠাইৰে মানুহৰ আদিম অৱস্থাৰ পৰা সঞ্চিত অভিজ্ঞতা, জ্ঞান বুদ্ধিৰ স্বাভাৱিক প্ৰকাশ লোক সংগীতবোৰ। লোকসংগীতৰ পাছৰ স্তৰটো হৈছে শাস্ত্ৰীয় সংগীত। তাকে মাগীয় সংগীত, ধ্ৰুপদী সংগীত বা ক্লাচিকল মিউজিক বুলিও কোৱা হয়। মধ্যযুগত ৰজাৰ দিনত বা সামন্তবাদৰ যুগত ৰাজকীয় আৰু যাজকীয় পৃষ্ঠপোষকতাত মাগীয় সংগীত ধাৰা সৃষ্টি কৰা হৈছিল। লোকসংগীতৰ পৰা স্বৰ, ৰাগ, তাল, মান, লয় আদিৰ সংশ্লেষণ কৰি সঙ্গীতৰ বৰ্ণ-ব্যাকৰণ সৃষ্টি কৰা হৈছিল। ই সংগীতৰ এক কঠিন পৰ্যায়। গতিকে সংগীতৰ বৰ্ণ-ব্যাকৰণ জানিবলৈ মাগীয় সংগীত শিকাটো অৱধাৰিত। তাৰ পাছত ভাৰতত ইংৰাজ শাসনৰ লগে লগে আহিল নতুন নতুন ভাব-চিন্তা। সংগীতৰ ক্ষেত্ৰতো আধুনিক বাদ্যযন্ত্ৰ আহিল। ইয়েই সংগীতৰ ক্ষেত্ৰতো প্ৰভাৱ পেলালে। সৃষ্টি হ'ল আধুনিক সংগীত। সংগীতৰ তিনিটা স্তৰ-লোকসংগীত, মাগীয় সংগীত আৰু আধুনিক সংগীতৰ লোকসংগীত আৰু আধুনিক সঙ্গীতক কোৱা হয় লঘু সংগীত আৰু মাগীয় সংগীতক গুৰু সঙ্গীত বুলি অভিহিত কৰা হয়। লঘু সংগীত শিকিবলৈ উজু, বিশেষ গুৰুৰ প্ৰয়োজন নহয়। ছাত্ৰ-ছাত্ৰসকলে ঘৰে-পৰে লঘু সংগীত শিকে, গাবও পাৰে। কিন্তু, এই মাগীয় সংগীত বা গুৰু সংগীত এক গুৰুমুখী বিদ্যা। গুৰুৰ অবিহনে শাস্ত্ৰীয় সংগীত শিকিব নোৱাৰি। বিষ্ণুজ্যোতি সংগীত মহাবিদ্যালয়ত ভাতখণ্ডে সংগীত বিদ্যাপীঠৰ পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত ৰাগসংগীত শিকোৱা হয়। আমি ভাৱো, এই কঠিন সংগীতৰ বাটচ'ৰাত প্ৰৱেশ কৰোঁতে কণকণ ছাত্ৰ-ছাত্ৰীসকলে কিছু কষ্ট পোৱা যেন লাগে। অভিভাৱকসকলেও সেই অনুক্ৰমে উদ্গনি যোগাব নোৱাৰা হয়গৈ। ফলত আধাতে সত্ৰ এৰা বা দ্ৰপআউট বৃদ্ধি হয়। সেয়ে শাস্ত্ৰীয়ৰ লগে লগে লঘু সংগীতো শিকোৱাৰ ব্যৱস্থা কৰা হৈছে। সম্ভাবনা ক'ত লুকাই থাকে গম পোৱা টান। সেয়ে তেওঁলোকৰ প্ৰতিভাৰ পৰিচয় লাভ কৰিবলৈ মঞ্চবিলাকতে সন্ধান চলোৱা হয়। আজিৰ মঞ্চত গুৰুসংগীততকৈ লঘু সংগীত প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে। পৰবৰ্তী সময়ত গুৰুসংগীতৰ এক ব্যৱস্থা কৰা হ'ব বুলি কাকতিয়ে উল্লেখ কৰে। বিষ্ণুজ্যোতি সাংস্কৃতিক সমাজৰ উপসভাপতি খগেশ্বৰ টায়ে, বৃন্দাৱন কলিতা, ড° অপূৰ্ব ভাস্কৰ গগৈ, বিভা ভট্টাচাৰ্য, জোনাবৰ গোহাঁই, দিলীপ কুমাৰ, মঞ্জুৰী বৰুৱা, ইলাক্ষী চক্ৰৱৰ্তী, পিনাকী বালা, চন্দ্ৰকান্ত দত্ত, আব্দুল চোভান, সামন্ত বৰা, বিজয় ডেকা, মিণ্টু চক্ৰৱৰ্তী, অমিয় কুমাৰ লাহন, ইন্দ্ৰেশ্বৰ য়েঙ্গ, তিলেশ্বৰ দত্ত, বাণু বৰদৈলে আৰু অভিভাৱকসকলৰ উপস্থিতি যথেষ্ট উলৰ-মালৰেৰে অনুষ্ঠিত সংগীতানুষ্ঠানটি পৰিচালনা কৰে ক্ৰমে লক্ষ্মীন্দ্ৰ ৰাজখোৱা, পিনাকী বালা, জয়া কলিতা, বলিন গোহাঁই আদি শিক্ষক সকলে। প্ৰথমতে অসমীয়াৰ বাপতি সাহোন বিহুৰ দলীয় নৃত্য প্ৰদৰ্শন কৰে হৰ্ষিতা শৰ্মা, ময়ূৰী চেতিয়া, সুপ্ৰিয়া নেওগ, সুমিয়া আলমিন, প্ৰিয়ম বৰুৱা, স্নিগ্ধা লামাই, ঢোল আদি বাদ্য সংগত কৰে লোম্বম বৰপাত্ৰ গোহাঁই, বাস্তৱ কুমাৰ, অনমল কুমাৰ বিশ্বজিত দহোটীয়া, অৰনীত উপাধ্যায় আৰু বাঁহী সংগত কৰে শিক্ষাৰতী চাংমাই। জুবিনৰ গীত পৰিবেশন কৰে অয়নজ্যোতি ভূমিজ আৰু চাকিৰ হকে। বিষ্ণুনৃত্য, বিহুনাম, ঝুমইৰ, আধুনিক গীত, সৃষ্টিশীল নৃত্য আদিত অংশ গ্ৰহণ কৰে দৃষ্টিপ্ৰিয়া বাজখোৱা, জেচিকা প্ৰজা, লুইচ দাস, বৈশাখী গগৈ, মেঘতু ৰঞ্জা গগৈ, সুৰঞ্জনা বৰা, তনভী দাস, অনিষা কিষাণ, বিশ্বজিত দহোটীয়া, প্ৰিয়ম বৰুৱা, নৱনীতা কুমাৰ দাস, ৰবিতা গগৈ, অৰনীত উপাধ্যায়, সুপ্ৰিয়া নেওগ, ময়ূকী গোহাঁই, হৰ্ষিতা শৰ্মা, ময়ূৰী চেতিয়া, আকৃতি কৰ্মকাৰ, ই ত্যাদিয়ে। লোম্বম বৰপাত্ৰ গোহাঁয়ে এটি বিহুসুৰীয়া গীতেৰে সকলোকে মোহিত কৰে। সত্ৰীয়া নৃত্য প্ৰদৰ্শন কৰে সুমিত্ৰা খাটোবাল, ভৈৰব নেওগ, বিস্মিতা মৰাণ, যোগমায়া মৰাণ আৰু দীপালী সোণোৱাল। এক আনন্দময় পৰিবেশ সৃষ্টিকাৰী অনুষ্ঠানটোৰ শেষত অসম সংগীতেৰে সামৰণি মৰা হয়।

বৰাহীবাৰী পুৰণি চাংমাই গাঁৱত মুকলি বিহু উদ্যাপন

অসম বাৰ্তা, চেলেংহাট, ১৯ এপ্ৰিল ঃ শিৱসাগৰ জিলাৰ বৰাহীবাৰীত আজি পুৰণি চাংমাই গাঁওবাসীৰ আতিথ্যত পুৰণি চাংমাই খেলপথাৰত মুকলি বিহু অনুষ্ঠিত হয়। অনুষ্ঠানত প্ৰতীকী বিহুৱান উত্তোলন কৰে গাঁৱৰ বয়োজ্যেষ্ঠ কৃষ্ণ ব্যূচাগোহাঁইয়ে। অনুষ্ঠানত অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে চিত্ৰৰঞ্জন বৰুৱা আৰু উদীত কোঁৱৰে। সেইদৰে নাহৰ পুলি ৰোপণ কৰে দিলীপ বৰুৱা আৰু জিটুল গগৈয়ে। দেৱজিৎ চেতিয়াই আঁত ধৰা অনুষ্ঠানত মুকলি বিহুৰ শুভ উদ্বোধন কৰে ৰাহুল চেতিয়াই। উদ্বোধনী ভাষণত চেতিয়াই পৰম্পৰাগত বিহু সংস্কৃতিৰ বিষয়ত তত্ত্ব গধুৰ বক্তব্য আগবঢ়ায়। কেইবাটাও আমন্ত্ৰিত চেমনীয়া শুচৰি দলৰ লগতে বিভিন্নজন শিল্পীয়ে একক আৰু দলীয় বিহুনাচ আৰু গীত পৰিবেশন কৰে।

মাজুলীৰ এনাজৰী শাখা লেখিকা সমাৰোহ সমিতিৰ প্ৰথম দ্বি-বাৰ্ষিক অধিৱেশন সম্পন্ন; দুখন গ্ৰন্থ উন্মোচন

অসম বাৰ্তা, উজনী মাজুলী, ১৯ এপ্ৰিল ঃ মাজুলী জিলা লেখিকা সমাৰোহ সমিতিৰ অন্যতম শাখা ৰবগুৰিৰ এনাজৰী শাখা লেখিকা সমাৰোহ সমিতিৰ প্ৰথম দ্বি-বাৰ্ষিক অধিৱেশনখন আজি সফলতাৰে অনুষ্ঠিত হয়। মাজুলী জিলা যোগী সন্মিলনীৰ কাৰ্যালয়ত অনুষ্ঠিত হোৱা উক্ত অধিৱেশন উপলক্ষে আজি পুৱা পবিৱেশ নিকাকৰণৰ পাছত গছপুলি ৰোপণ কৰে বিশিষ্ট মহিলা পাৰুল দেৱীয়ে। লেখিকা সমাৰোহ সমিতিৰ পতাকা উত্তোলন কৰে এনাজৰী শাখা লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী তথা ৰঙাচাহী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা লখিমী বৰুৱাই। বন্তি প্ৰজ্বলন কৰি, স্মৃতি তৰ্পণ কৰে শতায়ু দেওনা পাৰ কৰা বিশিষ্ট মহিলা বগীদৈ বৰাই। দুপৰীয়া এঘাৰ বজাৰ পৰা অনুষ্ঠিত হোৱা মুকলি অধিৱেশনৰ আঁত ধৰে এনাজৰী শাখা লেখিকা সমাৰোহ সমিতিৰ সম্পাদিকা দিপ্তী ৰেখা দেৱীয়ে। সাংস্কৃতিক সম্পাদিকা ৰিংকি বিয়া ভঁৰালীৰ নেতৃত্বত পবিৱেশন কৰা "চিৰ চেনেহী মোৰ ভাষা জননী" শীৰ্ষক সমবেত সংগীতেৰে শুভাৰম্ভ হোৱা উক্ত মুকলি অধিৱেশনত সভাপতিত্ব কৰে এনাজৰী শাখা লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী তথা ৰঙাচাহী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা লখিমী বৰুৱাই। উক্ত মুকলি অধিৱেশনৰ উদ্বোধন কৰে ৰঙাচাহী অসমী উচ্চ ইংৰাজী বালিকা বিদ্যালয়ৰ সহকাৰী শিক্ষয়িত্ৰী ৰুমী দেৱীয়ে। সম্পাদিকা দিপ্তী ৰেখা দেৱীয়ে দুবছৰীয়া কাৰ্যকালৰ প্ৰতিবেদন পাঠ কৰে। সভাত এনাজৰী শাখা লেখিকা সমাৰোহ সমিতিৰ মুখপত্ৰ মুদ্ৰিয়িতা নাথৰ সম্পাদিত "এনাজৰী" উন্মোচন কৰে মাজুলী জিলা লেখিকা সমাৰোহ সমিতিৰ প্ৰতিষ্ঠাপক সভানেত্ৰী তথা "মাজুলী মন্দাকিনী" মিনতি শইকীয়াই। উক্ত, সভাতে বিশিষ্ট লেখিকা, কবি পুতলি বৰুৱাৰ গ্ৰন্থ "সময়ৰ ৰূপালী খোজ" উন্মোচন কৰে বিশিষ্ট সাহিত্যিক তথা যোৰহাট জিলা সাহিত্য সভাৰ প্ৰাক্তন উপ-সভাপতি অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক অমূল্য কুমাৰ নাথে। অনুষ্ঠানত লেখিকা পুতলি বৰুৱাই নিজৰ অনুভৱ প্ৰকাশ কৰি ভাষণ প্ৰদান কৰে। উক্ত, মুকলি অধিৱেশনত বিশিষ্ট অতিথি হিচাপে মাজুলী জিলা সাহিত্য সভাৰ সভাপতি প্ৰফুল্ল কুমাৰ বৰুৱা, মাজুলী জিলা লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী মণিকা মহন্ত আৰু সম্পাদিকা স্বপ্না বৰা, পূৰ মাজুলী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° অৰুণ কুমাৰ বৰা, ৰঙাচাহী মহাবিদ্যালয়ৰ অধ্যক্ষ ড°নৰ কুমাৰ গাম, মাজুলী জিলা যোগী সন্মিলনীৰ সভাপতি ঘনকান্ত নাথ, বিশিষ্ট সমাজকৰ্মী কমল নাথ, জেংবাইমুখ কেন্দ্ৰীয় উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক ৰবীন নাথ, অৱস্থিত শিক্ষক সমাজকৰ্মী, নন্দেশ্বৰ নাথ, কমল শইকীয়া, যাদৱ মহন্ত, লেখিকা কৃষ্ণা মেধি, বীনা বৰা, বেখামণি নাথ আদিয়ে অংশগ্ৰহণ কৰি ভাষণ প্ৰদান কৰে। সভাত প্ৰয়াত বিভা নাথ, প্ৰয়াত পুতলি দেৱীৰ পৰিয়ালবৰ্গক ৰূপোত্তৰ ভাৱে সম্বৰ্ধনা জনোৱা হয়। সভাত সোণাৰীআটী মহিলাসকলে দিহানাম, বৰগুৰি গাঁৱৰ মহিলাসকলে বিয়ানাম পৰিৱেশন কৰি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। উক্ত, মুকলি সভাত শলাগ জ্ঞাপন কৰে সম্পাদিকা মুদ্ৰিয়িতা নাথে।

নবস্তিত উদ্যাপন কৰা হ'ব ৩৫ সংখ্যক ৰঙালী বিহু সন্মিলন

অসম বাৰ্তা, বাগানপাৰা, ১৯ এপ্ৰিল ঃ ৰাজ্যৰ প্ৰান্তে-প্ৰান্তে ৰঙালীক আদৰাৰ প্ৰস্তুতিৰ সমান্তৰাল ভাৱে বাক্সা জিলাৰ নবস্তি আঞ্চলিক প্ৰগতি সংঘৰ সৌজন্যত অহা ৬ আৰু ৭ ব'হাগত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে উদযাপন কৰা হ'ব ৩৫ সংখ্যক ৰঙালী বিহু সন্মিলন। এই উদ্দেশ্যে ইতিমধ্যে কাশীৰাম বড়োক সভাপতি আৰু কমল পাঠকক সম্পাদক হিচাপে লৈ এখন ৰঙালী বিহু উদযাপন সমিতি গঠন কৰা হৈছে। সংঘৰ পতাকা উত্তোলন, বিহু পতাকা উত্তোলন, স্মৃতি তৰ্পণ, বন্তি প্ৰজ্বলন, জুবিন গাৰ্গৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, গছপুলি ৰোপণ, খেল ধেমালি, চিত্ৰাঙ্কণ, একক বিহু আৰু বৈসাগু কেছেট নৃত্য প্ৰতিযোগিতা, ভেশচন প্ৰতিযোগিতাৰ লগতে সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। সাংস্কৃতিক অনুষ্ঠানত আমন্ত্ৰিত দল বৰিমাখী আঞ্চল

নতুন শিক্ষা নীতিৰ আধাৰত সমগ্ৰ দেশজুৰি প্ৰযোজ্য হৈছে এক দেশ এক শিক্ষা নীতি

নগাঁৱৰ সোণাই একাডেমীত গাম্ভীৰ্যপুৰ্ণ অনুষ্ঠান

অসম বাৰ্তা, বটদ্ৰবা, ১৯ এপ্ৰিল ঃ কেৱল পঢ়িলেইনহয়, আতিওৰি ধৰি লৈ খৰচি মাৰী পঢ়িব লাগিব। তদুপৰি জানি বুজিহে পঢ়িব লাগিব। অন্যথা ছাত্ৰ ছাত্ৰীৰ ভৱিষ্যতৰ সোণালী শৈক্ষিক জীৱন বাটটেই মৰষি যাব। আজি এই মন্তব্য কৰিছে ভাৰত চৰকাৰৰ অৱসৰপ্ৰাপ্ত বিষয়া, বিশিষ্ট শিক্ষাবিদ ও নগাঁও সোণাই আই এছ একাডেমীৰ সঞ্চালক নুৰুল আমিনে। আজি সোণাই একাডেমী চিনিয়ৰ চেকেণ্ডেৰী স্কুলৰ সদ্য ঘোষিত মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হোৱা ছাত্ৰ ছাত্ৰীৰ সম্বৰ্ধনা অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি শিক্ষাবিদ নুৰুল আমিনে কয়, " এইবাৰ মেট্ৰিক পৰীক্ষাত সৰ্বত্ৰে ফলাফল বেয়া হৈছে। অহাবাৰ আৰু বেয়া হোৱাৰ সম্ভাৱনা আছে। যদিহে শিক্ষক শিক্ষয়িত্ৰী সকলে নতুন শিক্ষা নীতি ২০২০ ৰ নিৰ্দেশনা অনুসৰি শ্ৰেনীকক্ষত পাঠদান নকৰে।" শিক্ষাবিদ নুৰুল আমিনে আৰু কয় যে, নতুন শিক্ষা নীতিৰ ব্যৱস্থাই পূৰ্বৰ সকলো নিৰ্দেশ আৰু ধাৰণা সলনি কৰি দিছে। এই নতুন শিক্ষা ব্যৱস্থাই ৰাষ্ট্ৰীয় পৰ্যায়ৰ শৈক্ষিক পৰিকাঠামোৰ সহৱস্থান কৰিবলৈ শিক্ষাৰ্থী সকলক উৎসাহিত কৰিব। সম্প্ৰতি শিকণ পদ্ধতিৰে ব্যৱহাৰিক শিক্ষা প্ৰদান কৰা আৰু শ্ৰেনীকক্ষত পাঠ্যভিত্তিক শিক্ষা প্ৰদানৰ পুৰনিকলীয়া নীতি নিৰ্দেশনা সম্পূৰ্ণ ৰূপে সলনি হৈছে। এই ক্ষেত্ৰত শিক্ষক শিক্ষয়িত্ৰী সকলে নতুন শিক্ষা নীতিৰ আধাৰত পূৰ্ণাংগ প্ৰশিক্ষণ লোৱাৰ পিছতহে শ্ৰেনীকক্ষত প্ৰৱেশ কৰিব পাৰিব। অন্যথা ছাত্ৰ ছাত্ৰীৰ ভৱিষ্যত গঢ় দিব পৰা নাযাব। অধ্যক্ষ ড° ছাহজাহান আহমেদ আঁত ধৰা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে দীঘলীয়া বক্তৃতা দি শিক্ষাবিদ ড° আশ্ৰফ ৰাহিদে কয়, "এইবাৰৰ মেট্ৰিক পৰীক্ষাৰ ফলাফলক লৈ সকলোৱে চিন্তিত হৈ পৰিছে যদিও ইয়াৰ নেপথ্যৰ কথা হয়তো কোনেও নাজানে। এইক্ষেত্ৰত অভিভাৱক সকল সচেতন হোৱাটো অত্যন্ত প্ৰয়োজন। বিভিন্ন শিক্ষানুষ্ঠানত কৰ্মৰত শিক্ষক শিক্ষয়িত্ৰী সকলৰো বিপদ বাঢ়িব। আৰু ইয়াৰ মূল কাৰণ হৈছে নতুন শিক্ষা নীতি ২০২০ সম্পৰ্কে গৰিষ্ঠ সংখ্যক শৈক্ষিক সমাজৰ তথ্যবিত্তিক জ্ঞান নাই। সমগ্ৰ দেশজুৰি বলৱৎ হৈছে এই শিক্ষা নীতি। ভাৰত চৰকাৰ আৰু অসম চৰকাৰৰ তৰফৰ পৰা বিভাগীয় জাননী কেতিয়াবই জাৰি কৰিছে। কিন্তু একাংশ শিক্ষানুষ্ঠানৰ মুৰব্বী আৰু ব্যক্তিগত খণ্ডৰ বিদ্যালয়বোৰৰ এচাম অপবিপক্ক প্ৰধান শিক্ষকে ইয়াক ভেঙুচালি কৰাৰ ফলত আমি সকলোৱে এনে এক অপ্ৰত্যাশিত ফলাফল পাইছো বুলি ড° আশ্ৰফ ৰাহিদে কয়। সভাত চমু বক্তব্য প্ৰদান কৰি সোণাই একাডেমীৰ অধ্যক্ষ ড° ছাহজাহান আহমেদে অনুষ্ঠানত উপস্থিত থকা ছাত্ৰ ছাত্ৰীৰ লগতে অভিভাৱক অভিভাৱিকা সকলক এক দেশ এক নীতিৰ আধাৰত প্ৰতিষ্ঠিত 'নিউ এডুকেশ্বন পলিচি ২০২০' ক্ষেত্ৰত সকলোতে প্ৰশিক্ষণ লৈ পূৰ্ণাংগ হো'মৱৰ্ক কৰি শিক্ষা ব্যৱস্থাক আগুৱাই লৈ যাবলৈ আহ্বান জনায়।

মাজুলী মহাবিদ্যালয়ত প্ৰতিষ্ঠাপক অধ্যক্ষৰ পঞ্চদশ স্মৃতিদিৱস পালন

অতুল চন্দ্ৰ গোস্বামী আছিল অতুলনীয় ত্যাগৰ প্ৰতিভূ ঃ ড° দেৱজিৎ শইকীয়া

অসম বাৰ্তা, মাজুলী, উজনী মাজুলী, ১৯ এপ্ৰিল ঃ মাজুলীৰ প্ৰথমখন উচ্চ শিক্ষাৰ আলয় মাজুলী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ শিক্ষাৰত্ন অতুল চন্দ্ৰ গোস্বামীৰ পঞ্চদশ স্মৃতি দিৱস উপলক্ষে আজি মহাবিদ্যালয় পৰিষ্ৰাংত প্ৰতিষ্ঠাপক অধ্যক্ষগৰাকীলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ২০১২ চনৰ ১৮ এপ্ৰিল তাৰিখে মৃত্যু হোৱা গোস্বামীৰ পঞ্চদশ স্মৃতি দিৱসৰ সৈতে সংগতি ৰাখি আজি পূৱা এন চি চিব পৰিচালক নাৰায়ণ শইকীয়া, কৰ্মচাৰী ভৱেন শইকীয়া, প্ৰশান্ত পায়েং, মংগলা পায়েং, বন্তু বৰা, অনামন্ত্ৰকৰ্মী দীপক দাস আৰু নৈশ চকীদাৰ মাণিক বেগনৰ নেতৃত্বে মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ কেডেটসকলে মহাবিদ্যালয় চৌহদ পৰিষ্কাৰ কৰে। পুৱা ১০.৩০ বজাত মহাবিদ্যালয় চৌহদত প্ৰতিষ্ঠাপিত শিক্ষাৰত্ন অতুল চন্দ্ৰ গোস্বামীৰ প্ৰতিমূৰ্তিৰ সন্মুখত ধূপ-দীপ প্ৰজ্বলন কৰি পুষ্পাৰ্ঘ্য নিবেদন আৰু প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়া, প্ৰাক্তন অধ্যক্ষত্ৰয় সৰ্বেশ্বৰ হাজৰিকা, নবেন চন্দ্ৰ ঠাকুৰীয়া, ভোলা বৰা আৰু মাজুলী জিলা কবি সন্মিলনৰ সভাপতি যুগল হাজৰিকাই। প্ৰতিষ্ঠাপক অধ্যক্ষগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন আৰু স্মৃতিচাৰণৰ উদ্দেশে আয়োজিত অনুষ্ঠানৰ আঁত ধৰে মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহযোগী অধ্যাপক আৰু মুৰব্বী অপূৰ্বজ্যোতি হাজৰিকাই। অনুষ্ঠানটিত সভাপতিত্ব কৰি অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই প্ৰতিষ্ঠাপক অধ্যক্ষগৰাকীৰ জীৱনৰ এক চমু অৱলোকন দাঙি ধৰে। অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই কয়, "অতুল চন্দ্ৰ গোস্বামী মাজুলীবাসীৰ বাবে গভীৰ প্ৰেৰণাদায়িনী এক শক্তি। যাতায়াত-যোগাযোগ সম্পৰ্কীয় সীমাহীন সমস্যাৰে জৰ্জৰিত সেইকালৰ মাজুলীখনক পোহাই তুলিবলৈ আহি নিজেই একো একোটা উজ্জ্বল জ্য তি স্কুলে পৰ্যবসিত হোৱা বৰেণ্য লোকসকলৰ অন্যতম শিক্ষাৰত্ন অতুল চন্দ্ৰ গোস্বামী আছিল অতুলনীয় ত্যাগৰ প্ৰতিভূ।" সভাত বক্তৃতা প্ৰদান কৰি অৱসৰপ্ৰাপ্ত অধ্যক্ষয় সৰ্বেশ্বৰ হাজৰিকা, নবেন চন্দ্ৰ ঠাকুৰীয়া, ভোলা বৰা, প্ৰাক্তন ছাত্ৰ তথা মাজুলী জিলা কবি সন্মিলনৰ সভাপতি যুগল হাজৰিকা, কাৰ্যালয়ৰ অৱসৰপ্ৰাপ্ত মুখ্য সহায়কদ্বয় গোবিন বৰুৱা আৰু পদ্মধৰ বৰুৱাই প্ৰতিষ্ঠাপক অধ্যক্ষগৰাকীয়ে নিজকে মাজুলীৰ কল্যাণৰ বাবে উছৰ্গা কৰিলে বুলি উল্লেখ কৰি কয় যে অতুল চন্দ্ৰ গোস্বামীৰ দীৰ্ঘদৰ্শিতা, মহানুভৱতা আৰু নিঃস্বাৰ্থ ত্যাগৰ কথা মাজুলী মহাবিদ্যালয় থাকে মানে স্মৰণীয় হৈ থাকিব। আজিৰ অনুষ্ঠানটিত উপস্থিত থকা প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, অভ্যাগতীণ মান নিশ্চিকৰণ কোষৰ সমন্বয়ক বসন্ত বৰা, শিক্ষক গোটৰ সম্পাদক ডঃ অনুপ কুমাৰ দলে, ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযানৰ মহাবিদ্যালয়ৰ নডেল বিষয়া দেৱজ্যোতি খাটনিয়াৰ, মহিলা কোষৰ সভানেত্ৰী ড° ৰূপজ্যোতি বৰা, সঞ্চয় আৰু ঋণদান সমবায় সমিতিৰ সম্পাদক ডঃ ৰাজেন চন্দ্ৰ বৰা, প্ৰাক্তন শিক্ষাৰ্থী সম্মিলনৰ সম্পাদক অধ্যাপক তুলসী ৰাজখোৱা, এ চি টি এৰ মাজুলী মণ্ডলৰ সম্পাদক ড° দেৱজ্যোতি ভট্টাচাৰ্য, মহাবিদ্যালয় কৰ্মচাৰী গোটৰ ভাৰপ্ৰাপ্ত সভাপতি উৎপল বৰুৱা, সম্পাদক সদানন্দ বেগন প্ৰমুখ্যে শিক্ষক-কৰ্মচাৰীসকলে শিক্ষাৰত্ন অতুল চন্দ্ৰ গোস্বামীৰ প্ৰতিমূৰ্তিত পুষ্পাৰ্ঘ্য তৰ্পণ কৰি শ্ৰদ্ধা জনায়।

ৰহাৰ পূব সৰাগাঁও বিহু উৎসৱ উদ্‌যাপন সমিতিৰ বিহু মঞ্চত ৰহাৰ দুই কীৰ্তিমানক সম্বৰ্ধনা

অসম বাৰ্তা, ৰহা, ১৯ এপ্ৰিল ঃ ৰহাৰ পূব সৰাগাঁও বৰবাআটী মধুপুৰ ৰঙালী বিহু উৎসৱত তিনিদীনীয়া কাযাসূচীৰে অনুষ্ঠিত হোৱা অনুষ্ঠানত বিহু সমিতিৰ ফালৰ পৰা এক ব্যতিক্ৰমীধৰ্মী প্ৰদক্ষেপ লোৱা দেখা যায়। বিহু উৎসৱৰ দ্বিতীয় নিশা অঞ্চলটোৰ দুগৰাকী যুৱতীক সম্বৰ্ধনা জনোৱা হয়। ডক্টৰেট ডিগ্ৰী লাভ কৰি ৰহা অঞ্চলৈ লৈ কৰি কঢ়িয়াই অনা ৰহাৰ দুই কীৰ্তিমান ক্ৰমে পূব টোপাকুছিৰ অঞ্জনা শইকীয়া আৰু ৰহা দেৱাগুৰিৰ প্ৰীতিস্মৃতা শৰ্মাক বিহু উদ্‌যাপন সমিতিয়ে ৰাজহুৱা ভাৱে সম্বৰ্ধনা জনায়। বিহু উদ্‌যাপন সমিতিৰ সভাপতি লক্ষিপ্ৰসাদ ডেকাই আঁত ধৰা এই অনুষ্ঠানটোত দুয়োগৰাকী কীৰ্তিমানক বিহু সমিতিৰ কাৰ্যকৰী সভাপতি মুদুল বৰদলৈ, মুখ্য সম্পাদক কল্পজ্যোতি হীৰা আৰু সম্পাদক মৃণ্ময় বৰদলৈসহ সমিতিৰ বিষয়ৰবীয়া সদস্যসকলে গামোচা, চেলেং আৰু একোখন প্ৰশস্তিপত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰে। ইয়াৰ উপৰিও উক্ত অনুষ্ঠানতে ৰহা আঞ্চলিক সাংবাদিক সন্থাৰ সভাপতি দীপক কুমাৰ শৰ্মাক চেলেং গামোচাৰে আদৰণি জনাই তেওঁৰ হাতেৰে কীৰ্তিমান ছাত্ৰী অঞ্জনা শইকীয়াক প্ৰশস্তিপত্ৰ প্ৰদান কৰা লগতে নগাঁও জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি সঞ্জয় কুমাৰ কাকতি হাতে প্ৰীতিস্মীতা শৰ্মা হৈ তেওঁৰ পিতৃ মাতৃক প্ৰশস্তিপত্ৰ লগতে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। ইয়াৰ উপৰিও উক্ত অনুষ্ঠানত সাংবাদিক ফুনু শৰ্মা, চয়েল খেতান, নৱজ্যোতি ভূঞা আৰু সঞ্জীব দাসকো সম্বৰ্ধনা জনোৱা হয়।

হাবিগাঁও ধূনাগুৰিৰ শ্ৰীশ্ৰী বাসুদেৱ নামঘৰত মহাপুৰুষ শ্ৰীশ্ৰী দামোদৰ দেৱৰ ৪২৮ সংখ্যক তিৰোভাৱ তিথি উদ্‌যাপন

অসম বাৰ্তা, ঢেকীয়াজুলি, ১৯ এপ্ৰিল ঃ শোণিতপুৰ জিলাৰ অন্তৰ্গত ৬৬ নং বৰছলা বিধানসভা সমষ্টিৰ বামুণপুখুৰী গাওঁ পঞ্চায়ত এলেকাৰ হাবিগাওঁ ধূনাগুৰিস্থিত শ্ৰীশ্ৰী বাসুদেৱ নামঘৰত আজি মহাপুৰুষ শ্ৰীশ্ৰী দামোদৰ দেৱৰ ৪২৮ সংখ্যক তিৰোভাৱ তিথি ভক্তিমূলক পৰিবেশত উদ্‌যাপন কৰা হয়। দক্ষিণ পাট শাখা সত্ৰৰ অধীনস্থ এই নামঘৰত দিনজোৰা বিভিন্ন ধৰ্মীয় কাৰ্যসূচীৰে অনুষ্ঠানটি উদ্‌যাপিত কৰা হয়। পুৱাৰে পৰা নামপ্ৰসংগ, কীৰ্তন, ভাগৱত পাঠ আদি বিভিন্ন আধ্যাত্মিক কাৰ্যসূচীৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰা হয়। অঞ্চলটোৰ লগতে দূৰ-দূৰণিৰ বিভিন্ন প্ৰান্তৰ পৰা বহু সংখ্যক ভক্তই আহি নামঘৰ প্ৰাংগনত সমবেত হয় আৰু মহান সন্তজনৰ স্মৃতিত পুষ্পাঞ্জলি জ্ঞাপন কৰে। সমগ্ৰ নামঘৰ প্ৰাংগনত এক উদুলি-মুদুলি আৰু ভক্তিময় পৰিবেশে বিৰাজ কৰে। আজি ভক্তসকলৰ অংশগ্ৰহণে অনুষ্ঠানটো অধিক সমৃদ্ধ কৰি তোলে। উপস্থিত ভক্তবৃন্দই মহাপুৰুষ শ্ৰীশ্ৰী দামোদৰ দেৱৰ আদৰ্শ আৰু ধৰ্মীয় চিন্তাধাৰাক স্মৰণ কৰি সমাজত শান্তি আৰু ঐক্যৰ বাৰ্তা প্ৰচাৰ কৰে। এই তিৰোভাৱ তিথি উদ্‌যাপনৰ জৰিয়তে স্থানীয় বাইজে নিজৰ ধৰ্মীয় আৰু সাংস্কৃতিক পৰম্পৰা অক্ষুণ্ণ ৰাখিবলৈ এক উল্লেখযোগ্য ভূমিকা পালন কৰিছে। আজিৰ অনুষ্ঠানটিত সকলোৱে সহযোগ কৰাত সদৌটিলৈ কৃতজ্ঞতা জ্ঞাপন কৰে নামঘৰ পৰিচালনা সমিতিৰ সভাপতি দয়াকান্ত বড়ো, কাৰ্যকৰী সভাপতি জীতেন চন্দ্ৰ বড়ো, যুটীয়া সম্পাদক সকল ক্ৰমে গুঞ্জধৰ বসুমতাৰী, উৎপল বড়ো, উপদেষ্টা মণ্ডলী ক্ৰমে দামোদৰ বাভা, দেৱকান্তবড়ো, টেনুৰাম বড়ো, গিৰীশ বড়ো, কোষাধ্যক্ষদ্বীপ কুমাৰবড়োৰ লগতে বিষয়ৰবীয়া সকলে।

মাকুমত মৰাণ বিহু সমাৰোহ-২০২৬ৰ ঘাইখুঁটা স্থাপন কাৰ্যসূচী সম্পন্ন

মাকুমত উদ্‌যাপন কৰা হ'ব বহু প্ৰত্যাশিত মৰাণ বিহু সমাৰোহ

অসম বাৰ্তা, মাকুম, ১৯ এপ্ৰিল ঃ বৃহত্তৰ মাকুম অঞ্চলত ২০০৬ চনৰ পৰাই অনুষ্ঠিত কৰি অহা উত্তৰ পূৰ্বাঞ্চলৰ আদিম ভূমি পুত্ৰ মৰাণ জনগোষ্ঠীৰ মৰাণ বিহু সমাৰোহ প্ৰতি পাঁচ বছৰৰ ব্যৱধানত অনুষ্ঠিত কৰি অহা হৈছে। মৰাণ জনগোষ্ঠীটোৰ আটাইকেইটা সংগঠন ক্ৰমে সদৌ মৰাণ ছাত্ৰ সন্থা, অসম মৰাণ সভা, মৰাণ জাতীয় মহিলা পৰিষদ, সদৌ মৰাণ ক'লা সংস্কৃতি বিকাশ কেন্দ্ৰ, মৰাণ জাতীয় কৰ্মচাৰী শৈক্ষিক বিকাশ মঞ্চ আৰু মৰাণ সাহিত্য সভা, মাকুম আঞ্চলিক সমিতিৰ যৌথ উদ্যোগত আৰু সমগ্ৰ মাকুম অঞ্চলটোৰ ৰাইজৰ সহযোগত অহা মে' মাহৰ প্ৰথম সপ্তাহত ৮, ৯ আৰু ১০ মে'ত পঞ্চম বাৰ্ষিক মৰাণ বিহু সমাৰোহ ২০২৬ ৰ মাকুম ৰঙনীকান্ত বৰদলৈ খেলপথাৰত অনুষ্ঠিত কৰিব লগা মৰাণ বিহু সমাৰোহৰ বাবে ইতিমধ্যে ব্যাপক প্ৰস্তুতি চলাইছে আয়োজক সমিতিয়ে। সেই মৰ্মে আজি আনুষ্ঠানিকভাৱে মাকুম ৰঙনীকান্ত বৰদলৈ খেলপথাৰত সম্পূৰ্ণ ধৰ্মীয় ৰীতি-নীতিৰে ঘাইখুঁটা স্থাপন কাৰ্যসূচী সম্পন্ন কৰা হয়। ঘাইখুঁটা স্থাপন কৰে শ্ৰীশ্ৰী টিপুৰু ময়ামৰা বৰ ডিৰাক সত্ৰৰ সত্ৰাধিকাৰ প্ৰভুৱে। সত্ৰাধিকাৰ প্ৰভু গৰাকীক ঘাইখুঁটা স্থাপন কাৰ্যসূচীলৈ ভক্তবৃন্দ সহিতে উদ্যোক্তা সমিতিয়ে গায়ন-বায়ন, খেৰী নাম, মৰাণ বিহু দল ইত্যাদিৰে আদৰি অনা হয়। পৰৱৰ্তী পৰ্যায়ত সম্পূৰ্ণ ধৰ্মীয় ৰীতি-নীতি সম্পূৰ্ণ কৰি ঘাইখুঁটা স্থাপন কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। ঘাইখুঁটা স্থাপন কাৰ্যসূচীৰ পৰা মৰাণ বিহু সমাৰোহৰ প্ৰতিটো দিনতেই সকলো জনগোষ্ঠীৰ ৰাইজৰ উপস্থিতিৰ কামনা কৰিছে অভ্যৰ্থনা সমিতিৰ হৈ কু সুম্বৰ নেওগ, ৰূপজ্যোতি হাতীবৰুৱা, ৰাতুল মৰাণৰ লগতে সদৌ মৰাণ ছাত্ৰ সন্থা মাকুম আঞ্চলিক সমিতিৰ হৈ সভাপতি গুণধৰ মৰাণ আৰু সম্পাদক ভদ্ৰজিৎ চুতীয়াই।

CBSE দশম শ্ৰেণীৰ পৰীক্ষাত ৯৭.৬ শতাংশ নম্বৰেৰে জিলিকি উঠিবলৈ সক্ষম হ'ল গোলাঘাট চিনাতলীৰ স্নিগ্ধা দত্ত

অসম বাৰ্তা, খুমটাই, ১৯ এপ্ৰিল ঃ সদ্যঘোষিত CBSE দশম শ্ৰেণীৰ পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হ'বলৈ সক্ষম হ'ল খুমটাইৰ চিনাতলীৰ স্নিগ্ধা দত্ত। ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা পৰিষদ চন্থাৰে CBSE ৰ দ্বাৰা অনুষ্ঠিত সদ্যঘোষিত হাইস্কুল শিক্ষাস্তৰ পৰীক্ষাত গোলাঘাট সত্ৰা সাই বিদ্যাবিহাৰ বিদ্যালয়ৰ পৰা হাইস্কুল শিক্ষাস্তৰ পৰীক্ষাত অৱতীৰ্ণ হৈ শতকৰা ৯৭.৬ শতাংশ নম্বৰ লাভ কৰি বিদ্যালয়ৰ ভিতৰতে সৰ্বোচ্চ নম্বৰ লাভ কৰি সুখ্যাতি অৰ্জন কৰিবলৈ সক্ষম হয়। অত্যন্ত মেধাৱী, অমায়িক স্বভাৱৰ স্নিগ্ধাৰ সাফল্যত তেওঁৰ পৰিয়ালটিলৈ বোৱাই আনিছে আনন্দৰ বন্যা। কন্যাৰ সাফল্যত শিক্ষক পিতৃৰ চকুত আনন্দৰ অশ্ৰু। আৱেগিক মাতৃ। ভৱিষ্যত এগৰাকী সু-চিকিৎসক হোৱাৰ সপোন পুহি ৰখা স্নিগ্ধাৰ সাফল্যই গৌৰবান্বিত কৰিলে জিলাখনৰ লগতে অঞ্চলবাসীক।

দুই প্ৰশিক্ষাৰ্থী প্লাবিতা আৰু আৰাধ্যা কাশ্যপৰ ভাৰত চৰকাৰৰ জলপানি লাভ

শংকৰদেৱ কলা একাডেমি, মৰিজাঁজীৰ সফলতা

অসম বাৰ্তা, চেলেংহাট, ১৯ এপ্ৰিল ঃ মৰিজাঁজী তামুলী গাঁৱৰ পৰিৱেশ্য কলাৰ অগ্ৰণী প্ৰতিষ্ঠান শংকৰদেৱ কলা একাডেমীৰ ছাত্ৰী প্লাবিতা বৰদলৈ আৰু আৰাধ্যা আবোহী কাশ্যপে ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ৰ অধীনত ২০২৫-২৬ বৰ্ষত নাটক আৰু সত্ৰীয়া নৃত্যত বৃত্তি লাভ কৰিছে। প্লাবিতাই নাট্যশিল্পী পাৰ্থ প্ৰতিম শৰ্মাৰ তত্ত্বাৱধানত আৰু আৰাধ্যাই সত্ৰীয়া সংস্কৃতিৰ সাধক গুৰু দিলীপ ভূঞা বৰবায়নৰ তত্ত্বাৱধানত এই জলপানী লাভ কৰিবলৈ সক্ষম হৈছে। লগতে আৰাধ্যা আবোহীয়ে সত্ৰীয়া নৃত্যশিল্পী বিংকু মণি মহন্তৰ তত্ত্বাৱধানতো সত্ৰীয়া নৃত্যৰ প্ৰশিক্ষণ গ্ৰহণ কৰি আছে। আৰাধ্যা আবোহী তামুলী গাঁৱৰ নিবাসী বিজু কুমাৰ শৰ্মা আৰু বনশ্ৰী শৰ্মাৰ একমাত্ৰ কন্যা। সেইদৰে প্লাবিতা সোণাৰী গাঁৱৰ নিবাসী যোগেন বৰদলৈ আৰু বৰ্ণালী বৰদলৈৰ কনিষ্ঠা কন্যা। দুয়ো গৰাকীএ এই সফলতাত শংকৰদেৱ কলা একাডেমিৰ পৰিয়াল উৎফুল্ল হোৱাৰ লগতে গ্ৰাম্য অঞ্চলটোলৈ গৌৰৱ কহিয়াই অনাৰ লগতে সমগ্ৰ অঞ্চলবাসীয়ে আনন্দ প্ৰকাশ কৰিছে।

ভক্তি আৰু পৰম্পৰাৰ মিলনভূমিত উদুলি-মুদুলি পৰিৱেশ

ৰামদিয়াৰ পোৰাভিঠা সত্ৰত ৭ লাখ লাড়ুৰ অৰ্ঘ্য

অসম বাৰ্তা, হাজো, ১৯ এপ্ৰিল ঃ ড° ধৰ্মীয় পৰম্পৰা আৰু সামাজিক সম্প্ৰীতিৰ এক অনন্য নিদৰ্শন পুনৰবাৰ প্ৰতিফলিত হ'ল হাজোৰ ঐতিহাসিক ৰামদিয়া অঞ্চলত। মহাপুৰুষ শ্ৰীশ্ৰী দামোদৰ দেৱ মহাপ্ৰভুৰ ৪২৮ সংখ্যক তিৰোভাৱ তিথি উপলক্ষে আজি ৰামদিয়াৰ পোৰাভিঠা সত্ৰৰ চৌদিশে এক আধ্যাত্মিক পৰিবেশৰ সৃষ্টি হয়। গুৰুজনাৰ পুণ্য তিথিৰ সৈতে সংগতি ৰাখি আয়োজিত 'লাড়ু বিতৰণ' উৎসৱত অংশ লবলৈ ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা সত্ৰ খনলৈ হাজাৰ হাজাৰ ভক্তৰ সোঁত বোৱা দেখা গৈছে। মহাপুৰুষ জনাৰ তিৰোভাৱ তিথি উপলক্ষে এই বেলি সত্ৰ পৰিচালনা সমিতিয়ে তৈয়াৰ কৰিছে প্ৰায় সাত লক্ষাধিক লাড়ু। গুড় আৰু চাউলৰ গুড়িৰে তৈয়াৰ কৰা এই বৃহৎ সংখ্যক লাড়ুক লৈ উছৱ মুখৰ পৰিৱেশ সত্ৰ নগৰী ৰামদিয়াত। উল্লেখ্য যে বিগত প্ৰায় ১৫-২০ দিন ধৰি ৰামদিয়া আৰু হাজৰ দাঁতি কাষৰীয়া অঞ্চলৰ বাইজে দিনে নিশাই প্ৰস্তুত কৰিছে এই লাড়ু। এই বেলি অঞ্চলটোৰ প্ৰায় ৮, ৩৫১টা পৰিয়ালে আগবঢ়োৱা প্ৰায় ৭ লাখ লাড়ু প্ৰস্তুত কৰি ভক্ত সকলৰ মাজত বিতৰণ কৰা হৈছে। উল্লেখ্য যে এই লাড়ু আগবঢ়োৱা কাৰ্য হিন্দু পৰিয়ালৰ লগতে আন আন ধৰ্মালম্বী লোকেও সমানে আগবঢ়াই আহিছে। এই বেলি ৬৭টা মুছলমান পৰিয়াল আৰু ৩৭টা বড়ো পৰিয়ালেও গুৰু জনাৰ তিৰোভাৱ তিথিত আগবঢ়াইছে লাড়ু। আনহাতে লোকপ্ৰবাদ অনুসৰি, ঐতিহাসিক শ্ৰীশ্ৰী দামোদৰ দেৱৰ তিৰোভাৱ তিথিৰ দিনা এই পোৰা ভিঠা সত্ৰত লাড়ু আগবঢ়ালে অঞ্চল সকলো মনোবাঞ্ছা পূৰণ হয়। এই বিশ্বাসক বুকুত বান্ধিয়েই আজি পুৰাবে পৰা সত্ৰ খনত লানি নিছিগী হৈ কৰিছে আবাল -বৃদ্ধ-বনিতাই। পুৱাৰ পৰাই শংখ-ঘণ্টা আৰু হৰিনামৰ ধ্বনিৰে আকাশ-বতাহ মুখৰিত হৈ পৰে। কেৱল ধৰ্মীয় আচাৰেই নহয়, এই উৎসৱে ৰামদিয়াৰ একতা আৰু ভাতৃত্ববোধৰ নিদৰ্শনো দাঙি ধৰিছে। জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলোৱে একত্ৰিত হৈ এই বিশাল আয়োজনক সফল কৰি তুলিছে। প্ৰতিগৰাকী ভক্ত আৰু দৰ্শনাৰ্থীৰ মাজত চাউলৰ গুড়ি আৰু মিঠৈৰে বনোৱা এই বিশেষ লাড়ু প্ৰসাদ হিচাপে বিতৰণ কৰা হৈছে। সত্ৰ পৰিচালনা সমিতি আৰু স্থানীয় স্বেচ্ছাসেৱী সংগঠনসমূহে ভক্তসকলৰ সুবিধাৰ্থে সকলো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে। ৰামদিয়াৰ এই 'লাড়ু উৎসৱ' এতিয়া কেৱল এটা অঞ্চলৰে নহয়, বৰঞ্চ অসমৰ ধৰ্মীয় আৰু সাংস্কৃতিক মানচিত্ৰত এক অন্যতম বিশেষত্ব হিচাপে পৰিগণিত হৈছে। গুৰুজনাৰ আধ্যাত্মিক দৰ্শনেৰে জিলিকি উঠা পোৰাভিঠা সত্ৰৰ এই দৃশ্যই উপস্থিত প্ৰতিগৰাকী লোকৰ মনত ভক্তিৰসৰ সঞ্চাৰ কৰিছে।

তিনিদিনীয়া ৰাজ্যিক ভ্ৰমণত প্ৰধানমন্ত্ৰী মোদীৰ সৈতে শীৰ্ষ সন্মিলন, একাধিক চুক্তি স্বাক্ষৰৰ সম্ভাৱনা

দক্ষিণ কোৰিয়াৰ ৰাষ্ট্ৰপতি লি জে-ম্যুঙৰ ভাৰত ভ্ৰমণ আৰম্ভ; দুই দেশৰ সম্পৰ্কত নতুন অধ্যায়

নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ১৯ এপ্ৰিল ঃ দক্ষিণ কোৰিয়াৰ ৰাষ্ট্ৰপতি লি জে-ম্যুঙে তেওঁৰ পত্নী কিম হেই-কিউঙৰ সৈতে তিনিদিনীয়া ৰাজ্যিক ভ্ৰমণৰ বাবে দেওবাৰে ভাৰতত উপস্থিত হৈছে। যোৱা আঠ বছৰৰ ভিতৰত দক্ষিণ কোৰিয়াৰ কোনো ৰাষ্ট্ৰপতিৰ এয়াই প্ৰথম ভাৰত ভ্ৰমণ। বিমানবন্দৰত ক্ৰ পৰেটে পৰিক্ৰমা আৰু পথ পৰিবহণৰ ৰাজ্যিক মন্ত্ৰী হৰ্ষ মালহোত্ৰাই ৰাষ্ট্ৰপতি লি জে-ম্যুঙ আৰু তেওঁৰ পত্নীক আদৰণি জনায়। ২০২৫ চনৰ জুন মাহত কাৰ্যভাৰ গ্ৰহণ কৰা ৰাষ্ট্ৰপতি লীৰ এই ভ্ৰমণক ভাৰত আৰু দক্ষিণ কোৰিয়াৰ মাজত বিশেষ বৰ্ণনীয় সম্পৰ্ক ৰ পুনৰঞ্জৰ্ণিৰ তকৰণ হিচাপে গণ্য কৰা হৈছে। সোমবাৰে ৰাষ্ট্ৰপতি ভৱনত আনুষ্ঠানিকভাৱে দক্ষিণ কোৰিয়াৰ ৰাষ্ট্ৰপতিগৰাকীক আদৰণি জনোৱা হ'ব। ইয়াৰ পিছত ৰাজঘাটত মহাত্মা গান্ধীৰ সমাধিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব। ভ্ৰমণৰ মূল আকৰ্ষণ হ'ব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে হয়দৰবাদ হাউছত অনুষ্ঠিত হ'বলগীয়া শীৰ্ষ সন্মিলন। এই শীৰ্ষ সন্মিলনত অৰ্ধপৰিবাহী (semiconductor), সেউজ শক্তি, প্ৰতিৰক্ষা উৎপাদন আৰু 'মেক ইন ইণ্ডিয়া'ৰ অধীনত অধিক সহযোগিতা বৃদ্ধিৰ বাবে কেইবাখনো গুৰুত্বপূৰ্ণ চুক্তি স্বাক্ষৰিত হোৱাৰ সম্ভাৱনা আছে। দুই দেশৰ মাজত বাণিজ্য, প্ৰযুক্তি আৰু কৌশলগত সম্পৰ্ক আৰু অধিক মজবুত কৰাৰ লক্ষ্যৰ

২৩ এপ্ৰিলত বিজেপিৰ

উদ্যোগত 'মহিলা আক্ৰোশ' শীৰ্ষক সংবাদমেল সম্মেলন কৰি দিলীপ শইকীয়াই কয়, "মহিলাই ৬৩ শতাংশ অধিকাৰ পোৱাটো নিচিন্তে কংগ্ৰেছকে ধৰি বিৰোধী মিত্ৰজোঁটে। সংবিধানৰ ১৩১ সংখ্যক সংশোধনৰ ক্ষেত্ৰত আমি বিফল হ'লোঁ। আমি নাৰী শক্তিক মৰ্যাদা দিবলৈ উঠি-পৰি লাগিছিলোঁ। কংগ্ৰেছে নাৰী ন্যায় নিচিনাবে।" তেওঁ আৰু কয় যে, ৰাজনৈতিক লাভালাভৰ বাবে কংগ্ৰেছে মহিলা সংৰক্ষণ বিধেয়কৰ বিৰোধিতা কৰিছে। বিৰোধীয়ে মহিলা শক্তিৰ উদ্ভৱণ নিচিনাবে আৰু দেশৰ আই-মাতৃসকলক শ্ৰদ্ধাৰ পাত্ৰ বুলি নাভাবে। সংসদত নাৰীৰ প্ৰতি ন্যূনতম শ্ৰদ্ধা আৰু সন্মানো দেখুৱাব পৰা নাই বিৰোধীয়ে। দিলীপ শইকীয়াই উল্লেখ কৰে, "৬০ বছৰ ধৰি কংগ্ৰেছে নাৰী শক্তিৰ উদ্ভৱণৰ বাবে একো নকৰিলে। অনুচ্ছেদ ৩৭০ৰ পৰা তিনি তালাকলৈকে সকলোতে কংগ্ৰেছে বিৰোধিতা কৰিছে। ২০২৯ চনত বিজেপিয়ে লোকসভাত ৩৩ শতাংশ সংৰক্ষণেৰে আই-মাতৃসকলক সন্মান দিব।" তেওঁ লগতে কয় যে, দেশৰ বিকাশ আৰু নাৰী শক্তিৰ শত্ৰু হৈছে কংগ্ৰেছ আৰু তাৰ সহযোগী দলসমূহ। কংগ্ৰেছে ভুৱা আৰু অবাস্তৱ নেৰেটিভ ৰচনা কৰি জনসাধাৰণক বিভ্ৰান্ত কৰিবলৈ চেষ্টা কৰে। কংগ্ৰেছৰ ইতিহাস নাৰীক অপমান কৰাৰ ইতিহাস। তেওঁ উদাহৰণ দি কয় যে, কংগ্ৰেছে ওবিচিৰ বাবে ঘঁৰিয়ালৰ চকুপানী টুকিছে, আনহাতে বিজেপিয়ে দ্ৰৌপদী মুৰ্মুৰ দৰে আদিবাসী মহিলাক ৰাষ্ট্ৰপতি নিৰ্বাচিত কৰিছে। দিলীপ শইকীয়াই কটাক্ষ কৰি কয়, "৪ মে'ৰ পিছত কংগ্ৰেছে আইএনচিৰ কাষত 'এম' লিখিব লাগিব। 'এম' শব্দটো কি আপোনালোকে বুজি লওক।" সংবাদমেলত তেওঁ ঘোষণা কৰে যে, কংগ্ৰেছ আৰু বিৰোধী শিবিৰে এনে স্থিতিৰ বিৰুদ্ধে ২৩ এপ্ৰিলত গুৱাহাটীত 'মহিলা আক্ৰোশ' শীৰ্ষক বিশাল প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। সংবাদমেলত সাংসদ বিজুলী কলিতা মেধিয়ে কয়, "ইতিহাসৰ পৃষ্ঠাত কংগ্ৰেছসহ বিৰোধীৰ মহিলা বিৰোধী স্থিতি ক'ন্দা আখৰেৰে লিপিবদ্ধ হৈ থাকিব। মহিলাই সমমৰ্যাদা বিচাৰে, সেই দিশে আমাৰ চৰকাৰ আগবাঢ়িছিল; কিন্তু বিৰোধীয়ে হ'বলৈ দিলেনে। বিৰোধীৰ বিকৃত মুখাখন নাৰী সমাজে মনত ৰাখিব।" মন্ত্ৰী অজন্তা নেওগে কয়, "১৭ এপ্ৰিল আমাৰ বাবে ক'লা দিন আছিল। আমি আমাৰ সপোন বাস্তৱ হ'ব বুলি বৈ আছিলোঁ; কিন্তু বিৰোধীয়ে হ'বলৈ দিলেনে। মহিলা হিচাপে কালি অপমানবোধ কৰিলোঁ। দ্ৰৌপদীৰ প্ৰতি কৰা অপমানে কৌৰৱৰ ধ্বংস আনিছিল। আমি মহিলাই এই অপমান নাপাহৰোঁ। মৰ্মাহত হৈছোঁ যদিও আমি ভাগি পৰা নাই।" সংবাদমেলত বিজেপিৰ ৰাজ্যিক নিৰ্বাচনী সহ প্ৰভাৰী দলপতি জাৰ্দোচ, অসম গণ পৰিষদৰ জ্যেষ্ঠ নেতা তথা সাংসদ ফণীভূষণ চৌধুৰী, বিপিএফৰ জ্যেষ্ঠ নেতা তথা মন্ত্ৰী চৰণ বড়ো, ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভা, ৰাজ্যিক বিজেপিৰ উপ-সভানেত্ৰী ৰেখাৰাণী দাস বড়ো আৰু মহিলা মৰ্চাৰ ৰাজ্যিক সভানেত্ৰী নীলিমা দেৱী উপস্থিত আছিল।

সংৰক্ষণৰ নামত কু-অভিসন্ধি ৰচাৰ বাবেই

বিজেপিয়ে কংগ্ৰেছৰ ওপৰত কলেজ দোষ জাপি দি নিজকে ধোৱা তুলসী পাত সজাই তুলিবলৈ চেষ্টা কৰা বুলি অভিযোগ কৰিছে প্ৰদেশ মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰ গোস্বামীয়ে। তেওঁ স্পষ্ট কৰি কয় যে, মহিলাৰ ৩৩ শতাংশ সংৰক্ষণৰ বিষয়ত বিজেপিয়ে বিৰোধীক মহিলা-বিৰোধী বুলি ৰং সানিব বিচাৰিছে, কিন্তু এই অভিযোগ সম্পূৰ্ণ মিছা। দেওবাৰে গুৱাহাটীৰ মানবেন্দ্ৰ শৰ্মা কমপ্লেক্সত অনুষ্ঠিত সংবাদমেলত মীৰা বৰঠাকুৰ গোস্বামীয়ে মহিলা সংৰক্ষণ বিধেয়কৰ প্ৰসংগত গুৰুত্বপূৰ্ণ মন্তব্য প্ৰকাশ কৰে। তেওঁ কয়, "২০২৩ চনৰ ছেপ্তেম্বৰ মাহত ৪৫৫টা চোটত কংগ্ৰেছ আৰু বিৰোধী দলে একেলগে মহিলাৰ ৩৩ শতাংশ আসন সংৰক্ষণৰ বিষয়টোক মোহৰ মাৰিছিল। কিন্তু বিজেপিয়ে তাত সমিষ্টি পুনৰ নিৰ্ধাৰণৰ এটা চৰ্ত জুৰি দি গোটেই বিষয়টোকে মেৰপেছৰ মাজত ৰাখিলে। আমাৰ প্ৰশ্ন—যিটো আইন ২০২৩ চনতে পাৰ হৈছিল, তাক কিয় এতিয়ালৈকে বলবৎ কৰা নহ'ল?" মীৰা বৰঠাকুৰ গোস্বামীয়ে বিজেপি চৰকাৰৰ 'মহিলা প্ৰীতি'ক প্ৰশ্নবিদ্ধ কৰি কয় যে, সংসদত বিজেপিৰ মহিলা সদস্যৰ অনুপাত মাত্ৰ ১২.০৯ শতাংশ, আনহাতে কংগ্ৰেছৰ ১৪.৯ শতাংশ। অসমৰ ক্ষেত্ৰতো বিগত লোকসভা নিৰ্বাচনত বিজেপিয়ে এগৰাকী মহিলা প্ৰাৰ্থী দিছিল, কিন্তু কংগ্ৰেছে দুগৰাকী দিছিল। এইবাৰ বিধানসভা নিৰ্বাচনত বিজেপিয়ে মাত্ৰ ছয়গৰাকী মহিলাক প্ৰাৰ্থিতু দিছে, আনহাতে কংগ্ৰেছে ১৩ গৰাকী মহিলাক প্ৰাৰ্থিতু প্ৰদান কৰিছে। তেওঁ লগতে উল্লেখ কৰে যে, পঞ্চায়তী ৰাজ ব্যৱস্থাত ৫০ শতাংশ মহিলা সংৰক্ষণৰ ফচল সম্পূৰ্ণ কংগ্ৰেছেৰেই আছিল। "৩৩ শতাংশ সংৰক্ষণৰ চিন্তাধাৰা কংগ্ৰেছৰেই। কিন্তু প্ৰধানমন্ত্ৰীয়ে ২৯ মিনিটৰ ভাষণত ৫০ বাৰতকৈও অধিকবাৰ কংগ্ৰেছৰ নাম লৈ দোষাৰোপ কৰিব বিচাৰিলে। তেওঁ নাৰী শক্তিৰ কথা কয় যদিও নাৰীৰ প্ৰতি ভক্তি নাই। নিজৰ ঘৰতে চিকুটি চালে গম পাব," বুলি তেওঁ মন্তব্য কৰে। মণিপুৰত মহিলাৰ ওপৰত হোৱা অত্যাচাৰ, প্ৰতিবাদকাৰী মহিলা মন্ত্ৰযোদ্ধাসকলৰ প্ৰতি দৃষ্টিভংগী আৰু অন্যান্য ঘটনাৰ উদাহৰণ দি মীৰা বৰঠাকুৰ গোস্বামীয়ে বিজেপি চৰকাৰক কঠোৰ সমালোচনা কৰে। তেওঁ কয়, "বিজেপিৰ মহিলা বন্দনা কেৱল কথাৰ মাজতে সীমাবদ্ধ। ইয়াপী তহবিলদাৰৰ মৃত্যুৰ খবৰ ল'বলৈও বিজেপিৰ সময় নহ'ল।" মহিলা সংৰক্ষণ বিধেয়কৰ আঁৰত বিজেপিৰ অভিসন্ধি আছে বুলি অভিযোগ কৰি তেওঁ কয়, "বিজেপিয়ে সমিষ্টি পুনৰ নিৰ্ধাৰণৰ জৰিয়তে ৮৫টা আসন সৃষ্টি কৰি হিন্দী বলয়ৰ ডাঙৰ ৰাজ্যসমূহত নিজৰ আধিপত্য বিস্তাৰ কৰিব বিচাৰিছে। সৰু ৰাজ্যসমূহক নিশকটীয়া কৰি হিন্দী বলয়ৰ মাজত নিজৰ শক্তি বৃদ্ধি কৰাৰ বাবেই মহিলা সংৰক্ষণৰ নামত এই কু-অভিসন্ধি ৰচা হৈছে। প্ৰকৃততে তেওঁলোকে মহিলা সংৰক্ষণ নিচিনাবে, কেৱল নিজৰ ৰাজনৈতিক স্বাৰ্থ সিদ্ধি কৰিব বিচাৰে।" তেওঁ আৰু কয় যে, এই কু-অভিসন্ধিৰ বাবেই বিজেপিয়ে মুখংকৈচোঁ খাব লগা হৈছে আৰু ২০২৯ চনত তেওঁলোকৰ আৰু বেছি ফাঁকি ওলাই পৰিব। "মহিলাৰ প্ৰতি বিজেপিৰ কোনো ভক্তি নাই। প্ৰধানমন্ত্ৰীয়ে নিজৰ গাত চিকুটি চাওক"—বুলি মীৰা বৰঠাকুৰ গোস্বামীয়ে মন্তব্য কৰে। সংবাদমেলত তেওঁ মহিলাৰ বিৰুদ্ধে হোৱা বিভিন্ন ঘটনাৰ প্ৰসংগ উত্থাপন কৰি বিজেপি চৰকাৰৰ নীতি-নিয়মক তীব্ৰ ভাষাৰে সমালোচনা কৰে।

তামিলনাডুৰ ফটকা কাৰখানাত

শক্তিশালী বিস্ফোৰণ সংঘটিত হৈছে। এই ভয়ংকৰ দুৰ্ঘটনাত ২২জন লোকৰ প্ৰাণহানি ঘটিছে। লগতে গুৰুতৰভাৱে আহত হোৱা ৬জন লোক বিৰুধুনগৰ চৰকাৰী চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়ত চিকিৎসাধীন হৈ আছে। আহতসকলৰ মাজত চাৰিজনৰ অৱস্থা সংকটজনক বুলি জনোৱা হৈছে। মৃত্যুৰ সংখ্যা আৰু বৃদ্ধি পোৱাৰ আশংকা কৰা হৈছে। ঘটনাস্থলীৰ পৰা প্ৰায় ১০ কিলোমিটাৰ দূৰলৈকে ফটকা বিস্ফোৰণৰ শব্দ শুনা গৈছিল। খবৰ লাভ কৰাৰ লগে লগে অগ্নিনিৰ্বাপক বাহিনী আৰু উদ্ধাৰকাৰী দল ঘটনাস্থলীত উপস্থিত হয় আৰু জুই নিয়ন্ত্ৰণ কৰি উদ্ধাৰ অভিযান আৰম্ভ কৰে। বিস্ফোৰণৰ সময়ত কাৰখানাটোত প্ৰায় ৩৩জন শ্ৰমিক কাম কৰি আছিল। বিস্ফোৰণৰ ফলত কাৰখানা ভৰনৰ কিছু অংশ ভাঙি পৰে। জিলা প্ৰশাসনৰ অনুমতি সাপেক্ষে চলি থকা এই কাৰখানাত ১০টাতকৈও অধিক ভিন্ন কোঠাত ৩০ জনতকৈ অধিক শ্ৰমিক নিয়োজিত আছিল। দুৰ্ঘটনাৰ দিনটো বন্ধৰ দিন হোৱাৰ বাবে কাৰখানা চৌহদৰ সমুখৰ বাধাপ্ত ফটকা নিৰ্মাণ আৰু কেঁচামাল চম্ভালাৰ কাম চলি আছিল বুলি অনুমান কৰা হৈছে। প্ৰাথমিক তদন্ত অনুসৰি সময়ত কাৰখানাটোত প্ৰায় ৬০জন শ্ৰমিক কাম কৰি আছিল। বিস্ফোৰণৰ ফলত কাৰখানা ভৰনৰ কিছু অংশ ভাঙি পৰে। জিলা প্ৰশাসনৰ অনুমতি সাপেক্ষে চলি থকা এই কাৰখানাত ১০টাতকৈও অধিক ভিন্ন কোঠাত ৩০ জনতকৈ অধিক শ্ৰমিক নিয়োজিত আছিল। দুৰ্ঘটনাৰ দিনটো বন্ধৰ দিন হোৱাৰ বাবে কাৰখানা চৌহদৰ সমুখৰ বাধাপ্ত ফটকা নিৰ্মাণ আৰু কেঁচামাল চম্ভালাৰ কাম চলি আছিল বুলি অনুমান কৰা হৈছে। প্ৰাথমিক তদন্ত অনুসৰি সময়ত কাৰখানাটোত প্ৰায় ৬০জন শ্ৰমিক কাম কৰি আছিল। মাত্ৰ কেইদিনমানৰ আগতে ভেম্বাকোট্টাই অঞ্চলতো আন এটা ফটকা কাৰখানাত বিস্ফোৰণত চাৰিজন লোকৰ মৃত্যু হৈছিল। তামিলনাডুৰ মুখ্যমন্ত্ৰী এম.কে. ষ্টেলিনে বিস্ফোৰণত প্ৰাণ হেৰুৱা লোকসকলৰ পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে। এটা বিবৃতিত তেওঁ কয়, "বিৰুধুনগৰ জিলাৰ কট্টনপট্টীৰ ফটকা কাৰখানাত সংঘটিত বিস্ফোৰণত বহু লোকৰ প্ৰাণ হেৰুৱাৰ খবৰ অতি দুখজনক। মৃতকসকলৰ পৰিয়াললৈ মোৰ গভীৰ সমবেদনা।" তেওঁ মন্ত্ৰী ৰামচন্দ্ৰন আৰু থাংগম থেয়াৰসুকক তৎক্ষণাত ঘটনাস্থলীলৈ যাই উদ্ধাৰ অভিযান তদাৰক কৰিবলৈ আৰু প্ৰভাৱিত পৰিয়ালসকলক সান্ত্বনা দিবলৈ অনুৰোধ জনাইছে। মুখ্যমন্ত্ৰীয়ে জিলা আয়ুক্তৰ সৈতে যোগাযোগ কৰি সকলো প্ৰয়োজনীয় সহায় আগবঢ়োৱাৰ নিৰ্দেশ দিছে। এই ঘটনাই তামিলনাডুত ফটকা কাৰখানাৰ সুবক্ষা আৰু নিয়ম-নীতিৰ বিষয়ে নতুনকৈ প্ৰশ্ন উত্থাপন কৰিছে। আৰক্ষীয়ে ঘটনাৰ বিষয়ে বিস্তৃত তদন্ত আৰম্ভ কৰিছে।

গুৱাহাটী উচ্চ ন্যায়ালয়ত

দাখিল কৰিম। আমাৰ ৫-৬ জনীয়া দলে জামিন আবেদন দাখিলৰ সমগ্ৰ প্ৰক্ৰিয়া তদাৰক কৰি আছে।" উল্লেখ্য যে, ৫ এপ্ৰিলত নতুন দিল্লীত অনুষ্ঠিত সংবাদমেলত এয়াইচিচিৰ মিডিয়া আৰু প্ৰচাৰ বিভাগৰ অধ্যক্ষ পৱন খেড়াই মুখ্যমন্ত্ৰী ড' হিমন্ত বিশ্ব শৰ্মাৰ পত্নী বিণিকি ভূঞা শৰ্মাৰ নামত একাধিক পাছপ'ৰ্ট আৰু বিদেশী সম্পত্তি থকাৰ অভিযোগ উত্থাপন কৰিছিল। তেওঁ দাবী কৰিছিল যে, এই তথ্যসমূহ ৯ এপ্ৰিলত অনুষ্ঠিত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ বাবে মুখ্যমন্ত্ৰীয়ে দাখিল কৰা নিৰ্বাচনী শপতনামাত ঘোষণা কৰা হোৱা নাছিল। এই অভিযোগ তীব্ৰভাৱে নাকচ কৰি বিণিকি ভূঞা শৰ্মাই সেইদিনা নিশাই পানবজাৰ ক্ৰাইমব্ৰাঞ্চত পৱন খেড়াৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে। সেই এজাহাৰৰ ভিত্তিত ক্ৰাইম ব্ৰাঞ্চত গোচৰ ৰুজু হয়। তেলেংগানা উচ্চ ন্যায়ালয়ে পৱন খেড়াক এসপ্তাহৰ বাবে অন্তৰ্বৰ্তীকালীন জামিন প্ৰদান কৰিছিল। কিন্তু অসম চৰকাৰে সেই অন্তৰ্বৰ্তীকালীন জামিনৰ প্ৰত্যাহ্বান জনাই উচ্চতম ন্যায়ালয়ত আবেদন কৰে। উচ্চতম ন্যায়ালয়ে তেলেংগানা উচ্চ ন্যায়ালয়ৰ জামিন নিৰ্দেশত স্থগিতাদেশ জাৰি কৰে আৰু পৱন খেড়াক অন্তৰ্বৰ্তীকালীন সকাহ দিবলৈ সাস্থীকাৰ কৰে। পৰবৰ্তী সময়ত পৱন খেড়াই উচ্চতম ন্যায়ালয়ৰ সেই স্থগিতাদেশৰ বিৰুদ্ধে পুনৰ আবেদন কৰে। কিন্তু শুকুৰবাৰে অনুষ্ঠিত শুনানিৰ অন্তত উচ্চতম ন্যায়ালয়ে খেড়াৰ আবেদনখন খাৰিজ কৰি দিয়ে আৰু তেওঁক অসমৰ আদালতত জামিন আবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। এই নিৰ্দেশৰ পিছতেই অসম প্ৰদেশ কংগ্ৰেছে সোমবাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ত পৱন খেড়াৰ জামিন আবেদন দাখিল কৰাৰ সিদ্ধান্ত লৈছে।

নিৰ্বাচনী দায়িত্বত থকা

কিণ্ডো বুলি চিনাক্ত কৰা হৈছে। নিহত শিক্ষকগৰাকীয়ে ৯ এপ্ৰিলত নিৰ্বাচনৰ দিনা সংবেদনশীল নিৰ্বাচনী দায়িত্বত নিয়োজিত হৈ থকাৰ সময়তে হঠাতে অসুস্থ হৈ পৰাৰ পাছতে মানুহৰ মৃত্যু হৈছে। ঘটনাক্ৰম অনুসৰি, কিণ্ডোৱে হাউবাঘাট বিধানসভা সমষ্টিৰ অন্তৰ্গত চাৰপা' কাথাৰ প্ৰাথমিক বিদ্যালয়ৰ ভোটকেন্দ্ৰত তৃতীয় পলিং বিষয়া হিচাপে দায়িত্ব পালন কৰি আছিল। কৰ্তব্যৰত অৱস্থাত তেওঁ নিজৰ শাৰীৰিক অসুস্থতাৰ কথা সহকৰ্মীসকলক অৱগত কৰিছিল আৰু তাৰ পিছৰ পৰাই তেওঁ নিৰুদ্দেশ হৈ পৰে। এই সন্দৰ্ভত বংবং আৰক্ষী থানাত এক নিৰুদ্দেশৰ গোচৰ পঞ্জীয়ন কৰা হৈছিল। আৰক্ষীয়ে ড্ৰোণৰ সহায়ত দীঘলীয়া অভিযান চলাইছিল যদিও তেওঁক বিচাৰি উলিয়াবলৈ সক্ষম হোৱা নাছিল। দেওবাৰে বংবঙৰ সমীপৱৰ্তী এক গভীৰ বনাঞ্চলত কাঠ সংগ্ৰহ কৰিবলৈ যোৱা স্থানীয় লোকৰ এটা দলে মৃতদেহটো প্ৰত্যক্ষ কৰি আৰক্ষীক খবৰ দিয়ে। আৰক্ষীৰ দল ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰে আৰু শিক্ষা বিভাগৰ বিষয়াসকলৰ জৰিয়তে মৃতদেহটো চিনাক্ত কৰে। কাৰ্বি আংলঙৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক পুষ্পৰাজ সিঙে জনোৱা মতে, প্ৰাথমিক তদন্তৰ ভিত্তিত কিণ্ডো কোনো স্নায়ুজনিত সমস্যাত ভুগি আছিল বুলি ধাৰণা কৰা হৈছে। সম্ভৱতঃ অসুস্থতাৰ বাবেই তেওঁ হাবিৰ ফালে গৈ জ্ঞান হেৰুৱাই পেলাইছিল। আৰক্ষীৰ মতে, বৰ্তমানলৈকে এই ঘটনাত কোনো অপৰাধমূলক কাৰ্যকলাপৰ ইংগিত পোৱা হোৱা নাই। মৃতদেহটো পচি যোৱাৰ বাবে মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদন অহাৰ পাছতহে মৃত্যুৰ প্ৰকৃত কাৰণ স্পষ্ট হ'ব বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে। পৰিয়ালৰ লোকক অৱগত কৰাৰ লগতে ঘটনাৰ সম্পূৰ্ণ তদন্ত প্ৰক্ৰিয়া অব্যাহত ৰখা হৈছে। আনহাতে, নিৰ্বাচনী ডিউটিত নিয়োজিত এজন কৰ্মচাৰী এনেদৰে নিৰুদ্দেশ হৈ অৱণ্যৰ মাজত মৃত অৱস্থাত উদ্ধাৰ হোৱা ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে।

মহিলা সংৰক্ষণ বিধেয়কক লৈ প্ৰধানমন্ত্ৰীয়ে ঘঁৰিয়ালৰ

বাকবিতণ্ডা তীব্ৰ হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিৰোধীক দোষাৰোপ কৰি ভাষণ দিয়াৰ বিপৰীতে কংগ্ৰেছে প্ৰধানমন্ত্ৰীক তীব্ৰ সমালোচনা কৰিছে। কংগ্ৰেছ নেত্ৰী তথা এআইচিচিৰ সামাজিক মাধ্যম আৰু ডিজিটেল প্লেটফৰ্মৰ অধ্যক্ষ সুপ্ৰিয়া শ্ৰীনাটেয়ে সংবাদমেলত কয়, "মহিলা সংৰক্ষণ বিধেয়ক বিফল হ'ল। প্ৰধানমন্ত্ৰীয়ে জাতিটোৰ ওপৰত ঠেলি দিব বিচৰা সমষ্টি পুনৰ নিৰ্ধাৰণ বিধেয়কহে বিফল হৈছে। মহিলা সংৰক্ষণ বিধেয়কক আশ্ৰয় লৈ প্ৰধানমন্ত্ৰীয়ে ঘঁৰিয়ালৰ চকুপানী টুকিছে।" তেওঁ স্পষ্ট কৰি কয় যে ২০২৩ চনৰ ২১ ছেপ্টেম্বৰত মহিলা সংৰক্ষণ বিধেয়কখন সংসদত সৰ্বসম্মতিক্ৰমে গৃহীত হৈছিল আৰু সেইটো এতিয়া সংবিধানৰ অংশ। কিন্তু প্ৰধানমন্ত্ৰীয়ে ইয়াৰ সৈতে সমষ্টি পুনৰ নিৰ্ধাৰণৰ চৰ্ত জুৰি দি গোটেই বিষয়টো জটিল কৰি তুলিছে। সুপ্ৰিয়া শ্ৰীনাটেয়ে প্ৰধানমন্ত্ৰী মোদীয়ে এটা কাৰ্টুন ছবিৰ জৰিয়তে ব্যাখ্যা দিয়াৰ উদাহৰণ দি কয়, "প্ৰধানমন্ত্ৰীয়ে ৫৪৩টা আমৰ টোপোলা লৈ আহিছে বুলি দেখুৱাইছে। তাৰ ভিতৰত ১৮১টা আম (৩৩ শতাংশ) দিবলৈ অস্বীকাৰ কৰিছে। কিন্তু ৮৫০টা আমলৈ বুকি কৰিলেহে তেওঁলোকে অংশ দিব পাৰিব বুলি কৈছে। বিৰোধীয়ে তেওঁক এই কাম কৰিবলৈ নিদিলে।" তেওঁ আৰু কয়, "যদি প্ৰধানমন্ত্ৰী সঁচাকৈয়ে মহিলা সংৰক্ষণৰ বিষয়টো লৈ চিন্তিত, তেন্তে তেওঁ সমষ্টি পুনৰ নিৰ্ধাৰণৰ চৰ্ত আঁতৰাই পেলাওক আৰু লোকসভাৰ ৫৪৩টা আসনৰ ভিতৰতে অনতিপলমে মহিলাসকলক সংৰক্ষণ দিয়ক।" প্ৰধানমন্ত্ৰীয়ে ভাষণত মহিলাসকলৰ ওচৰত ক্ষমা বিচাৰিব লাগিব বুলি কোৱাৰ প্ৰসংগত সুপ্ৰিয়া শ্ৰীনাটেয়ে কয়, "প্ৰধানমন্ত্ৰী সঠিক কথা কৈছে। তেওঁ দেশৰ মহিলাসকলৰ ওচৰত ক্ষমা বিচাৰিব লাগে। মণিপুৰত দুগৰাকী মহিলাৰ সৈতে হোৱা ঘটনা, হাথৰছ, উনাও, মহিলা অলিম্পিয়ানসকলৰ প্ৰতি দৃষ্টিভংগী, বিলকিছবানো গোচৰৰ দোষীসকলক সন্মান জনোৱা— এই সকলোতে প্ৰধানমন্ত্ৰীয়ে মৌনতা অৱলম্বন কৰিছে।" তেওঁ লগতে কয়, "আপুনি ঠিকেই কৈছে— নাৰীয়ে নিজৰ অপমান পাহৰিব নোৱাৰে। আপোনাতকৈ আৰু কোনে ভালকৈ জানে?" সুপ্ৰিয়া শ্ৰীনাটেয়ে প্ৰধানমন্ত্ৰী মোদীৰ বিৰুদ্ধে অতীতৰ কেইবাটাও মন্তব্য উল্লেখ কৰি কয় যে তেওঁ ছোনিয়া গান্ধীক 'কংগ্ৰেছৰ বিধৱা', এগৰাকী বিবাহিত মহিলাক '৫০ কোটি টকীয়া প্ৰেমিকা', এগৰাকী মহিলা সাংসদক 'শূৰ্পণখা'ৰ সৈতে তুলনা আৰু মমতা বেনাৰ্জীক 'দিদি অ' দিদি' বুলি উপহাস কৰিছে। তেওঁ বিজেপিৰ মহিলা প্ৰতিনিধিত্বৰ হিচাপ দি কয়, "২৪০ গৰাকী সাংসদৰ ভিতৰত মাত্ৰ ৩১ গৰাকী মহিলা (১২ শতাংশ)। সমগ্ৰ দেশৰ ১৬৫৪ গৰাকী বিধায়কৰ ভিতৰত মাত্ৰ ১৬৪ গৰাকী মহিলা (১০ শতাংশতকৈ কম)। ২১ গৰাকী মুখ্যমন্ত্ৰীৰ ভিতৰত বিজেপিৰ মাত্ৰ এগৰাকী মহিলা মুখ্যমন্ত্ৰীহে আছে।" কংগ্ৰেছ নেত্ৰীগৰাকীয়ে আৰু উল্লেখ কৰে যে বিজেপিৰ ৫ গৰাকী সাংসদৰ বিৰুদ্ধে ধৰ্ষণৰ অভিযোগ আছে আৰু ৫৪ গৰাকী সাংসদ-বিধায়কৰ বিৰুদ্ধে হত্যা আৰু ধৰ্ষণৰ দৰে গুৰুতৰ অভিযোগ আছে। তেওঁ সৌৰবই দিয়ে যে ১৯৮৯ চনত প্ৰয়াত ৰাজীৱ গান্ধীৰ নেতৃত্বত কংগ্ৰেছেই প্ৰথমে মহিলা সংৰক্ষণৰ প্ৰস্তাৱ আনিছিল, আনহাতে তেতিয়াৰ বিজেপি নেতা অটল বিহাৰী বাজপেয়ী, এল.কে. আদবানী আদিয়ে বিৰোধিতা কৰিছিল। সুপ্ৰিয়া শ্ৰীনাটেয়ে প্ৰধানমন্ত্ৰীক উদ্দেশ্যি কয় যে তেওঁ এতিয়া আত্মবিশ্বাস হেৰুৱাই পেলাইছে আৰু তেওঁৰ ভৰিৰ তলৰ মাটি খহি পৰিছে। কংগ্ৰেছে তেওঁক সদায় সৌৰবই দিব যে নাৰীৰ আঁৰত লুকাই বিভাজনকাৰী এজেণ্ডা আগবঢ়োৱা সম্ভৱ নহয়।

এজাক বৰষুণতে মহাসাগৰলৈ

ৰাজপথ আৰু উপ-পথ একাঠু বা একঁকাল পানীৰে ভৰি গৈছে। ফলত যান-বাহন চলাচল একেবাৰে ব্যাহত হৈ পৰিছে আৰু ঘণ্টাৰ পিছত ঘণ্টা ধৰি বহু যান-বাহন ৰাজপথতে আবদ্ধ হৈ ৰৈছে। এই প্ৰতিকূল পৰিস্থিতিত বহু লোকে কৰ্মস্থলীতে দুপৰ নিশালৈকে আবদ্ধ হৈ থাকিবলগীয়া হৈছে। মালিগাঁৱত এগৰাকী যুৱতী কৃত্ৰিম বান্দৰ মাজত উন্মুক্ত নালাত সোমাই সন্ধানহীন হোৱাৰ খবৰ পোৱা গৈছে। এছডিআৰএফ আৰু প্ৰশাসনৰ দল উদ্ধাৰ অভিযান চলাই থকা বুলি জানিব পৰা গৈছে। পৰিস্থিতিৰ গুৰুত্ব বিবেচনা কৰি কামৰূপ মহানগৰ জিলা প্ৰশাসনে তৎকালীনভাৱে এক জৰুৰী আদেশ জাৰি কৰিছে। ২০ এপ্ৰিল (সোমবাৰ) তাৰিখে গুৱাহাটী পৌৰ নিগম এলেকাৰ ভিতৰত থকা সকলো চৰকাৰী আৰু বেচৰকাৰী শিক্ষানুষ্ঠান বন্ধ ৰখাৰ সিদ্ধান্ত লোৱা হৈছে। কামৰূপ মহানগৰ জিলা আয়ুক্ত তথা জিলা দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষৰ অধ্যক্ষ স্বপ্নীল পালে জাৰি কৰা এই জৰুৰী নিৰ্দেশনাত উল্লেখ কৰা হৈছে যে, ১৯ এপ্ৰিল দেওবাৰে হোৱা ধাৰাসাৰ বৰষুণৰ ফলত মহানগৰীৰ বিভিন্ন স্থানত পানী জমা হৈ জনজীৱন ব্যাহত হৈছে। শিক্ষাথী, শিক্ষক আৰু কৰ্মচাৰীসকলৰ সুৰক্ষাৰ কথা বিবেচনা কৰি এই সিদ্ধান্ত লোৱা হৈছে। প্ৰশাসনে নাগৰিকসকলক অতি সাৱধানতা অৱলম্বন কৰিবলৈ আহ্বান জনাইছে। অতি দৰকাৰী নহ'লে ঘৰৰ বাহিৰলৈ ওলাই নাযাবলৈ পৰামৰ্শ দিয়া হৈছে। লগতে কৃত্ৰিম বানত কবলিত অঞ্চলসমূহত উদ্ধাৰ আৰু সাহায্য ব্যৱস্থা কৰা হৈছে বুলিও জনোৱা হৈছে। দেওবাৰে সন্ধিয়াৰ এজাক মুষলধাৰ বৰষুণে চৌদিশে আউল লগাই দিয়াৰ লগে লগে হাতীগাঁও, ৰুক্মিণীগাঁও, অনিল নগৰ, নবীন নগৰ, গণেশগুৰি, ছয়মাইল, অম্বিকাগিৰী নগৰ, জুৰোড, কাহিলীপাৰা, জটিয়া আদি অঞ্চলত পানী উঠি দুৰ্যোগপূৰ্ণ পৰিস্থিতিৰ সৃষ্টি হৈছে। মহানগৰবাসীৰ মাজত হাহাকাৰ পৰিস্থিতিৰ উদ্ভৱ হৈছে। প্ৰশাসনে নাগৰিকসকলক সকলো ধৰণৰ সাৱধানতা অৱলম্বন কৰি সহযোগিতা আগবঢ়াবলৈ আহ্বান জনাইছে। পৰিস্থিতিৰ ওপৰত নজৰ ৰখা হৈছে আৰু প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

পৱন খেড়াৰ বিৰুদ্ধে জামিনবিহীন গ্ৰেপ্তাৰী

যোৱা ৭ এপ্ৰিলত গ্ৰহণ কৰিছিল। সেই নিৰ্দেশৰ প্ৰতিলিপি দেওবাৰে সংবাদ মাধ্যমৰ সৈতে ভাগ-বতৰা কৰা হৈছে। মুখ্য ন্যায়িক দণ্ডাধীশে স্পষ্টভাৱে কৈছে যে, তদন্তকাৰী বিষয়াই (IO) জামিনবিহীন পৰোৱানা জাৰি কৰাৰ বাবে উল্লেখ কৰা ভিত্তিসমূহ কেৱল অনুমান আৰু জল্পনা-কল্পনাৰ ওপৰত ভিত্তি কৰি ৰচিত হৈছে আৰু ঐকৰ্তত থকা কোনো সাক্ষ্যৰ দ্বাৰা সমৰ্থিত নহয়। আদেশত আদালতে লিখিছে, "তদুপৰি যিহেতু এই গোচৰটো জ্ঞাত আৰু অপৰাধটো জামিনবিহীন প্ৰকৃতিৰ, সেয়েহে সুপ্ৰীম কৰ্ট'ৰ নিৰ্দেশনা অনুসৰি তদন্তৰ উদ্দেশ্যে প্ৰয়োজনীয় বুলি বিবেচিত হ'লে BNSSৰ ৩৫ নং ধাৰা অনুসৰি গ্ৰেপ্তাৰ কৰাৰ পূৰ্ণ ক্ষমতা তদন্তকাৰী বিষয়াৰ হাতত হৈতিমতে আছে।" আদালতে আৰু কৈছে যে, উ

অমৃত ফাউণ্ডেশ্বন্‌ট্ৰাষ্টৰ জৰিয়তে চাৰিখন পঞ্চায়তলৈ দুখনকৈ এম্বুলেঞ্চ প্ৰদান

সৰুপথাৰৰ সমাজকৰ্মী অমৃত কুমাৰ বুঢ়াগোঁহাইৰ মহানুভৱতা

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, সৰুপথাৰ, ১৯ এপ্ৰিল ঃ সৰুপথাৰ সমজিলাৰ কৰ্জেঙৰি অঞ্চলৰ বাসিন্দা তথা সমাজকৰ্মী অমৃত কুমাৰ বুঢ়াগোঁহাইয়ে বিভিন্ন সময়ত সৰুপথাৰ অঞ্চলত বিভিন্ন সামাজিক কামকাজ কৰাৰ লগতে আৰ্তজনক সহায়ৰ হাত আগবঢ়াই গৈছে। আজি অমৃত কুমাৰ বুঢ়াগোঁহাইয়ে তেখেতৰ পিতৃ-মাতৃৰ বাৰ্ষিক শ্ৰাদ্ধৰ পবিত্ৰ দিনটোত তেখেতৰ অমৃত ফাউণ্ডেচন ট্ৰাষ্টৰ জৰিয়তে নিজ ঘৰৰ চোতালতে এক আনুষ্ঠানিকতাৰ মাজেৰে সৰুপথাৰ সমষ্টিৰ চাৰিখনকৈ পঞ্চায়তৰ ৰাই জৰ সুবিধাৰ্থে দুখনকৈ এম্বুলেঞ্চ প্ৰদান কৰে। ৰাইজক দিয়া প্ৰতিশ্ৰুতি অনুসৰি অমৃত কুমাৰ বুঢ়াগোঁহাইয়ে তেখেতৰ মাতৃ স্বৰ্গীয়া ভোগাদ বৰা বুঢ়াগোঁহাইৰ সোঁৱৰণত টেঙানী-চাংপুল পঞ্চায়তৰ বাবে এখন আৰু গেলাবিল আৰু প্ৰেমহৰা পঞ্চায়তৰ বাবে এখন এম্বুলেঞ্চ প্ৰদান কৰে। গেলাবিল আৰু প্ৰেমহৰা পঞ্চায়তৰ বাবে প্ৰদান কৰা এম্বুলেঞ্চখন সমাজকৰ্মী অমৃত কুমাৰ বুঢ়াগোঁহাইৰ মোমায়েক লক্ষেশ্বৰ বৰাই ফিতা কাটি টেঙেৰাজান শংকৰী সংগীত বিদ্যালয়ৰ সম্পাদক শান্তনু গগৈ আৰু অধ্যক্ষ অমৰপ্ৰাণ চাংমাইৰ হাতত চাবি অৰ্পণ কৰে। আনহাতে টেঙানী-চাংপুল পঞ্চায়তলৈ প্ৰদান কৰা এম্বুলেঞ্চখন অমৃত কুমাৰ বুঢ়াগোঁহাইৰ মাহীয়েক সৰুমাই বৰুৱাই ফিতা কাটি টেঙানী-চাংপুল ঐকামঞ্চৰ বিষয়ৰবীয়া প্ৰোৰকান্ত বৰা আৰু সীমান্ত সোণোৱালৰ হাতত চাবি অৰ্পণ কৰে। উক্ত অনুষ্ঠানৰ মঞ্চিয়াতে বৰপথাৰৰ বিশিষ্ট চিকিৎসক ড' হিৰণ শৰ্মাক চিকিৎসা বিভাগত নিৰন্তৰ সেৱা আগবঢ়াই তহাৰ স্বীকৃতি স্বৰূপে সমাজকৰ্মী অমৃত কুমাৰ বুঢ়াগোঁহাইয়ে বিশেষ সম্বৰ্ধনা আগবঢ়াই। অমৃত কুমাৰ বুঢ়াগোঁহাইয়ে তেখেতৰ পিতৃ-মাতৃৰ বাৰ্ষিক শ্ৰাদ্ধৰ পবিত্ৰ দিনটোত তেখেতৰ অমৃত ফাউণ্ডেচন ট্ৰাষ্টৰ জৰিয়তে নিজ ঘৰৰ চোতালতে এক আনুষ্ঠানিকতাৰ মাজেৰে সৰুপথাৰ সমষ্টিৰ চাৰিখনকৈ পঞ্চায়তৰ ৰাই জৰ সুবিধাৰ্থে দুখনকৈ এম্বুলেঞ্চ প্ৰদান কৰে। ৰাইজক আৱেগিক হৈ পৰে আৰু ৰাইজৰ সন্মুখত চকুলো টুকি সকলোকে ধন্যবাদ জ্ঞাপন কৰে। বৰ্তমান সময়ত সমাজ কৰ্মী অমৃত কুমাৰ বুঢ়াগোঁহাই অঞ্চলটোৰ দৰিদ্ৰ জনতাৰ বাবে অভিভাৱক স্বৰূপ হৈ পৰিছে আৰু বিভিন্ন সময়ত সমাজৰ সৰ্বাঙ্গীণ উন্নয়নৰ স্বাৰ্থত নিজৰ গাঁথিৰ ধন ভাঙি সামাজিক কাম কৰি গৈছে। বৰ্তমান সময়লৈকে তেখেতে বহু সংখ্যক দৰিদ্ৰ ব্যক্তিক সহায়ৰ হাত আগবঢ়োৱাৰ লগতে আৰ্থিকভাৱে দুৰ্বল ছাত্ৰ-ছাত্ৰীক সহায় কৰি আগুৱাই নিছে।

১৫,৯৯৯ গৰাকী আয়তীৰ কণ্ঠৰ বিয়ানামেৰে বিশ্ব অভিলেখ

দুলীয়াজানৰ নেহৰু ময়দানত বিৰল ইতিহাস

অসম বাৰ্তা, দুলীয়াজান, ১৯ এপ্ৰিল ঃ অসমীয়া সমাজ জীৱনৰ অবিচ্ছেদ্য অংগ তথা বৰ্তমান আধুনিকতাৰ গ্ৰাসত পৰি প্ৰায় লুপ্ত হ'বলৈ ধৰা 'বিয়ানাম'ক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাৰ লক্ষ্যৰে আজি তৈলনগৰী দুলীয়াজানত এক বিৰল ইতিহাস ৰচিত হয়। দুলীয়াজানৰ অইল ইণ্ডিয়াৰ নেহৰু ময়দানত আজি একেলগে ১৫,৯৯৯ গৰাকী আয়তীয়ে সমবেত বিয়ানাম পৰিবেশন কৰি এক অভাৱনীয় পৰিবেশৰ সৃষ্টি কৰাৰ লগতে বিশ্ব অভিলেখৰ দিশে এক বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰে। দুলীয়াজান সমজিলা আয়তী সাংস্কৃতিক গোষ্ঠী আৰু শিৱসাগৰ জিলা সুৰুযমুখী সন্মিলিত সাংস্কৃতিক শিল্পী সমাজৰ যুটীয়া উদ্যোগত তথা বৃহত্তৰ

দুলীয়াজানবাসী ৰাইজৰ পূৰ্ণ সহযোগিতাত এই বিশাল অনুষ্ঠানটোৰ আয়োজন কৰা হয়। হেৰাই যাব খোজা অসমীয়া চহকী লোক-পৰম্পৰাক নৱপ্ৰজন্মৰ মাজত জীয়াই ৰখাৰ এক মহৎ উদ্দেশ্য আগত ৰাখিয়েই আয়োজক সমিতিয়ে এই পদক্ষেপ গ্ৰহণ কৰে বুলি জানিবলৈ দিয়ে। আজি পুৱা ৯ বজাত প্ৰকৃতিপ্ৰেমী চেনেহী গগৈৰ দ্বাৰা বৃক্ষৰোপণেৰে দিনজোৰা কাৰ্যসূচীৰ আনুষ্ঠানিক শুভাৰম্ভ কৰা হয়। ইয়াৰ পাছতে পুৱা ৯: ৩০ বজাত জ্যেষ্ঠ সমাজসেৱিকা অৰুণা হাজৰিকাই বন্তি প্ৰস্তুতন কৰাৰ লগতে ১০ বজাত দুলীয়াজান ছোৱালী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা লক্ষিমী ফুকনে মূল মঞ্চ উদ্বোধন কৰে। পুৱা ১০: ৩০ বজাত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ সম্বৰ্ধনা অনুষ্ঠানত সমাজলৈ বিশেষ অৱদান আগবঢ়োৱা সৰুকণ বৰা, শুভদ্ৰা গোস্বামী আৰু তইল ইণ্ডিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা কৰুণা বৰুৱা কছাৰীক উষ্ণ সম্বৰ্ধনা জনোৱা হয়। দিনৰ ১১ বজাৰ লগে লগে নেহৰু ময়দানৰ আকাশ-বতাহ ১৫ হাজাৰৰো অধিক আয়তীৰ উৰুলী আৰু সুৰদি সুৰৰ বিয়ানামেৰে মুখৰিত হৈ পৰে। বিশ্ব অভিলেখ গঢ়াৰ এই ঐতিহাসিক ক্ষণত সাক্ষী হিচাপে উপস্থিত থাকি উত্তৰ-পূব মাণ্ডলিক সাংস্কৃতিক কেন্দ্ৰৰ (NEZCC) সঞ্চালক প্ৰসন্ন গগৈ, বিশিষ্ট অভিনেত্ৰী চেতনা দাস, অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সঞ্চালক বাহুল চন্দ্ৰ দাস, অইলৰ কাৰ্যবাহী সঞ্চালক মাধুৰ্য বৰুৱা আৰু

অসমৰ পৰা পৱিত্ৰ মক্কা-মদিনালৈ ৰাওনা হ'ব ২৫৬৯ গৰাকী হজযাত্ৰী

অসম বাৰ্তা, ডিব্ৰুগড়, ১৯ এপ্ৰিল ঃ পৱিত্ৰ হজব্ৰত কৰাৰ উদ্দেশ্যে আজি(১৮-৪-২০২৬) ডিব্ৰুগড়ৰ পৰা মুঠ ৩৯ গৰাকী হজযাত্ৰী গুৱাহাটীলৈ ৰাওনা হয় আৰু তাৰ পৰা পোনে পোনে হজত্ৰত কৰাৰ উদ্দেশ্যে মক্কা মদিনালৈ বিমান যোগে যাব। মুঠ ৩৯ গৰাকী হজযাত্ৰীৰ ভিতৰত ২৩ গৰাকী পুৰুষ আৰু ১৬ গৰাকী মহিলা। এই উদ্দেশ্যে আজি ডিব্ৰুগড়ৰ বাণীপুৰ ৰেল ষ্টেচনত হজযাত্ৰী সকলোক বিদায় দিবলৈ তেওঁলোকৰ আত্মীয় স্বজন আৰু শুভাকাংক্ষী সকলে বিদায় দিয়ে। অশ্ৰুসিক্ত নয়নেৰে শেষ বিদায়ত বিশ্ব শান্তিৰ বাবে, দেশৰ, দহৰ বাবে প্ৰাৰ্থনা কৰে। কেন্দ্ৰীয় হজ কমিটিৰ অধ্যক্ষ, অধিবক্তা নেকিবুজ্জামানে জানিবলৈ দিয়া মতে এইবাৰ অসমৰ পৰা মুঠ ২,৫৬৯ গৰাকী হজযাত্ৰী যাব। লগতে হজযাত্ৰী সকলক সহায়ৰ বাবে চৰকাৰে ১৬ গৰাকী খাদেমুল হুজ্জাজ হিচাপে পঠিয়াইছে। অসমৰ কিছুমান হাজী নিজৰ সুবিধাৰ বাবে দিল্লী, মুম্বাই আৰু কলকাতাৰ পৰা উৰণ যোগে যাব। এইবাৰৰ পৰা ভাৰত চৰকাৰে সুবিধা দিছে যে তেওঁলোকে ইচ্ছা কৰিলে ২০ দিনতে হজ সমাপন কৰি আহিব পাৰিব। অৱশ্যে অতিৰিক্ত ভাৱে তিনি চাৰি লাখ টকা খৰচ পৰিব। এগৰাকী হজযাত্ৰীয়ে জানিবলৈ দিয়ে যে এইবাৰ একোজন যাত্ৰীৰ বাবে মুঠ খৰচ পৰিছে প্ৰায় ৮ লাখ ২৩ হাজাৰ টকাকৈ আৰু খোৱা-বোৱা বাবদ অতিৰিক্ত ১ লাখ ২০ হাজাৰকৈ টকা দিব লাগিব। হজযাত্ৰীসকলে জানিবলৈ দিয়ে যে পূৰ্বতে ভাৰতীয় টকা চৌদি আৰবৰ ৰিয়েলনৈ সলনি কৰাৰ বাবে দুলীয়াজান এছ বি আইৰ ফালৰ পৰা কৰা হৈছিল যদিও এই বছৰ তেওঁলোকে বিষ, ইলেকচন আদিৰ বাবে গুৱাহাটীৰ পৰা ৰিয়েল সংগ্ৰহ কৰিব নোৱাৰিলে। তাৰ পৰিবৰ্তে গুৱাহাটীতে এই টকা পৰিবৰ্তন কৰিব পাৰিব বুলি কয়, যাৰ কাৰণে হজযাত্ৰীখিনিৰ অত্যন্ত হাবাশাস্তি হৈছে আৰু তেওঁলোকে ক্ষোভ প্ৰকাশ কৰাৰ লগতে হজ কমিটীৰ ওপৰত অভিযোগ উত্থাপন কৰিছে যে হজ কমিটিয়ে এইবোৰ আগতে সমাধান কৰিব লাগিছিল। ডিব্ৰুগড়ৰ পৰা যোৱা হাজী সকলে গুৱাহাটীৰ পৰা ভিছা, পাছপোৰ্ট আদি সংগ্ৰহ কৰাৰ লগতে টকা সলনি কৰিব লাগিব গতিকে এজন মানুহৰ কিমান কষ্ট হব সেয়া সহজে অনুমেয়। হাজী সকলে গুৱাহাটীৰ পৰা চৌদি আৰবৰ মদিনালৈ ইণ্ডিয়ান এয়াৰ লাইনছৰ বিমানেৰে ৰাওনা হ'ব। ডিব্ৰুগড়ৰ যাত্ৰী সকলে গুৱাহাটীৰ পৰা মদিনালৈ ৰাওনা হ'ব অহা ২০ এপ্ৰিলৰ পৰা। প্ৰথম দিনাখন ৩২৪ জন, একে তাৰিখতে ৩২৪ জন, ২১ এপ্ৰিলত যাব ৩২৪ জন, ২২ এপ্ৰিলত ৩২৪জন আৰু শেষত দিনাখন যাব ২১৫ জন। মুঠ পাঁচ দিনত গুৱহাটীৰ পৰা যাব ২, ৫৬৯জন হজযাত্ৰী। ইয়াবে ৪জন, ২১ এপ্ৰিলত যাব ৩২৪ জন, ২২ এপ্ৰিলত ৩২৪জন আৰু শেষত দিনাখন যাব ২১৫ জন। মুঠ পাঁচ দিনত গুৱহাটীৰ পৰা যাব ২, ৫৬৯জন হজযাত্ৰী। ইয়াবে ৪জন মহিলা-৮০৬গৰাকী হজযাত্ৰী যাব বুলি কেন্দ্ৰীয় হজ কমিটিৰ অধ্যক্ষ আলহজ নেকিবুজ জামানে জানিবলৈ দিয়ে। অধ্যক্ষ জামানে আৰু জানিবলৈ দিয়ে যে হজযাত্ৰী সকল ৪৬ দিন মক্কা আৰু মদিনাত হজব্ৰত সমাপণ কৰাৰ পাছত অহা ৪ জুনত নিজ গৃহলৈ প্ৰত্যাবৰ্তন কৰিব আৰু তেওঁলোকে জিদ্দা আন্তৰ্জাতিক বিমান বন্দৰৰ বিমানেৰে গুৱাহাটীলৈ আহিব। দুই আৰু চাৰি জুনৰ পৰা দুখনকৈ বিমানত ৩২৪ গৰাকীকৈ হজযাত্ৰী, চাৰি জুনতো দুখনকৈ বিমানত আহিব ৩২৪ জনকৈ আৰু শেষৰ দিনা ২১৫ গৰাকী আহিব। উল্লেখযোগ্য যে ২০২৫ চনত ডিব্ৰুগড়ৰ পৰা হজযাত্ৰী গৈছিল মুঠ ২৭ গৰাকী। অসমৰ হাজীসকলক প্ৰশিক্ষণ দিয়াৰ বাবে আঠ গৰাকী প্ৰশিক্ষক মুম্বাইৰ পৰা প্ৰশিক্ষণ লৈ আহে। এই বছৰ হজযাত্ৰী সকলক সুকলমে ডিব্ৰুগড়ত প্ৰশিক্ষণ দিয়াৰ লগতে ছিটা আদি দিয়াৰ কথা ব্যক্ত কৰে ডিব্ৰুগড় হজ কমিটিৰ যুটীয়া সম্পাদক চৌকত লতিফ আৰু উদ্যোক্তা সকলে। ডিব্ৰুগড়ত আলহজ শেখ মহম্মদ ছাম্পিৰুল হকে প্ৰশিক্ষণ দিয়ে। আজি ৰেল ষ্টেচনত হজযাত্ৰী সকলক ফুলাম গামোচাৰে সম্বৰ্দ্ধনা জনায় গ্ৰাহাম বজাৰ ৰিনাইশানছ ক্লাবে।

৫ যুৱকক সোধ-পোচৰ বাবে আটক, তদন্ততহে ওলাব হত্যা নে আত্মহত্যা

পেঙেৰীত চাঞ্চল্য; সন্দেহজনক অৱস্থাত উদ্ধাৰ চিপজৰীত উলমি থকা এজন কিশোৰৰ মৃতদেহ

অসম বাৰ্তা বিশেষ, পেঙেৰী, ১৯ এপ্ৰিল ঃ ৰঙালীৰ আনন্দ-উলাহৰ মাজতে পেঙেৰীত সংঘটিত হৈছে এক চাঞ্চল্যকৰ ঘটনা। ঘটনাটো আচলতে হত্যা নে আত্মহত্যা সেই লৈও প্ৰশ্নৰ উদ্ৰেক ঘটিছে। ঘটনাৰ বিৱৰণি অনুসৰি তিনিচুকীয়া জিলাৰ পেঙেৰী থানাৰ অন্তৰ্গত টেকেৰী মাজু লিম্বিত 'অমৃত সৰোবৰ' আঁচনিৰ পুখুৰীৰ পাৰত নিৰ্মাণ কৰি থোৱা এটা জিবণি কক্ষত স্থানীয় চন্দ্ৰ বড়াৰ পুত্ৰ মিলনজ্যোতি বড়া(১৫) নামৰ কিশোৰজনক চিপজৰী লৈ ওলমি থকা অৱস্থাত আজি পুৱা উদ্ধাৰ কৰা হয়। ৰহস্যজনকভাৱে চিপ লোৱা অৱস্থাত কিশোৰৰ মৃতদেহ উদ্ধাৰক কেন্দ্ৰ কৰি ঘটনাস্থলীত আজি পুৱা উত্তেজনাপূৰ্ণ পৰিস্থিতিৰ সৃষ্টি হয়। চিপ লোৱাৰ সন্দেহজনক প্ৰক্ৰিয়াই স্বাভাৱিকতেই চাঞ্চল্যকৰ পৰিস্থিতিৰো সৃষ্ট কৰিছে। জানিব পৰা মতে কালি সন্ধিয়া পৰত ঘৰৰ পৰা ৰুঁচৰি গাবলৈ ওলাই যোৱা গাঁওখনৰ মিলনজ্যোতি বড়া পুৱা সৌশৰীৰে ঘৰলৈ উভতি যোৱাৰ পৰিবৰ্তে মৃত অৱস্থাত উদ্ধাৰ হয়। আজি পুৱা স্থানীয় সুখেন মৰাণে গাঁৱৰ চৰকাৰী অমৃত সৰোবৰ আঁচনিৰে খন্দা এটা পুখুৰীৰ পাৰত থকা জিবণি গৃহত চিপজৰী লৈ ওলমি থকা অৱস্থাত প্ৰত্যক্ষ কৰি পৰিয়ালক খবৰ দিয়ে। ঘটনাৰ খবৰ বিয়পি পৰাৰ লগে লগে গাঁওখনত সৃষ্টি হয় এক হুৱাদুৱাৰ পৰিস্থিতি। ঘটনাটো যোৱা নিশাই সংঘটিত হোৱা বুলি গাঁওবাসীয়ে স্পষ্ট কৈ ঘটনা সম্বন্ধত স্থানীয় পেঙেৰী আৰক্ষীক অৱগত কৰা হয়। যথা সময়ত আৰক্ষীৰ লোক আহি পায়হি যদিও দণ্ডাধীশ অহাত পলম হোৱাৰ পৰিপ্ৰেক্ষিতত এক উত্তেজনাময় পৰিৱেশৰ সৃষ্টি হয়। পাছত মাৰ্ঘেৰিটাৰ পৰা অহা দণ্ডাধীশ অলকেশ বৰদলৈৰ উপস্থিতিত মৃতদেহ উদ্ধাৰ কৰি পেঙেৰী থানালৈ লৈ যোৱা হয়। পাছত মৰণোত্তৰ পৰীক্ষাৰ বাবে মৃতদেহ মাকুমলৈ প্ৰেৰণ কৰা হয়। পৰিয়ালৰ লোক আৰু প্ৰত্যক্ষদৰ্শীয়ে ঘটনাটোক আত্মহত্যাৰ পৰিবৰ্তে হত্যাকাণ্ড বুলিহে দাবী কৰিছে। কোনো দুৰ্বৃত্তই হত্যা কৰি আত্মহত্যাৰ ৰূপ দিবলৈ উক্ত ঘৰটোত চিপজৰী লগাই থোৱা হ'ল বুলি দাবী কৰিছে পৰিয়ালৰ লোকে। ঘটনা সংক্ৰান্তত পেঙেৰীৰ আৰক্ষীয়ে সোধা-পোছাৰ বাবে মৃতকৰ ৫ গৰাকী সমবয়সৰ সতীৰ্থক আটক কৰি নিজস্ব অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে। জনামতে আটকাধীন যুৱক এজনে জাবানবন্দীত আৰক্ষীৰ ওচৰত জনৈক দিহিউয়াৰ নাম উচ্চৰণ কৰিছে। তেওঁৰ কন্যাৰ সতে অব্যাহত থকা প্ৰেমৰ সম্পৰ্ক এবাই চলিবলৈ হেনো কিশোৰজনক হেঁচা প্ৰয়োগ কৰিছিল দিহিউয়াই। ইফালে প্ৰত্যক্ষদৰ্শীৰ মতে এখন চাদৰ (নিজৰ) আৰু এখন গামোচা (অজ্ঞাত)-কৈ চিপ লোৱা কিশোৰজনৰ ভৰি দুখন মজিয়াত স্পৰ্শ কৰা অৱস্থাত উদ্ধাৰ হোৱাৰ উপৰি ডিঙিৰ গাঁঠিটোকলৈও সন্দেহৰ ধল আছে। আনহাতে মৃতকৰ ডিঙিটোৰ শিথিলতাও হত্যাৰ সন্দেহকেই ঘনীভূত কৰে। বাতৰি যুগুতাই থকা সময়লৈকে ধৃত যুৱককেইজনক মুকলি কৰি দিয়া নাই। পেঙেৰী থানাৰ আঁচি ৰাহুল বৰাই এই প্ৰতিবেদকক জনোৱা মতে সোধা-পোচা অব্যাহত ৰখা হৈছে। আৰক্ষীৰ তদন্ত আৰু মৰণোত্তৰ পৰীক্ষাৰ পাছতহে ঘটনাটোৰ প্ৰকৃত তথ্য পোহৰলৈ আহিব।

বংগ কন্যা মৰ্মিতা মিত্ৰৰে চুক্তি বাতিল তালাপ ৰাজহুৱা ৰঙালী বিহু সন্মিলনীৰ

অহা ১ মে'ত আছিল কণ্ঠশিল্পী গৰাকীৰ সঙ্গীতানুষ্ঠান

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ১৯ এপ্ৰিল ঃ বহাগৰ বতৰত সকলোৰে গা সাতখন আঠখন। বাপতি সাহোন ৰঙালী বিহুৰ আজি পঞ্চমটো দিন। ঢোল-পেঁপাৰ মাতত একপ্ৰকাৰ ৰঙনজনেই উঠিছে ৰাজ্যৰ আকাশ-বতাহ। বিভিন্ন জাতি-জনগোষ্ঠীৰ পৱিত্ৰ মিলনভূমি অসমত এতিয়া চৌদিশে কেৱল ৰঙালীৰ আনন্দ। ৰঙালীৰ আনন্দত এতিয়া সকলো মতলীয়া-মঞ্চগুল। পুৰতি নিশালৈকে চোতালত ডেকাইঁতে বিহুৰ ৰুঁচৰি জুৰিছে। মঞ্চত শিল্পীসকলে পৰিৱেশন কৰিছে এখন পাছত আন এখন সংগীতানুষ্ঠান। এনেহেন বহাগৰ বতৰত প্ৰাণৰ শিল্পী, হাৰ্টথ্ৰৱ জুবিন গাৰ্গৰ গীত বিকৃত ৰূপত পৰিৱেশন কৰি একপ্ৰকাৰ বিপদত পৰিছে বংগ কন্যা তথা কণ্ঠশিল্পী মৰ্মিতা মিত্ৰ। শেহতীয়াকৈ বিহুৰ অনুষ্ঠানত মৰ্মিতাই জুবিন গাৰ্গৰ বাঁহী বাঁহী শীৰ্ষক গীতটি মূলত সুৰৰ বিপৰীতে নিজস্বঃ সুৰাৰোপ কৰাৰ লগতে গায়নশৈলীৰ লৈও নাৰাজ হৈ পৰিছে জুবিনপ্ৰেমীৰ লগতে ৰাজ্যৰ সাংস্কৃতিক মহল। ইতিমধ্যে গায়িকা মৰ্মিতা মিত্ৰৰ বিৰুদ্ধে কেই বাগৰাকী শিল্পীৰ লগতে সচেতন মহলে নিজ নিজ প্ৰতিক্ৰিয়া ব্যক্ত কৰা পৰিলক্ষিত হৈছে। সমান্তৰালকৈ বংগ কন্যা মৰ্মিতাৰ বিৰুদ্ধে থানাই থানাই এজাহাৰ দাখিলৰ ঘটনা সংঘটিত হৈছে। গায়িকা গৰাকীৰ বিৰুদ্ধে ৰাজ্যৰ প্ৰতিটো প্ৰান্তৰৰ লোক ক্ষোভিত হৈ পৰিছে। ইতিমধ্যে কেই বাখনো বিহু সন্মিলনীয়ে বাতিল কৰিছে মৰ্মিতাৰে চুক্তি। জানিব পৰা মতে, গোলাঘাট, শিৱসাগৰ, কাজিৰঙা আৰু গুৱাহাটী মহানগৰীৰ পাঞ্জাবাৰীত বাতিল হৈছে বংগ কন্যাৰ বিহুৰ সংগীতানুষ্ঠান। আজি তিনিচুকীয়া জিলাৰ তালাপ ৰাজহুৱা ৰঙালী বিহু সন্মিলন - ২০২৬য়ে ও বাতিল কৰে মৰ্মিতা মিত্ৰৰে চুক্তি। উল্লেখ্য যে, অহা ২৯, ৩০ আৰু ১ মে'ত তিনিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে তালাপ নগৰ খেলপথাৰত আয়োজন কৰা তালাপ ৰাজহুৱা ৰঙালী বিহু সন্মিলনৰ তৃতীয় তথা অন্তিম দিনাৰ অন্তিম কাৰ্যসূচী সাংস্কৃতিক সন্ধিয়াত গীত পৰিৱেশনৰ বাবে কণ্ঠশিল্পী মৰ্মিতা মিত্ৰৰে চুক্তি কৰিছিল উদযাপন সমিতিয়ে। উদ্যাপন সমিতিৰ তৰফৰ পৰা জনোৱা অনুসৰি, প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ গান বিকৃত ৰূপত পৰিৱেশন কৰা ঘটনাক কেন্দ্ৰ কৰি উদযাপন সমিতিয়ে আজি গায়িকা মৰ্মিতা মিত্ৰৰে চুক্তি বাতিল কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। এই সন্দৰ্ভত আয়োজক সমিতিয়ে 'অসম বাৰ্তা'ক জনোৱা অনুসৰি, ১ মে' তাৰিখে অনুষ্ঠিত হ'বলগীয়া বিহু সন্মিলনৰ সংগীতানুষ্ঠানত মৰ্মিতা মিত্ৰৰ সলনি অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী নীলাক্ষী নেওঁগ উপস্থিত থাকিব। অনুষ্ঠানত সমূহ বিষ্ণুপ্ৰেমী ৰাইজৰ উপস্থিতি কামনা কৰিছে উদযাপন সমিতিয়ে।

খোৰাগাৰত কোঁচ ৰাজবংশী সকলে পালন কৰিলে ১২ তম্ বিষুৱা উৎসৱ

অসম বাৰ্তা, অভয়াপুৰী, ১৯ এপ্ৰিল ঃ বঙাইগাঁও জিলাৰ অভয়াপুৰী খোৰাগাঁৱত কোচ ৰাজবংশী সকলে উলহ-মালহেৰে পালন কৰিলে বিষুৱা উৎসৱ। অসমৰ অন্যতম জনগোষ্ঠী কোঁচ ৰাজবংশী লোক সকলে জাতীয় সাজ পৰিধান কৰি উলহ-মালহেৰে উৎযাপন কৰিলে চেনেহৰ উৎসৱটি। অসমৰ বাপতিসাহোন ৰঙালী বিহুটিক কোঁচ ৰাজবংশী জনগোষ্ঠীৰে লোকে অতীজৰে পৰা বিষুৱা উৎসৱ হিচাপে পালন কৰি আহিছে। অনুষ্ঠানটোত বিভিন্ন জনগোষ্ঠীয়ে নৃত্য পৰিৱেশন কৰে। পূৰ্বৰে পৰা বিষুৱা উৎসৱ উদযাপন কৰে অঞ্চলবাসীয়ে। অইন অইন বছৰতকৈ এইবেলি ব্যাতিক্ৰমি ৰূপে পৰিগণিত হৈছে। বিভিন্ন জনগোষ্ঠীয় নৃত্য পৰিৱেশন কৰি মনমুগ্ধ কৰে নৃত্য কাৰ সকলে। আজি পুৱা পতাকা উত্তোলনৰ পিছত শ্বহীদ বেদীৰ মাল্যাৰ্পণ কৰি মহাৰাজ নৰনাৰায়ণৰ প্ৰতিমূৰ্তিৰ মাল্যাৰ্পণ কৰে। তাৰ পিছত চিলাবায়, প্ৰতিমা বৰুৱা পাণ্ডে, ক মাল্যাৰ্পণ কৰাৰ লগতে হিয়াৰ আমঠু জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি বস্তি প্ৰজ্বলন, গছ পুলি ৰোপণৰ আৰু বিভিন্ন খেল-ধেমালিৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। ডেকা-গাভৰু জীয়ৰী-বোৱাৰী, পুৰুষ-মহিলা সকলো ওলাই আহিছে বিষুৱা উৎসৱৰ আনন্দ লবলৈ। বিভিন্ন পৰম্পৰাগত সাজ পৰিধান কৰি সকলোৱে স্বকীয় বৈশিষ্ট্যৰে অংশ লৈছে বিষুৱা নৃত্যত।

১০ গৰাকী পুৰুষ আৰু ৮ গৰাকী মহিলালৈ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জ্ঞাপন

বাঘজানত ১৮ গৰাকী মৃতকৰ আদ্যশ্ৰাদ্ধ সম্পন্ন

অসম বাৰ্তা, তিনিচুকীয়া বিশেষ, ১৯ এপ্ৰিল ঃ তিনিচুকীয়া জিলাৰ বাঘজান গাঁও শ্ৰীশ্ৰী ময়ামৰা বৰ নামঘৰত শনিবাৰে ১৮ গৰাকী মৃতকৰ আত্মাৰ সদগতি অৰ্থে সমজুৱাভাৱে আদ্যশ্ৰাদ্ধ (দহা) সম্পন্ন হৈ যায়। ইয়াবে ১০ গৰাকী পুৰুষ আৰু ৮ গৰাকী মহিলা। উল্লেখ্য যে, যোৱা সময়ছোৱাত বিভিন্ন কাৰণত মৃত্যুক সাবটি লোৱা গাঁওখনৰ ভদ্ৰেশ্বৰ নেওগ, জোনাবৰ বৰুৱা, গমেশ্বৰ চুতীয়া (গম), তৰুণ বৰুৱা, ৰেপন হাজৰিকা, শশি চেতিয়া, অমৰজ্যোতি হাজৰিকা, টনেশ্বৰ মৰাণ, ভূপেন মৰাণ, মনেশ্বৰ হাজৰিকা, মোলেশ্বৰী চেতিয়া, অলেশ্বৰী মৰাণ, সোৰেশ্বৰী ফুকন, বহাগী হাজৰিকা, কেজে হাজৰিকা, অনিলা মৰাণ, খহোলি মৰাণ, খুদুপি মৰাণ মুঠ ১৮ গৰাকী মৃতকৰ আজি সামাজিক ৰীতি-নীতিৰে একেলগে অনুষ্ঠিত কৰা আদ্যশ্ৰাদ্ধত সহস্ৰাধিক আত্মীয়-কুটুম আৰু ভক্তপ্ৰাণ ৰাইজৰ সমাগম ঘটে। মৃতকৰ প্ৰতিচ্ছবিত ৰাজহুৱা শ্ৰদ্ধাঞ্জলি জনোৱাৰ পিছতে আদ্যশ্ৰাদ্ধলৈ অহা সকলোলৈ কৃতজ্ঞতা জ্ঞাপন কৰে মৃতকৰ পৰিয়ালবৰ্গই।

ৰঙালী বিহুৰ প্ৰথম দিনটোতে ওৰাং ৰাষ্ট্ৰীয় উদ্যানত অঘটন

অসম বাৰ্তা, দলগাঁও, ১৯ এপ্ৰিল ঃ সমগ্ৰ ৰাজ্যজুৰি পালন কৰা হৈ আছে অসমীয়াৰ বাপতি সাহোন ৰঙালী বিহু। ৰঙালী বিহুৰ প্ৰথম দিনতে ওৰাং ৰাষ্ট্ৰীয় উদ্যানত অঘটন। গৰু বিহুৰ দিনা পুৱাৰ ভাগত লোকসকলে নিজৰ গো-ধনক নোৱাই-ধুৱাই পৰিষ্কাৰ কৰি নতুনক আদৰি লোৱাৰ প্ৰাক্-মুহূৰ্তত ৰাজ্যত জোকাৰি গৈছে এক শিহৰণকৰী ঘটনাই। অতি মৰ্মান্তিক আৰু দুখ লগা ঘটনাৰ বিৱৰণে আপোনাকো মৰ্মাহত কৰি তুলিব। গৰু বিহুৰ দিনৰ প্ৰায় এঘাৰ বজাৰ আশে-পাশে এক মৰ্মান্তিক ঘটনাই জোকাৰি গৈছে সমগ্ৰ ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ লগতে পাৰ্শ্ববৰ্তী শিয়ালমাৰী কাছোমাৰী গাঁও। ঘটনা অনুসৰি নিজ কৰ্তব্য সামৰি বলি কেম্পৰ দুগৰাকী বনকৰ্মী ওৰাং ৰাষ্ট্ৰীয় উদ্যান এলেকাত থকা সৰু পুখুৰীত কাপোৰ আৰু গা ধুবলৈ গৈছিল সুঠাম দেহৰ অধিকাৰী যুৱক অজয় কুৰ্মী (২৩) আৰু সতীৰ্থ মকবুল আলী। কাপোৰ ধুই উঠি গা ধুবলৈ আৰম্ভ কৰিছিল দুয়োৱে। মকবুল আলীয়ে গা ধুই উঠে যদিও অজয় কুৰ্মী নামৰ বনকৰ্মীজনে গা ধুবলৈ পানীত ডুব দিছিল যদিও অলপ সময় ধৰি পাৰলৈ উঠি নহাত মকবুল আলীয়ে চিঞৰ-বাখৰ কৰে আৰু ৰিফৈৰ সন্ধান উলিয়াব নোৱাৰে। চিঞৰ শুনি ওচৰত থকা লোকসকলে আহি পানীত সন্ধান উলিয়াব চেষ্টা কৰে যদিও বিফল হয়। পিছত ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ বনৰক্ষী বিষয়া হিৰুপম দলেক ঘটনাটো অৱগত কৰে। বনৰক্ষী বিষয়াজনে বিভাগীয় উৰ্ধ্বতন কৰ্তৃপক্ষৰ লগতে এছডিআৰএফ বাহিনীক ঘটনাটো অৱগত কৰে আৰু ক্ষন্তেক পিছত এছডিআৰএফ বাহিনী উক্ত স্থানত উপস্থিত হৈছিল। এছডিআৰএফ বাহিনীৰ সহযোগত ঘণ্টাজোৰা তীব্ৰ অভিযানত তেইছবছৰীয়া বনকৰ্মী অজয় কুৰ্মীক মৃত অৱস্থাত উদ্ধাৰ কৰিবলৈ সক্ষম হয়। সতীৰ্থ মকবুল আলীয়ে ঘটনাটোৰ বাবে অত্যন্ত দুখ প্ৰকাশ কৰে আৰু সেই সময়ত ভয় কৰিছিল বুলিও প্ৰকাশ কৰে। পুখুৰীৰ পানীৰ পৰা উদ্ধাৰ কৰি মৃতদেহটোৰ প্ৰাথমিক তদন্ত বাবে দলগাঁও থানালৈ লৈ আনে। পিছত মৰণোত্তৰ পৰীক্ষাৰ বাবে মঙলদৈ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰিব বুলি জানিবলৈ দিছে বনৰক্ষী বিষয়াই। ঘটনাস্থলীত বন বিভাগৰ দল আৰু দলগাঁও আৰক্ষীৰ এটি দল উপস্থিত আছিল। মৃত অজয় কুৰ্মীৰ ঘৰ ঢেকীয়াজুলি থানাৰ অন্তৰ্গত চপাই নলবাৰী গাঁৱত বুলি জানিব পৰা গৈছে। অজয় কুৰ্মীৰ পিতৃ চন্দ্ৰো কুৰ্মী মাতৃ কুলন্তী কুৰ্মী। মৃত অজয়ৰ আছে আন দুগৰাকী ভাতৃ। মাতৃ কুলন্তী কুৰ্মী চাহ বাগিচাত এতিয়াও কাম কৰে বুলি জানিব পৰা গৈছে। অজয়ৰ মৃত্যুৰ খবৰ পাই ঘটনাস্থলীত ভাতৃ আৰু পিতৃ মাটিত বাগৰি বাগৰি ক্ৰন্দনত ভাগি পৰিছে আৰু পিতৃয়ে অকল অজয় অজয় বুলি হিয়া ফাটুকি কান্দি কান্দি মাতিছে। উল্লেখ্য যে মাত্ৰ তিনি বছৰ পূৰ্বে ওৰাং ৰাষ্ট্ৰীয় উদ্যানত কেজুৱেল হিচাপে চাকৰিত যোগদান কৰিছিল অজয় কুৰ্মীয়ে। গৰু বিহুৰ দিনাই সংঘটিত হোৱা এই শোকাৱহ ঘটনাই ৰাষ্ট্ৰীয় উদ্যানৰ কৰ্মী, অজয়ৰ পৰিয়াল আৰু আত্মীয়ৰ লগতে শিয়ালমাৰী কাছোমাৰী অঞ্চলত শোকৰ ছাঁ পেলাইছে।

বিকশিত ভাৰতৰ সপোন পূৰণ কৰিবলৈ হ'লে গুৰুদেৱৰ আদৰ্শ অনুসৰণ কৰিব লাগিব ঃ প্ৰফেচাৰ ৰমেশ চ. ভৰদ্বাজ

দুই বিশিষ্ট ব্যক্তিলৈ ২০২৬ বৰ্ষৰ গুৰুদেৱ কালিচৰণ ব্ৰহ্ম বটা প্ৰদান

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, টংলা, ১৯ এপ্ৰিল ঃ গুৰুদেৱ কালিচৰণ ব্ৰহ্ম ট্ৰাষ্টৰ উদ্যোগত আজি গুৰুদেৱ কালিচৰণ ব্ৰহ্মৰ ১৬৭ সংখ্যক জন্মজয়ন্তী আৰু গুৰুদেৱ কালিচৰণ ব্ৰহ্ম বটা প্ৰদান কৰা হয়। ওদালগুৰি মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত গাম্ভিয্যপূৰ্ণ অনুষ্ঠানত দিল্লীৰ বিশিষ্ট শিক্ষাবিদ প্ৰফেচাৰ ৰমেশ চি ভৰদ্বাজ আৰু মবোনোত্তৰভাৱে প্ৰাক্তন বিধায়ক প্ৰয়াত কৰেন্দ্ৰ বসুমতাৰীক গুৰুদেৱ কালিচৰণ ব্ৰহ্ম বটা প্ৰদান কৰা হয়। এই বটাৰ লগত দুয়োগৰাকী বটা প্ৰাপকলৈ মানপত্ৰ আৰু ১ লাখ টকাকৈ নগদ ধনো প্ৰদান কৰা হয়। বটা প্ৰদান অনুষ্ঠানত উপস্থিত থাকি অসম চৰকাৰৰ মন্ত্ৰী ইউ.ডি.ব্ৰহ্মই গুৰুদেৱ কালিচৰণ ব্ৰহ্মই সমাজ সংস্কাৰত গুৰুত্বপূৰ্ণ ভূমিকা লোৱা বুলি উল্লেখ কৰি গুৰুদেৱ কালিচৰণ ব্ৰহ্মই আধ্যাত্মিক চেতনাৰে সমাজখন গঢ়ি যোৱা বুলি উল্লেখ কৰে। বটা গ্ৰহণ কৰি প্ৰফেচাৰ ৰমেশ চ. ভৰদ্বাজে গুৰুদেৱৰ কালিচৰণ ব্ৰহ্মৰ জীৱন -দৰ্শন, আদৰ্শ তথা সমাজ গঠনত আগবঢ়োৱা অৱদান সম্বন্ধত ভাষণ আগবঢ়ায়। তেওঁ ভাষণত লগতে কয়- এই বটা মোক প্ৰদান কৰা বাবে মই সৌভাগ্যবান। ২০৪৬ৰ বিকশিত ভাৰতৰ সপোন পূৰণ কৰিবলৈ হ'লে গুৰুদেৱৰ আদৰ্শ অনুসৰণ কৰিব লাগিব আমি গুৰু কালিচৰণ ব্ৰহ্মই দক্ষতা বিকাশৰ শিক্ষাত গুৰুত্ব দিছিল। তেখেতৰ আদৰ্শক অনুসৰণ কৰি আমি সমাজ খনক আগুৱাই নিব লাগিব। অনুষ্ঠানত অংশ গ্ৰহণ কৰি সদৌ ব্ৰহ্ম ধৰ্ম সমিতিৰ সভাপতি ফটেন্দ্ৰ বসুমতাৰীয়ে গুৰুদেৱ কালিচৰণ ব্ৰহ্মৰ নীতি-আদৰ্শ সমগ্ৰ বিশ্বলৈ বিয়পাই নি এখন সুন্দৰ সমাজ গঠনৰ বাবে ব্ৰহ্ম সমিতিয়ে ধাৰাবাহিকভাৱে বিভিন্ন পদক্ষেপ অব্যাহত ৰাখিছে মন্তব্য কৰাৰ লগতে গুৰুদেৱ কালিচৰণ ব্ৰহ্মক বিশ্ব দৰবাৰত প্ৰতিষ্ঠাৰ বাবে এই অনুষ্ঠানে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি উল্লেখ কৰে। এই অনুষ্ঠানতে গুৰুদেৱ কালিচৰণ ব্ৰহ্মৰ জীৱনীমূলক গ্ৰন্থত হিন্দী অনুবাদিত গ্ৰন্থৰ লগতে আন কেইবাখনো গ্ৰন্থ মুকলি কৰা হয়। আজিৰ এই অনুষ্ঠানত বড়ো সাহিত্য সভাৰ সম্পাদক নিলকান্ত গয়াৰী, নিখিল বড়ো ছাত্ৰ সংস্থাৰ সভাপতি খৰম্বদাও ওৱাৰী, গুৰুদেৱৰ কালিচৰণ ব্ৰহ্ম ট্ৰাষ্টৰ সভাপতি ড' অজিত বড়ো, এবছৰ প্ৰাক্তন সভাপতি দ্বীপেন বড়ো। প্ৰয়াত কৰেন্দ্ৰ বসুমতাৰীৰ সহধৰ্মীনী চানাসী বসুমতাৰী প্ৰমুখো কৰি বহু বিশিষ্ট ব্যক্তি উপস্থিত।

নাজিৰাৰ শিমলুগুৰিত বৃহৎ পৰিমাণৰ ড্ৰাগছ জব্দ

অসম বাৰ্তা, নামতি, ১৯ এপ্ৰিল ঃ এটা পুতলাক কেন্দ্ৰ কৰি শিমলুগুৰিত আৰম্ভ হয় দুখন জিলাৰ শীৰ্ষ আৰক্ষী বিষয়াসহিতে বৃহৎ অভিযান। পুতলাৰ বহস্য উদ্ধাৰৰ বাবে পুৱাৰে পৰা অভিযান চলাই অৱশেষত বহস্য ভেদ কৰিবলৈ সক্ষম হয় আৰক্ষীৰ দল। উল্লেখ্য, অৱধ আচাম এ'প্লেছ নামৰ যাত্ৰীবাহী ৰেলখনত নাগালেণ্ডৰ ডিমাপুৰৰ পৰা নাজিৰা সমজিলাৰ শিমলুগুৰি ৰেলৱে জংচনলৈ এগৰাকী নগা মহিলাই এটা পুতলাৰ ভিতৰত বৃহৎ পৰিমাণৰ ড্ৰাগছ অনাৰ তথ্য লাভ কৰে যোৰহাট আৰু শিৱসাগৰ জিলাৰ আৰক্ষীয়ে।